ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

(1)

OFFICIAL REPORT

EVENTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE TWELFTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION
OF INDIA

BUDGET SESSION

No. : 5

The 7th MARCH, 2008

ce : 222.00

CONTENTS

BUDGET SESSION

NO-5

Dated, the 7th March , 2008

		page
1.	Questions and Answers	1
2.	Point of order	135
3.	Discussion on the Supplementary Statement of Expenditure Charged on the Consolidated Fund of the State for the year, 2007-2008	136
4.	Voting on Supplementary Demands For Grants.	137
5.	Introduction, Consideration and Passing of "The Assam Appropriation (No.1) Bill, 2008".	168
6.	Announcement from the Chair.	171
7.	Adjournment.	174
8.	Annexure-I to XXVI.	175

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 7th March, 2008

The House met at 8.30 A.M of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(TO WHICH ORAL REPLIES WERE GIVEN)

Mr. Speaker : Starred Question No.61, Hon'ble Member, Shri Ananta Deka.

বিষয় ঃ পুৰণি বুৰ্কা State Dispensary

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ

*৬১। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৫৭ নং ৰঙিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত পুৰণি বুৰ্কা State Dispensaryত এজনো ডাক্তৰ, নাৰ্ছ নথকা সম্পৰ্কে বিভাগ অৱগতনে?

(খ) যদি অৱগত, এই অৱস্থাৰ অৱসানৰ বাবে বিভাগে চলিত বিত্তীয় বর্ষতে ব্যৱস্থা গ্রহণ কৰিবনে?

* **ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) পুৰণি বুৰ্কাত এটি উপস্বাস্থ্য কেন্দ্রৰ বাহিৰে অন্য কোনো চিকিৎসালয় নাই।

(খ) বুৰ্কাত এটি প্রাথমিক স্বাস্থ্য কেন্দ্র স্থাপন কৰি প্রয়োজনীয় সংখ্যক চিকিৎসক ও অন্যান্য কর্মচাৰীৰ পদ অনুমোদনৰ বাবে বিবেচনা কৰা হৈছে।

* **শ্রীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে (ক) প্রশ্নৰ উত্তৰত কৈছে যে পুৰণি বুৰ্কাত এটি উপস্বাস্থ্য কেন্দ্রৰ বাহিৰে অন্য কোনো চিকিৎসালয় নাই। কিন্তু মই জনাত এখন ষ্টেট ডিচপেনচাৰী যিবিলাকক মিনি পি, এইছ, চি বুলি কয় তাত আছিল। ঘৰ সজা হৈছিল কিন্তু ডাক্তৰ নার্ছ আদি দিয়া হোৱা নাছিল। (খ) প্রশ্নৰ উত্তৰত মন্ত্রী মহোদয়ে কৈছে যে চিকিৎসক আৰু অন্যান্য, কর্ম্মচাৰী দিয়াৰ কাৰণে বিবেচনা কৰিছে। তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। আশা ৰাখিছো এইখিনি কাম সোনকালে কার্য্যকৰী কৰিব। মন্ত্রী মহোদয়ে অলপতে ঘোষণা কৰিছে যে ৰঙিয়াত এখন ৫০ খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰা হ'ব। এই সুযোগতে মই অনুৰোধ কৰিছো এই কাম পূর্ণাঙ্গ পর্য্যায়ত কৰাৰ কাৰণে কেতিয়া কার্য্যকৰী কৰা হ'ব। তাৰোপৰি ভালেমান প্রাথমিক স্বাস্থ্য কেন্দ্র আৰু উপ-স্বাস্থ্য কেন্দ্রত

ডাক্তৰ নাই। সেইবিলাকত ডাক্তৰ দিয়াৰ কাৰণে বিবেচনা কৰিব লাগে। লগতে ডাক্তৰক ইন্‌চেনটিভ দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে ডাক্তৰ গাঁৱলৈ যায়।

* ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে এটা সিদ্ধান্ত লৈছে বিভিন্ন সময়ত যিবিলাক তেনেকুৱা স্বাস্থ্য কেন্দ্ৰ বা অন্য ঠাইত চৰকাৰী খৰচত চিকিৎসা কেন্দ্ৰ নিৰ্ম্মাণ কৰা হৈছে আৰু তাত পদ অনুমোদন দিয়া হোৱা নাছিল, যিবিলাকক ভেনচাৰ বুলি কোৱা হৈছিল। সেই সমূহ চিকিৎসালয়ত কৰ্মচাৰী দিয়াৰ কাৰণে আঁচনি লৈছো। প্ৰত্যেক জিলাৰ যুটীয়া সঞ্চালকলৈ লিখা হৈছে যে আপোনালোকৰ জিলাত যিবিলাক ঘৰ চৰকাৰী খৰচত বনোৱা হৈছে কিন্তু তাত ডাক্তৰ, নার্ছ আদি দিয়া হোৱা নাই তাৰ তালিকা পঠাব লাগে। আমি ৩১/৩/০৭ চনৰ ভিতৰত উক্ত পদসমূহ মঞ্জুৰী দিম। ৰঙিয়াৰ যিখন চিভিল হস্পিতাল সেইখনৰো একে অৱস্থা। ঘৰ হৈছিল কিন্তু পদ নাছিল। তাৰ কাৰণেও ১৯টা পদ মঞ্জুৰ কৰি ৯/১০/০৭ তাৰিখে অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ এটা পর্য্যায় আছে। এ, পি, এচ, চিলৈ লিখা হৈছে ডাক্তৰ নিযুক্তিৰ কাৰণে। তেওঁলোকে সাক্ষাৎকাৰ আদি লৈ আমাক দিলে আমি নিযুক্তি দিম। আনহাতে পেৰা মেডিকেল ষ্টাফো আমি নিযুক্তি দিম। এ, পি, এচৰ ফলাফলৰ কাৰণে হয়তো অলপ সময় লাগিব। ভাৰত চৰকাৰৰ পৰা এটা দল আহিছিল ৰঙিয়াৰ হস্পিতাল চাবলৈ। কিন্তু তেওঁলোকে ৰঙিয়াৰ হস্পিতালখন চাই ক্ষোভিত হৈছে। আনহাতে ৰঙিয়াৰ ওচৰৰ বেজেৰাৰ হস্পিতাল চাই ভাল পাইছে।

*Speech not corrected

তাৰ যিটো পৰিবেশ সেই পৰিবেশ ৰঙিয়া হস্পিতালত নাই। ৰঙিয়া হস্পিতালৰ বেডৰ ওপৰত মকৰা জাল আৰু এলাস্কুৰে ভৰি আছিল। গতিকে মই মাননীয় বিধায়ক মহোদয়ক অনুৰোধ কৰিছো যাতে তেখেতে এই কথাবিলাক চায়। আৰু ৰঙিয়া হস্পিতালখন পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰখাৰ ব্যৱস্থা কৰে। সকলো মাননীয় বিধায়ককে কৈছো যে যিবিলাক সমষ্টিত চৰকাৰী ধনেৰে ঘৰ বনোৱা হৈছে তেনেকুৱা ঠাইত আমি পর্য্যায়ক্রমে ডাক্তৰ, নার্ছ আদি দিয়াৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিম। ডাক্তৰ দিয়াৰ কাৰণে সমস্যা আছে। বছৰি আমাৰ ২০০-২৫০জন চিকিৎসকৰ সৃষ্টি হয়। সেই কাৰণে অসম চৰকাৰে তিনিখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ যোগাযোগ কৰি ১৬২ কোটি টকা অনুমোদন দিয়া হৈছে। এই তিনিখন চিকিৎসা মহাবিদ্যালয়ৰ ভিতৰৰ ২খন ভাৰতৰ মাননীয় প্রধানমন্ত্রী ডাঙৰীয়াই আধাৰশিলা স্থাপন কৰিব। ৪৫ দিনৰ ভিতৰত নির্মাণৰ কাম আৰম্ভ কৰিব বিচাৰিছো। ৩-৪ বছৰৰ ভিতৰত সম্পূর্ণ কৰিব পাৰিম। এই চিকিৎসালয় কেইখন হ'লে আৰু আমি ৩০০মান চিকিৎসক পাম। ডাক্তৰৰ দৰমহাৰ কথাটো আমি চিন্তা কৰি আছো। আমি যিবিলাক পদক্ষেপ লৈছো সেইবিলাক ২০১০-১২ চনৰ ভিতৰত সম্পূর্ণ কৰিম পাৰিম বুলি ভাবিছো।

* **শ্রীঅনন্ত ডেকা** ঃ অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। মই আৰু এটা কথা ক'ব বিচাৰিছো যে বি, টি, এ, ডি এলেকা গোৰেশ্বৰত চি, এই, চিৰ কাৰণে ব্যৱস্থা কৰিব নেকি ডাক্তৰ দিয়াৰ কাৰণে।

**Speech not corrected*

* ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ডাক্তৰ হ'লে আমি নিশ্চয় ব্যৱস্থা ল'ম। বজাৰত এতিয়া ডাক্তৰ কম আছে। তথাপিও আমি নিৰন্তৰ চেষ্টা চলাই আছো।

Mr. Speaker : Now, Starred Question No. 62, Hon'ble Member, Shri Pranab kalita.

বিষয় ঃ চিগাৰেট আৰু গুট্‌খা।

শ্রীপ্রণব কলিতাই সুধিছে ঃ

*৬২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত প্রতিদিনে গড়ে কিমান চিগাৰেট বিক্রী হয় আৰু এই বিক্রীৰ পৰা ৰাজ্য চৰকাৰে কিমান ৰাজহ লাভ কৰে? অসমক চিগাৰেট মুক্ত ৰাজ্য হিচাপে ঘোষণা কৰাৰ ব্যৱস্থা কৰিব নেকি?

(খ) প্রথম পর্য্যায়ত মন্ত্রী বিধায়কে চিগাৰেট সেৱন কৰিব নোৱাৰাৰ বাবে সদনত সিদ্ধান্ত গ্রহণ কৰিব নেকি? লগতে ৰাজহুৱা স্থানত চিগাৰেট সেৱন কৰা ব্যক্তিৰ বিৰুদ্ধে জৰিমনা বিহাৰ ব্যৱস্থা কৰিব নেকি?

(গ) অসমত প্রতিদিনে গড়ে কিমান গুট্‌খা বিক্রী হয় আৰু ইয়াৰ পৰা ৰাজ্য চৰকাৰে কিমান ৰাজহ সংগ্রহ কৰে? অসমত গুট্‌খা বিক্রী বন্ধ কৰাৰ সিদ্ধান্ত গ্রহণ কৰিবনে? প্রথম পর্য্যায়ত শিক্ষানুষ্ঠানৰ চৌহদৰ ভিতৰত গুট্‌খা নিষিদ্ধ কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্রহণ

*Speech not corrected

কৰি কার্য্যকৰী কৰিব নেকি?

* ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) অসমত প্রতিদিনে গড়ে প্রায় ৩,২০,০০০ পেকেট চিগাৰেট বিক্রী হয় আৰু এই বিক্রীৰ পৰা ৰাজ্য চৰকাৰে বছৰি প্রায় ৩১.৯৩ কোটি টকা ৰাজহ লাভ কৰে।

অসমক চিগাৰেট মুক্ত ৰাজ্য হিচাপে ঘোষণা কৰাৰ বিষয়ে এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা হোৱা নাই যদিও ৰাষ্ট্রীয় কল্যাণ বিভাগৰ আয়ুক্ত সচিবক সভাপতি হিচাপে লৈ এখন ৰাজ্যিক পর্য্যায়ৰ কমিটি গঠন কৰা হৈছে।

(খ) বিষয়টোৰ ওপৰত চৰকাৰে চিন্তা কৰা নাই।

Cigarette and other Tobacco products (prohibition of Advertisement & Regulation of Trade and Commerce, Production, Supply and Distribution Act, 2003- অনুসৰি ৰাজহুৱা স্থানত চিগাৰেট বা ধঁপাতজাতীয় দ্রব্য সেৱন কৰাটো অনুচিত গণ্য কৰা আৰু তেনে ব্যক্তিক জৰিমনা বিহাৰ ব্যৱস্থা আছে।

(গ) অসমত প্রতিদিনে গড়ে প্রায় ৬,৫০,০০০ পেকেট গুট্খা বিক্রী হয় আৰু ইয়াৰ পৰা ৰাজ্য চৰকাৰে বছৰি প্রায় ৭.৯৮ কোটি টকা ৰাজহ লাভ কৰে। ৰাজ্য চৰকাৰে জাৰি কৰা "Prohibition on sale of Cigarette and other Tobacco Products around Educational Institutions Rule, 2004 অনুসৰি শিক্ষানুষ্ঠানৰ চৌহদৰ ১০০ মিটাৰ ব্যাসার্দ্ধৰ ভিতৰত

চিগাৰেট আৰু অন্যান্য ধঁপাত জাতীয় দ্রব্য বিক্রী কৰা বা সেৱন কৰাতো নিষিদ্ধ আৰু দুশ টকা পর্য্যন্ত জৰিমনা বিহাৰ ব্যৱস্থা আছে।

* শ্রীপ্রণৱ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নৰ উত্তৰত মাননীয় মন্ত্রী মহোদয়ে কৈছে যে অসমত প্রতিদিনে গড়ে প্রায় ৩,২০,০০০ পেকেট চিগাৰেট বিক্রী হয়। এজন মানুহে যদি দিনত এক পেকেট চিগাৰেট খায় তেতিয়া হ'লে এই হিচাপ হ'ব কিন্তু ১০ পেকেট খালে তাতোকৈ অধিক বিক্রী হ'ব। এই চিগাৰেট খাই অসমত প্রায় ৪০ হেজাৰ মানুহে কেঞ্চাৰ ৰোগত ভুগিছে। মাননীয় মন্ত্রী মহোদয়ে স্বাস্থ্য বিভাগক উন্নত কৰাৰ বাবে যিমান কর্তব্যপৰায়ণ মৃত্যুমুখত পৰা মানুহখিনিক বচোৱাৰ কাৰণেও কর্তব্যপৰায়ণ হ'ব লাগে। এই ক্ষেত্রত আইন প্রণয়ন কৰিব লাগে। যিখন বাজেট বনাইছে এই বাজেটত চৰকাৰে কি ৰূপ দিব তাৰ উত্তৰ দিব নেকি?

* ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীপ্রণৱ কলিতা ডাঙৰীয়াই যিটো প্রশ্ন কৰিছে এইটো উৎকণ্ঠাৰ বিষয়। গুট্‌খা খোৱাৰ কাৰণে অসমত কেন্সাৰ আৰু হার্টৰ বেমাৰ হয়। টবেকো যদি অসমত বন্ধ কৰাৰ ব্যৱস্থা লোৱা হয়, কিমানদূৰ সফল হ'ব পাৰিম। এই ক্ষেত্রত সেই কাৰণে ভাৰতবর্ষৰ স্বাস্থ্য মন্ত্রীয়ে অনুৰোধ কৰি আহিছে, কেন্দ্রীয় পর্য্যায়ত ধঁপাতৰ সেৱন বন্ধ কৰক। অসমত দুটা আইন আছে। ৰাজহুৱা স্থানত চিগাৰেট বা ধঁপাত জাতীয় দ্রব্য সেৱন কৰাটো অনুচিত আৰু তেনে ব্যক্তিক জৰিমনা কৰাৰ ব্যৱস্থা আছে। এই ৰুল ভালকৈ এনর্ফচ

কৰিব পৰা নাই। শিক্ষানুষ্ঠান চৌহদত গুট্‌খা বিক্রী কৰিব নোৱাৰে। কিন্তু তেনেকুৱা অঞ্চলত শিক্ষানুষ্ঠানৰ লগতে চিগাৰেটৰ দোকান দেখা যায়। আমি এইবিলাক Strengthen কৰিব বিচাৰিছো। মই ভাবো অহা দুই তিনি মাহৰ ভিতৰত কৰিব পৰা হ'ব। ভাৰত চৰকাৰৰ নেশ্বনেল প্রগ্রেমকে ধৰি যিবিলাক প্রগেম আছে সেইবিলাক আমি গ্রহণ কৰিব লাগিব।

* **শ্রীপ্রণৱ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় প্রশ্নটো আছিল প্রথম পর্য্যায়ত মন্ত্রী-বিধায়কে চিগাৰেট সেৱন কৰিব নোৱাৰাৰ বাবে সদনত সিদ্ধান্ত গ্রহণ কৰিব লাগে। এইটো বেলেগ চাপ্লিমেণ্টৰী লাগিব। কিন্তু ৰাজহুৱা স্থানত ধঁপাত সেৱন কৰিলে দুই শ টকা জৰিমণা দিব লাগে। এই ক্ষেত্রত চৰকাৰে কিমান টকা সংগ্রহ কৰিলে জনাব নে?

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো জিলা পর্য্যায়ত সংগ্রহ হয়। মাননীয় সদস্য, কলিতা ডাঙৰীয়াৰ এইটো পৰিপূৰক প্রশ্ন নাছিল, পিছত দিম।

* **শ্রীপ্রণৱ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত প্রতিদিনে গড়ে প্রায় ৬,৫০,০০০ পেকেট গুট্‌খা বিক্রী হয় আৰু ইয়াৰ পৰা ৰাজ্য চৰকাৰে বছৰি প্রায় ৭.৯৮ কোটি টকা ৰাজহ লাভ কৰে বুলি কৈছে। গুট্‌খা খোৱাবিলাকৰ বয়স ১৫/২০ বছৰ হ'ব, বেছিভাগ কলেজীয়া ল'ৰা-ছোৱালীয়ে গুট্‌খা খায়। গুট্‌খা খোৱা বন্ধ কৰিব লাগে। যদি গুজৰাট চৰকাৰে নিজৰ ৰাজ্যত গুট্‌খা খোৱা বন্ধ কৰিব পাৰে আমাৰ অসমত কিয় নোৱাৰে।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয় সদস্য শ্রীকলিতা ডাঙৰীয়াই

গুজৰাটৰ কথা কৈছে যদিও তাতো প'লিউচন আছে আমাৰ ৰাজ্যতো আছে। গুট্‌খা, চিগাৰেট, মদ খোৱাটো বিপদজনক, তাত লিখা থাকে 'ইনজুৰিয়াছ টু হেল্‌থ'। প'লিউচন হোৱাটো কোনেও নিবিচাৰে। এই কথাবিলাক চাব লাগিব। টি, ভি, বা চি, ডিবিলাকত গুট্‌খা খোৱাটো যাতে নেজেখুৱায়। এইটো ষ্টেপ বাই ষ্টেপ কৰিব লাগিব।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, এই বিষয়টো নিশ্চয় আপোনাৰ মনত আছে। যোৱা মাৰ্চ মাহৰ অধিবেশনত এই বিষয়টো আলোচনা কৰা হৈছিল আৰু তেতিয়া উদ্যোগ মন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই উত্তৰত কৈছিল যে এইটো নিষিদ্ধ কৰা হ'ব। মাননীয় সদস্য প্ৰণৱ কলিতা ডাঙৰীয়াই ঠিকেই কৈছে যে ১৫ বছৰৰ পৰা ২৫ বছৰৰ ল'ৰা-ছোৱালীয়েই গুট্‌খা সেৱনৰ বাবে বেছি আসক্ত। এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে স্বীকাৰো কৰিছে। অধ্যক্ষ মহোদয়, আমাৰ যদি উত্তৰ পূৰ্ব্বাঞ্চলৰ আটাইকেইখন ৰাজ্যই এই বস্তুটো বন্ধ নকৰে তেতিয়াহ'লে আমাৰ অসমে অকলে নিষিদ্ধ কৰিলেও আমি ইয়াৰ পৰা ভাল ফল নাপাম। আমাৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ স্বাস্থ্য মন্ত্ৰীসকলৰ লগত বিশেষকৈ আমাৰ ওচৰতে থকা পশ্চিমবঙ্গ, বিহাৰ আদিৰ মন্ত্ৰীসকলৰ লগত যোগাযোগ কৰি বিশেষকৈ গুট্‌খা বন্ধ কৰাৰ বাবে আইন প্ৰণয়নৰ জৰিয়তে ব্যৱস্থা ল'ব নেকি? আমাৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ ৮ খন ৰাজ্য আছে। গতিকে এইটো নিষিদ্ধ কৰাৰ বাবে আমাৰ অসমৰ পৰাই প্ৰথম পদক্ষেপ লোৱা হওঁক। আজি মাদক দ্ৰব্য, চিগাৰেট, গুট্‌খা আদিয়ে আমাৰ সমাজৰ উঠি অহা ল'ৰা-ছোৱালীক ধ্বংস কৰিছে। সেয়েহে

মাননীয় মন্ত্রী মহোদয়ক মই অনুৰোধ জনাব বিচাৰিছো যে আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ মন্ত্রীসকলৰ লগত যোগযোগ কৰি গুট্‌খা নিষিদ্ধ কৰাৰ বাবে ব্যৱস্থা ল'ব লাগে।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, আমি যোৱাবাৰ এটা কথা কৈছিলো যে গুট্‌খা, চিগাৰেট নিষিদ্ধ কৰাৰ বাবে এই চৰকাৰে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিব। সেই কাৰণে আমি আজিও আশ্বাস দিছো যিখন আমাৰ Prohibition of advertisement and Regulation of Trade and Commerce, production, supply and Distribution Act, 2003 আছে সেইখন মতে চৰকাৰে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিব। দ্বিতীয়তে, গিৰীণ বৰুৱা ডাঙৰীয়াই যিটো কথা কৈছে তেওঁৰ এই কথাটোত মই একমত হ'ব পৰা নাই। কাৰণ ধৰমপাল বা সত্যপাল মই কাকো চিনি নাপাও আৰু মোৰ কাৰো লগত কাজিয়াও নাই। পাপ পাপেই। গতিকে নিষিদ্ধ কৰিলে অকল গুট্‌খা নিষিদ্ধ কৰিলেই নহ'ব। আমি ইকুৱেলি কৰিব লাগিব। মানুহৰ মানসিকতাৰ পৰিৱর্তনৰ লগে লগে আমি নিষিদ্ধকৰণৰ বাবে আগবাঢ়ি যাব লাগিব।

* **ডাঃ আদিত্য লাংথাচা ঃ** অধ্যক্ষ মহোদয়, চিগাৰেট, গুট্‌খা আদিতকৈ বিড়ি, চাধা ১০ গুণে বেছি বিষাক্ত।

অধ্যক্ষ মহোদয়, ইয়াৰোপৰি তামোল-পাণৰ লগত খোৱা চাধা আৰু চূণো বিষাক্ত। আমাৰ অসমত চিগাৰেট, বিড়ি, চাধা, তামোল-পাণ খোৱা মানুহ আটাইতকৈ বেছি। এই বস্তুবোৰ সেৱন কৰাৰ ফলত হার্টৰ অসুখ, কেন্সাৰ আদি মাৰাত্মক ৰোগ হয়। গতিকে এই

Speech not corrected

বিষয়টো চৰকাৰে অতি গুৰুত্ব সহকাৰে ল'ব লাগে। সামাজিক স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি এই দ্ৰব্যবোৰ নিয়ন্ত্ৰণ কৰাৰ বাবে ব্যৱস্থা ল'ব লাগে।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, টবাকো বুলি কওঁতে বিড়ি, চিগাৰেট সকলো সামৰি লোৱা হৈছে।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে মাদক দ্ৰব্য, গুট্‌খা, চিগাৰেট আদি নিষিদ্ধ কৰাৰ বাবে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ পূৰ্ব্বাঞ্চলৰ মন্ত্ৰীসকলৰ লগত আলোচনা কৰি এটা ব্যৱস্থা লোৱাৰ কথা কোৱা হৈছে। ইতিমধ্যে আমাৰ মাননীয় দুই এজন সদস্যই কৈছে যে বিশেষকৈ স্কুল, কলেজ ছাত্ৰ-ছাত্ৰীসকলে এই দ্ৰব্যবোৰ বিষাক্ত বুলি নাজানে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে ল'ৰা-ছোৱালীৰ মাজত সচেতনতা অনাৰ বাবে স্কুল, কলেজত এৰাৰনেচ প্ৰ'গ্ৰেম কৰিব লাগে। যদি ল'ৰা-ছোৱালীৰ মনত ইয়াৰ গুণাগুণ অবগত কৰিব পৰা নাযায় তেতিয়া এইটো নিষিদ্ধ কৰিলেও গোপনে বিক্ৰী হৈ থাকিব।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ উত্তৰ মই দিছোৱেই। এইবাৰ আমি কামৰূপ আৰু যোৰহাটত কৰিম। এই বিষয়ে মই শিক্ষা মন্ত্ৰী মহোদয়কো অনুৰোধ জনাম যাতে স্কুলৰ টেক্স বুকত ক্লাচ ফাইভৰ পৰা ধঁপাত সেৱনৰ অপকাৰিতাৰ বিষয়ে সন্নিবিষ্ট কৰা হয়। এই ক্ষেত্ৰত যদি মাননীয় সদস্যসকলৰ কিবা পৰামৰ্শ আছে তেন্তে আমি নিশ্চয় গুৰুত্বসহকাৰে ল'ম।

* **শ্ৰীমহিবুল হক ঃ** অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ গৌৰীপুৰত বিড়ি বনোৱা

কাৰখানাত বহুতো সৰু সৰু ল'ৰা-ছোৱালীয়ে কাম কৰি আছে। ইয়াৰ ফলত ল'ৰা-ছোৱালী বিভিন্ন বেমাৰত আক্রান্ত হৈছে। ধুবুৰীত বিড়ি, চিগাৰেট সেৱন কৰা মানুহ বেছি।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, ১৪ বছৰৰ তলৰ ল'ৰা-ছোৱালীয়ে কাৰখানাত কাম কৰিব নোৱাৰে। এই বিষয়ে নিশ্চয় আমাৰ শ্রম মন্ত্রীয়ে লক্ষ্য ৰাখিছে। ধুবুৰীত অকল বিড়ি, চিগাৰেটেই নহয় ধুবুৰী চহৰত বহুত বেয়া বেয়া কাফ চিৰাফ আদি বিক্রী হৈ আছে, যাৰ ফলত গোটেই ধুবুৰী চহৰৰ পৰিবেশ নিকৃষ্ট পর্য্যায়লৈ গৈছে। এই বিষয়ে আমি নিশ্চয় কিছু ব্যৱস্থা ল'ম।

Mr. Speaker : Starred Question No.63 Hon'ble Member, Md. Mohibul Haque.

বিষয় ঃ FRU লৈ উন্নীতকৰণ।

মোঃ মহিবুল হকে সুধিছে ঃ

*৬৩। **মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) গৌৰীপুৰ CHC ক FRU লৈ উন্নীতকৰণ কৰা হৈছে বুলি চৰকাৰে বিধান সভাত জানিবলৈ দিছিল যদিও এতিয়ালৈ কার্য্যকৰী নোহোৱাৰ কাৰণ কি?

(খ) কেতিয়া ইয়াক আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব?

(গ) ভাৰত বাংলাদেশ সীমান্তৰৰ্ত্তী "বেৰভাঙ্গি" ৰাজ্যিক চিকিৎসালয়ৰ

*Speech not corrected

বাবে দীর্ঘদিন দাবী কৰি অহা Ambulance Van ৰ ব্যৱস্থা কৰিবনে?

(ঘ) গৌৰীপুৰ সমষ্টিৰ অন্তর্গত ভাৰত- বাংলাদেশ সীমান্তৱর্ত্তী নালিয়াত ৩০ খন বিছনাযুক্ত চিকিৎসালয় স্থাপন কৰিবনে?

(ঙ) এই অঞ্চলৰ বাসিন্দাসকলক চিকিৎসা বিভাগে সামৰি লোৱাৰ কিবা পৰিকল্পনা আছে নে?

*** ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ**

(ক) গৌৰীপুৰ C.H.C. খন FRU তকৈ উন্নত ব্যৱস্থা থকা I.P.H.S.(Indian Public Health Standard) পর্যায়লৈ উন্নীতকৰণৰ বাবেহে প্রক্রিয়া চলি আছে।

(খ) উন্নীতকৰণ প্রক্রিয়া সম্পূর্ণ হ'লে কৰা হ'ব।

(গ) বেৰভাঙ্গি ৰাজ্যিক চিকিৎসালয়ৰ বাবে চলিত বিত্তীয় বর্ষতে (২০০৭-০৮) এখন AMBULANCE সোনকালে যোগান ধৰা হ'ব।

(ঘ) আৰু (ঙ) বর্তমান আঁচনি নাই। নলিয়া অঞ্চল বেৰভাঙ্গি ৰাজ্যিক চিকিৎসালয়ৰ আৰু পার্শ্বৱর্ত্তী এলেকাত অৱস্থিত। এই চিকিৎসালয়ৰ জৰিয়তে নলিয়া অঞ্চলৰ জনসাধাৰণকো সেৱা আগবঢ়োৱা হৈছে। তদুপৰি Mobile Medical Unitৰ দ্বাৰা এনে অঞ্চলত চিকিৎসা সেৱা আগবঢ়াব পৰা যাব।

*** শ্রীমহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গৌৰীপুৰ চি, এইচ, চি খন আই, পি, এইচ, এচ পর্য্যায়লৈ উন্নীত কৰিব বুলি কোৱাৰ কাৰণে মই মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। যোৱা বিধানসভাত

মন্ত্রী মহোদয়ে এইটো এবছৰৰ ভিতৰতে হ'ব বুলি কৈছিল। মই সুধিব খুজিছো এই ব্যৱস্থাৰ বাবে আৰু কিমান দিন লাগিব?

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনাত যিজন মানুহে কামটো কৰি আছে, সেইজন তেখেতৰ নিজৰ মানুহ। তেখেতেহে জানিব কামটো কেতিয়া শেষ কৰিব।

* **শ্রীমহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ক নালিয়াত ৩০ খন বিছনাযুক্ত হস্পিতাল বনোৱাৰ বাবে ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো। বেৰভাঙ্গি ষ্টেট ডিচপেনচাৰিখন ৩০ খন বিছনাযুক্ত হস্পিতাললৈ উন্নীত কৰিবলৈ মই অনুৰোধ জনালো।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত বৰ্তমান যিখিনি হস্পিতাল আছে সেইখিনি আমাৰ চৰকাৰে সজীৱ আৰু উন্নীতকৰণৰ বাবে প্রচেষ্টা চলাই আহিছে। এই প্রচেষ্টাত এটা পর্য্যায়ত আমাক এবছৰৰ প্রয়োজন আছে। তাৰ পৰৱর্ত্তী পর্য্যায়তহে ষ্টেট ডিচপেনচাৰী আদিৰ কথা চিন্তা কৰিব পাৰিম। মাননীয় বিধায়কজনৰ কথা মই নোট কৰি লৈছো। ৩০ খন বিছনাযুক্ত হস্পিতালৰ কথালৈ আহিলে তেতিয়া আমি চাব পাৰিম। এতিয়া আমি ধুবুৰী, ধেমাজী, গোৱালপাৰা আদিত মোবাইল মেডিকেল ইউনিট দিছো। যোৰহাটত এতিয়া আৰম্ভ হৈ গৈছে। ধুবুৰী চিভিল হস্পিতালখন নতুন ৰূপত গঢ় দিয়াৰ বাবে ১২ কোটি টকাৰ অনুমোদন দিয়া হৈছে। এই মাহতে মুখ্যমন্ত্রী মহোদয়ে আধাৰশিলা স্থাপন কৰিব। আৰু বেৰভাঙ্গিৰ বিষয়টো সেইটো আজিৰ ভিতৰত দিয়া হ'ব।

* **শ্রীমহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গৌৰীপুৰ হস্পিতালত

বৰ্তমান ডাক্তৰ কম। মই মন্ত্ৰী মহোদয়ক ডাক্তৰৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো।

* ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই টকা-পইচাৰ ঘোষণা কৰিব পাৰো। কিন্তু ডাক্তৰৰ কথা নোৱাৰো। আপোনাৰ কথা মই মনত ৰাখিছো। এইবাৰ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত প্ৰায় ৫০০শ মান ডাক্তৰে পৰীক্ষাত অৱতীৰ্ণ হৈছে তাৰে যদি ৩০০শ মানে জইন কৰে তেতিয়া আমি ব্যৱস্থা কৰিব পাৰিম।

Mr. Speaker : Now, Starred Question No. 64, Hon'ble Member, Shri Brindaban Goswami.

বিষয় ঃ বনাঞ্চলৰ পৰিমাণ।

শ্ৰীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

*৬৪। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত মুঠ বনাঞ্চলৰ পৰিমাণ কিমান?

(খ) বনাঞ্চলৰ কিমান ভূমি বে-দখল হৈছে?

(গ) বনাঞ্চলৰ সম্পদ আৰু বনৰীয়া জীৱ-জন্তুৰ সুৰক্ষাৰ বাবে তথা বনাঞ্চলৰ ভূমি বে-দখল মুক্ত কৰিবৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

---

*Speech not corrected

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) অসমৰ সর্ব্বমুঠ বনাঞ্চলৰ মাটিকালি- ২৬,৭৪৮ বর্গ কিঃ মিঃ।

(১) সংৰক্ষিত বনভূমি - ১৩,৮৭০ বর্গ কিঃ মিঃ।

(২) প্রস্তাৱিত সংৰক্ষিত বনভূমি - ৩,১০৩ বর্গ কিঃ মিঃ।

(৩) ৰাষ্ট্রীয় উদ্যানৰ অভয়াৰণ্য - ৩,৯২৫ বর্গ কিঃ মিঃ।

(৪) অশ্রেণীভূক্ত ৰাজ্যিক বনাঞ্চল - ৫,৮৫০ বর্গ কিঃ মিঃ।

(খ) অসমৰ সর্ব্বমুঠ বনাঞ্চলৰ প্রায় আনুমানিক ৩,৩০,০০০ হেক্টৰ ভূমিত বে-দখল চলি আছে।

(গ) অসম চৰকাৰৰ বন বিভাগে অসম বন অধিনিয়ম (Assam Forest Regulation)১৮৯১ৰ আধাৰত প্রস্তুত উচ্ছেদ নিয়মাৱলীৰ (Eviction Rules) অধীনত বনাঞ্চলৰ বে—দখল উচ্ছেদ কৰিবলৈ সময়ে সময়ে যথোচিত ব্যৱস্থা লৈ আছে। উপৰোক্ত অধিনিয়ম আৰু ইয়াৰ সংশোধনী আইন ১৯৯৫ আৰু বন্যপ্রাণী আইন ইং ১৯৭২ অনুসাৰে বনজ সম্পদ আৰু বন্যপ্রাণী ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা কৰা হৈছে।

* **শ্রীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে সদনত মোৰ প্রশ্ন কেইটাৰ উত্তৰ দিছে। কিন্তু যিধৰণে বিচাৰিছিলো তেনেকৈ দিয়া নাই। মোৰ তিনিটা প্রশ্ন আছিল। মই সুধিছিলো মুঠ বনাঞ্চল কিমান? ইয়াত যিবিলাক তথ্য দিছে তাত কোৱা হৈছে ৩ লাখ ৩০ হেজাৰ ভূমি বে-দখল হৈ আছে। এই বে-দখল সমস্যাৰ সমাধান কৰিবলৈ চৰকাৰৰ আন্তৰিকতা কিমান? তেখেতে কৈছে অসম চৰকাৰৰ বন বিভাগে বন নিয়মৰ অধীনত সময়ে সময়ে

যথোচিত ব্যৱস্থা লোৱা হৈছে। কিন্তু আমি দেখিছো চৰকাৰে যথোচিত ব্যৱস্থা গ্ৰহণ কৰা নাই। মই জানিবলৈ বিচাৰিছো অধ্যক্ষ মহোদয়, ৩ লাখ ৩০ হেজাৰ ভূমিত হোৱা বে-দখল সম্পৰ্কত চৰকাৰে কিবা অধ্যয়ন কৰিছে নেকি? কি ধৰণৰ মানুহে বে-দখল কৰিছে? অধ্যক্ষ মহোদয়, আমাৰ ৰাণীখাট অভয়াৰণ্যত বে-দখল চলি আছে। তাত কোনবিলাক মানুহে বে-দখল কৰিছে? ঠিক একেদৰে আন আন বনাঞ্চলতো বে-দখল হৈছে। কিন্তু আমাৰ যিবিলাক জনজাতি, চাহ বাগিচা অঞ্চলৰ ভূমিহীন লোকে তেওঁলোকৰ ভূমিৰ অভাৱ হোৱা বাবে এই বনাঞ্চলসমূহত বাস কৰিছে। তেওঁলোকৰ প্ৰতি চৰকাৰে কি ব্যৱস্থা লৈছে? এই আইনখনৰ যোগেদি বে-দখল উচ্ছেদ কৰিলে অৱশিষ্ট যিখিনি বনাঞ্চল আছে সেইখিনি ৰক্ষা হ'ব। গতিকে চৰকাৰে আমাৰ ভূমিহীন লোকসকলক তাৰ পৰা উচ্ছেদ কৰি বেলেগে সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে, চৰকাৰে যিবিলাক বনাঞ্চল সংৰক্ষণ কৰিছে তাৰ জনজাতীয় মানুহবিলাকক সেই বনাঞ্চলৰ কাষতে সংস্থাপন কৰি বনাঞ্চল ৰক্ষাৰ ব্যৱস্থা কৰিব নেকি? যিটো উত্তৰ প্ৰদেশত কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ বিশৃংখল মেনেজমেণ্টৰ কাৰণে এইটো হৈছে। ৮কেগ'ৰ ৰিপোৰ্টত এই কথা ওলাইছে। ১ কোটি ২০ লাখ টকা আমাৰ হানি হৈছে। সেইটো যাতে আগলৈ নহয়। সময়ে সময়ে বিচাৰ নকৰাৰ বাবে আমাৰ লষ্ট হৈছে। আমাৰ গুৱাহাটীৰ পৰা নগাঁৱলৈ যিটো ফ'ৰ লেন বনাই আছে তাত বহুতো মূল্যৱান গছ কটা গৈছে। কিমান গছ কটা হৈছে হিচাপ নাই। আজি এটা ৰুল কৰিবলৈ চৰকাৰে ব্যৱস্থা ল'ব

লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ তিনিটা প্ৰশ্নৰ আৰু এটা প্ৰশ্ন হৈছে আজি গড় হত্যালৈ হুলস্থুল হৈ আছে। কাগজে-পত্ৰে বাতৰি ওলাইছে। আজি বন বিভাগৰ বিশৃংখল মেনেজমেণ্টৰ কাৰণে এইবিলাক হৈছে। আজি বন বিভাগটো গোটেই তলৰ পৰা ওপৰলৈ বিশৃংখল। আজি উদক ভেটাৰখীয়া পতা হৈছে। এনে ধৰণৰ কথাবিলাক কাগজে-পত্ৰে ওলাইছে। মাননীয় অধ্যক্ষ মহোদয়, আজি এশিঙিয়া গড় আমাৰ অসমৰ এটা ঐতিহ্য। পুলিচৰ গানত থকা গুলি তাত পোৱা গৈছে। সেই কথা সঁচা নে মিছা আমি নাজানো। চৰকাৰৰ জিম্মাত থকা গুলি তাত পোৱা গৈছে। অসমৰ বাহিৰৰ সকলোৱে জানে যে কাজিৰঙাৰ গড়ৰ এটা সুকীয়া নাম আছে। চৰকাৰী পক্ষ আৰু চোৰাং ব্যৱসায়ীৰ মাজত যদি বুজা পৰা হৈছে তেনেহ'লে বেলেগ কথা। এইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। চৰকাৰে এই সম্পৰ্কত কিবা ব্যৱস্থা লৈছে নে নাই এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে মাননীয় বৃন্দাবন গোস্বামী ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতে যিবিলাক প্ৰশ্ন উত্থাপন কৰিছে, তাৰ কিছুমান উত্তৰ তেখেতে নিজে দিছে আৰু উত্তৰ দিয়াত আমাকো সহায় কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ৩ নং প্ৰশ্নৰ উত্তৰৰ পৰা আৰম্ভ কৰিব খুজিছো। 'সাঁচিকাঠ'ৰ কথাটোৰ পৰা আৰম্ভ কৰিব খুজিছো। উত্তৰ অলপ দীঘলীয়া হ'ব পাৰে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথাত ব্যৰ্থ হৈছো। আজি সদনৰ সহায় বিচাৰিছো। আমি কোনো

Speech not corrected

কোনো ক্ষেত্রত 'সাঁচিকাঠ'ৰ লগত জড়িত অবৈধভাৱে উদ্যোগ থকা কিছুমান ঘৰত মই জনা স্বত্ত্বেও তালাচী কৰাৰ সাহস গোটাব পৰা নাই। এই কথা মই আজি সদনত স্বীকাৰ কৰিছো।

(সদনত হুলস্থুল, বহুকেইজন মাননীয় সদস্যই একেলগে ক'বলৈ ধৰাত কাৰো কথা শুনা নাযায়।)। মাননীয় অধ্যক্ষ মহোদয়, মোক তেখেতসকলে ধন্যবাদ দিব লাগে। তেখেতসকলৰ প্রশ্নৰ উত্তৰ মই দিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই কালিও কৈছো, আজিও ক'ম গোসাঁই ঘৰত কোন, মই কল খোৱা নাই। এই কথাটো কাৰো গাত লাগিব নালাগে। মোৰ বিৰুদ্ধে ষড়যন্ত্র চলিছে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনালোকৰ সকলোৰে সহায় বিচাৰিছো।

* **শ্রীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ পইণ্ট অৱ অর্ডাৰ এটা আছে।

মাননীয় অধ্যক্ষ ঃ প্রশ্নোত্তৰ কালত পইণ্ট অৱ অর্ডাৰ নহয় গোস্বামী।

* **শ্রীৰকিবুল হুছেইন (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, 'সাঁচিকাঠ'বিলাক ট্রাক আৰু সৰু গাড়ীৰে নি 'নেচ্‌লে'ৰ বাকচত ভৰাই লৈ গৈছে।

* **শ্রীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৰহাটত বিষয়াই টকা খাই গাড়ী এৰি দিছে নেকি?

* **শ্রীৰকিবুল হুছেইন (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অবৈধভাৱে ট্রাক আমাৰ পাৰমিশ্যন নোলোৱাকৈ গৈছে। মাননীয় অধ্যক্ষ মহোদয়, 'অগৰ গছ'ৰ খৰি কাটি অবৈধভাৱে মানুহৰ ঘৰত ৰাখিছে আমি

ৰবিছো। আমি সুধিছো ক'ৰ পৰা আনিছে, তেওঁলোকৰ হাতত কিন্তু কোনো ৰেকৰ্ড নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি এটা উত্তৰ দিয়া। পুংখানুপুংখভাৱে সদনৰ মজিয়াত দাঙি ধৰিম।

* শ্রীশৰ্মা হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সাহেবৰে কথাখিনি কৈছে ঠিকে আছে। কিন্তু তেখেতক ধন্যবাদ দিয়া দিব লাগে। তেখেতে জানি পেলাই ধৰা নাই বুলি কৈছে।

মাননীয় অধ্যক্ষ ঃ আপোনালোকৰ সহায় বিচৰা বুলি কৈছে।

(সদনত হুলস্থুল, কাৰো কথা শুনা নাযায়)।

* শ্রীবিকবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি মই সকলোৰে সহায় বিচাৰিছো। সেই কাৰণে মই আজি বিষয়টো সদনত উত্থাপন কৰিছো।

* শ্রীমতী নীতা কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, বেয়া কাম কৰিলে এনেকুৱা নহ'ব লাগে।

* শ্রীবিকবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে মোক সহায় কৰক।

* শ্রীশৰ্মা হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, অবৈধ ব্যৱসায় কৰা বুলি জানিও আপোনালোকে ধৰা নাই। আপুনি ধৰক, আপুনি জানে, আপুনি গম পায়। (সদনত হুলস্থুল, কাৰো কথা শুনা নাযায়)।

* শ্রীবিকবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিৰোধী পক্ষৰ কথাখিনি আধৰে আধৰে পালন কৰিবলৈ সাজু আছো।

(একেলগে কেইবাজনো মাননীয় সদস্যই ক'বলৈ ঠিয় হোৱাত সদনত হুলস্থুল)

---

*Speech not corrected.

মাননীয় অধ্যক্ষ ঃ আপোনালোকে শুনি লওক।

* শ্রীবকিবুল হুছেইন (বনমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য বৃন্দাবন গোস্বামী ডাঙৰীয়াই আজি বহু বছৰ ধৰি যি বে-দখল হৈ আছে সেই কথাখিনি এটা যোগাত্মক চিন্তাধাৰাৰে কৈছে। আজিলৈকে মিয়ানমাৰৰ মাটি বে-দখল হৈছে সেই সম্পৰ্কে তেখেতসকলে জানে আৰু আমাক পৰামৰ্শও দিছে। আমি বিভিন্ন নিয়ম অনুযায়ী সেই বে-দখল কৰি থকা মানুহখিনিক উচ্ছেদ কৰো যদিও শিছত আকৌ সেই মানুহখিনি আহি তাত বহে। এই পদ্ধতি সলনি কৰি যিখিনি প্ৰকৃত ভাৰতীয় নাগৰিক সেইসকলক তাত কথাৰ বা বেলেগ মাটি দি সংস্থাপনৰ ব্যৱস্থা কৰিব পাৰি নেকি সেই বিষয়ে চিন্তা-চৰ্চা কৰা হৈছে। আপোনালোকে শুনি — পাৰে যে Scheduled Tribes and Other Forest — lers Act, 2006 অনুযায়ী ২৩/১২/২০০৫ চনলৈকে যি সকলো লোকে বে-দখল কৰি আছে সেই লোকসকলৰ ভিতৰত জনজাতীয় লোকসকলক — পত্ৰ দিয়া হৈছে তাত স্থায়ীভাবে — দিবলৈ দায়িত্ব দিছে। বাকী যিসকল লোকে বে- — আছে সেইসকলৰ কাৰণেও এই বিধান নতুন আইন — ত এটা পদ্ধতি কৰাৰ ব্যৱস্থা কৰিছে। আজি যিসকল বন কৰ্মীয়ে — নিশাই কাম কৰি ইমান দিনে বন আৰু বন্য প্ৰাণী ৰক্ষা কৰি আহিছে সেইসকলৰ ওপৰত দোষাৰোপ জাপি দিয়া হৈছে। আমাৰ এনেকুৱা নিষ্ঠাবান বন কৰ্মী আছে যি সকলে ন্যূনতম চাকৰীৰ সা-সুবিধাখিনিও পোৱা নাই আৰু তেওঁলোকৰ চাকৰিও নিয়মীয়াকৰণ হোৱা নাই। তথাপিও তেখেতসকলে বন

*Speech not corrected

বক্ষাৰ ক্ষেত্ৰত আত্ম নিয়োগ কৰি আছে। তেওঁলোকে তেওঁলোকৰ ঘৰলৈও যাব নোৱাৰে। সেই বন কৰ্ম্মীসকলৰ এজন হৈছে ধৰণীধৰ বড়ো। বহুতে তেখেতক পুৰস্কাৰ দিয়াৰ কথা কৈছে। কিন্তু দুখৰ কথা যে সেই গঁড় হত্যাৰ লগত ধৰণীধৰ বড়ো জড়িত থকা বুলি কোৱা হৈছে। সেই কাৰণে মই যেতিয়া তালৈ গৈছিলো বন কৰ্ম্মীসকল তাত নাথাকে বুলি কৈছে। ধৰণীধৰ বড়োৱে সেই কথাখিনিত দুখ পাই পাই কাজিৰঙাত নাথাকে বুলি কৈছে আৰু কাজিৰঙাৰ পৰা বদলি কৰি নিয়াৰ কাৰণে কৈছে। যদি বদলি নকৰে তেতিয়াহ'লে তেওঁ চাকৰি বাদ দিম বুলি কৈছে। তেওঁ কৈছে ইমান দিনে দিনে-নিশাই কাম কৰাৰ পিছত মই এই পুৰস্কাৰহে পালো। যিটো গুলি তাত পোৱা বুলি কৈছে সেই গুলি ডিমাপুৰ আদি বিভিন্ন ঠাইত আছে। বনকৰ্ম্মীসকলে তেওঁলোকৰ বন্দুক লৈ যোৱাৰ কথা কৈছে। তেওঁলোকে কৈছে তাত আমি কাম নকৰো। তেওঁলোকে কলাবেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হৈছে। গতিকে বিষয়টো ইমানখিনি পৰ্য্যন্ত পাইছে।

* **শ্ৰীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সময় বেছি লৈছে। মই বিচৰা মতে উত্তৰ দিয়া নাই।

* **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী)** ঃ মাননীয় সদস্য গৰাকীয়ে গুলিৰ কথা কৈছে। গতিকে মই সেইমতে উত্তৰ দিছো। বনাঞ্চল বে-দখল কৰি থকা মানুহখিনিৰ ক্ষেত্ৰত মই স্পেচিফিক উত্তৰ দিছো।

* **শ্ৰীবৃন্দাবন গোস্বামী** ঃ যিবিলাক বেয়া অফিচাৰ তেওঁলোকক ৰক্ষণা-বেক্ষণ দিয়া হৈছে। প্ৰদীপ দাসক ৰক্ষণা-বেক্ষণ দিয়া হৈছে। তেখেত

এতিয়া ৰিটায়াৰমেণ্টত গ'ল। বুঢ়া চাপৰী ধ্বংস কৰিলে।

* শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ প্রদীপ দাসৰ ক্ষেত্রত প্রশ্ন কৰিলে মই সেই মতে উত্তৰ দিলোহেঁতেন।

(সদনত একেলগে কেইবাজনো মাননীয় সদস্যই ক'বলৈ থিয় হোৱাত হুলস্থুল)।

* শ্রীবৃন্দাবন গোস্বামী ঃ আপোনালোকৰ ডিপার্টমেণ্টৰ মিচমেনেজমেণ্ট যে হৈছে তাৰ উত্তৰ পোৱা নাই।

* শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মিচ মেনেজমেণ্ট হোৱা নাই কাৰণে ২০০১ চনতকৈ ২০০৭-০৮ চনত বহুত বেছি ৰাজহ বৃদ্ধি পাইছে।

মাননীয় অধ্যক্ষ ঃ এতিয়া প্রশ্নোত্তৰ কাল সমাপ্ত হ'ল।

(Starred Question Nos.65 to 80 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

Sub : Poaching & Smuggling of Wild Animals.

Shri Mission Ranjan Das Asked :

65. Will the Minister of Environment & Forest be pleased to state :

(a) What were the reasons of rising instances of poaching and smuggling of wild animals like Rhino, Elephant, Buffaloes, Deers etc. from Kaziranga National Park, Pabitora and Manas and What are the steps taken by the Govt. to stop recurrence of such instances? (Give the year-wise total instances of poaching and smuggling of animals from above Parks for last 5 years)

(b) Since the allegation has appeared in print media and misgiving in the mind of people about the involvement of few persons of the department in above to dispel it whether the Government has constituted any enquiry or will constitute any enquiry into the matter? (please state it in details)

Shri Rockybul Hussain (Minister, Environment & Forests) replied :

(a) No Smuggling of wild animal is reported.

Compared to the earlier years, there is no rising of poaching cases of Rhino, Elephant, Buffalo, Deer etc. in Kaziranga, Pobitara and Manas Sanctuaries. However, the probable reasons of poaching of Rhino may be cited as

below :

(i) Reported high price fetched by Rhino-horn in the international black market.

(ii) Straying of Rhino to the peripheral areas of the sanctuaries or outside the area of the National Park.

Yearwise instancess of poaching during the period from 2003 to 2007 are indicated below:

Year	Name of the National Park					
	Kaziranga		Pobitara		Orang	
	Rhino	Other animals	Rhino	Other animals	Rhino	Other animals
2003	3	Nil	2	Nil	1	Nil
2004	4	do	1	do	Nil	do
2005	7	do	2	do	3	do
2006	5	do	1	do	3	do
2007	18	do	Nil	do	3	do

(b) Following steps have been taken to check recurrence :

(i) Anti-poaching camps have been set-up and patrolling has been intensified.

(ii) Information network has been strengthened.

(iii) Posts of frontline staff lying vacant for many years are filled up.

(iv) Armed Home Guard have been deployed.

(v) Local villagers have been sensitized.

(vi) New Forest camps on the peripheral areas are set-up.

(vii) Communication network is augmented are expanded.

(viii) Steps for purchase of modern arms are being taken to counter the poachers.

(c) The matter of the alleged involvement of the forest staff was investigated immediately, but the allegations are found to be baseless. Two committees have been constituted to investigate into all aspects of this matter to suggest remedial measures, if there's any.

বিষয় ঃ মৃত্যু হোৱা গঁড়ৰ সংখ্যা

শ্রীকেশৱ মহন্তই সুধিছে ঃ

*৬৬। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০০১ চনৰ পৰা বর্তমানলৈ চোৰাং চিকাৰীৰ হাতত মৃত্যু, স্বাভাৱিক মৃত্যু আৰু বেমাৰত মৃত্যু হোৱা গঁড়ৰ সংখ্যা কিমান? (সুকীয়াকৈ বিতং তথ্য দিব)

(খ) উক্ত সময়ৰ পৰা বর্তমানলৈ কিমানজন চোৰাং চিকাৰীক কৰায়ত্ব কৰি শাস্তি দিয়া হৈছে? (নাম, ঠিকনাসহ বিতং তথ্য দিব)

(গ) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ বাহিৰে অসমৰ কোন কোন অভয়াৰণ্যত গঁড়ৰ মৃত্যু হৈছে আৰু ইয়াৰ সংখ্যা কিমান?

(ঘ) কেন্দ্রীয় চৰকাৰে বিশ্ব ঐতিহ্যৰ স্থান কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে বছৰি কি কি শিতানত কিমান টকা অনুদান আগবঢ়াই আহিছে? (বছৰ ভিত্তিত টকাৰ পৰিমাণসহ বিতং তথ্য দিব)

(ঙ) এই অনুদান বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে নেকি? যদি কৰিছে, তাৰ তথ্য সদনৰ মেজত দাখিল কৰিব নে?

(চ) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ উন্নয়ন আৰু সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে ২০০১ চনৰ পৰা প্রতি বছৰে কিমান টকা ধার্য্য কৰি আহিছে? চৰকাৰী অনুদানৰ উপৰিও কোনো স্বেচ্ছাসেৱী সংগঠন আৰু অন্যান্য এজেন্সিৰ পৰা কিবা অনুদান পাইছে নেকি? যদি পাইছে,

বিতং তথ্য দিব নে?

(ছ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাৰ বাবে বন বিভাগৰ বিষয়াৰ পৰা বনকৰ্ম্মীলৈ কিমান কৰ্মচাৰীৰ প্ৰয়োজন আৰু বৰ্তমান কিমান কৰ্মচাৰীয়ে কাৰ্য্যনিৰ্বাহ কৰি আছে। (তুলনামূলক টোকা দাঙি ধৰিব)

(জ) চো�ৰাং চিকাৰীয়ে গঁড় হত্যা কৰি থকা বিষয়টো চৰকাৰে অনুসন্ধান বা প্ৰতিৰোধৰ ব্যৱস্থাৰ বাবে কিবা সমিতি বা আয়োগ গঠন কৰিছে নেকি? যদি কৰিছে, প্ৰতিবেদন আৰু চৰকাৰৰ এক্চন প্লেন সদনৰ মেজত দাখিল কৰিব নে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ২০০১-২০০৮ চনৰ ভিতৰত মৃত্যু হোৱা গঁড়ৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ

চোৰাং-চিকাৰীৰ হাতত নিধন হৈছে ৭২ টা, স্বাভাৱিক মৃত্যু ঘটিছে ৫৩ টাৰ, বেমাৰ-আজাৰত মৃত গঁড়ৰ সংখ্যা-শূন্য।

সহপত্ৰ 'ক'ত বিতং তথ্য সন্নিৱিষ্ট কৰি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-I)

(খ) মুঠ ১৪৩ (এশ তিয়াল্লিছ)জন চোৰাং চিকাৰীক কৰায়ত্ব কৰা হৈছে আৰু প্ৰচলিত আইন অনুসৰি এওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱাৰ বাবে সংশ্লিষ্ট আৰক্ষী চকী আৰু আদালতত গোচৰ ৰুজু কৰা হৈছে (বিতং তথ্য সদনৰ মেজত সহপত্ৰ খ হিচাপে দাখিল কৰা হৈছে)। (See Annexure-II)

(গ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাহিৰে পবিতৰা আৰু ওৰাং অভয়াৰণ্যতো

গঁড়ৰ মৃত্যু ঘটিছে (বিতং তথ্য সদনৰ মেজত দাখিল কৰা সহপত্ৰ 'ক'ত সানুগ্ৰহে দ্ৰষ্টব্য)।

(ঘ) ২০০১-২০০২ বৰ্ষৰ পৰা ২০০৭-২০০৮ বৰ্ষলৈ পোৱা অনুদান সদনৰ মেজত দাখিল কৰা গ ১, গ ২ সহপত্ৰত উপস্থাপন কৰা হৈছে। (See Annexure-III) ২০০৬-২০০৭ বছৰটোত এ-চি-এ শিতানত ৫ (পাঁচ) কোটি টকাৰ অনুদানো পোৱা হৈছে।

(ঙ) ৰাজ্য চৰকাৰে অনুদান বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ইয়াৰ ব্যঘ্ৰ-প্ৰকল্পৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা পত্ৰ সদনৰ মজিয়াত ঘ ১ আৰু ঘ ২ সহপত্ৰত সন্নিৱিষ্ট কৰি দাখিল কৰা হৈছে। (See Annexure-IV)

(চ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ উন্নয়ন আৰু সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে ধাৰ্য্য কৰা ধনৰ পৰিমাণ সহপত্ৰ 'ঙ' আৰু স্বেচ্ছাসেৱী তথা অন্যান্য এজেন্সি আদিৰ পৰা পোৱা সাহায্যৰ তথ্য সহপত্ৰ 'চ'ত সন্নিৱিষ্ট কৰি সদনৰ মজিয়াত দাখিল কৰা হৈছে। (See Annexure-V)

(ছ) সাম্প্ৰতিকভাৱে ৮৬০ বৰ্গ কিল'মিটাৰ আয়তনবিশিষ্ট আৰু প্ৰস্তাৱিত ৩৪০ বৰ্গ কিঃ মিঃ আয়তনৰ কাজিৰঙা অভয়াৰণ্যৰ সুৰক্ষাৰ বাবে প্ৰায় ২০০০ (দুহেজাৰ) গৰাকী বিষয়া-কৰ্মচাৰীৰ প্ৰয়োজন।

বৰ্তমানে কাৰ্যনিৰ্বাহ কৰি থকা বিষয়া-কৰ্মচাৰীৰ তালিকা সহপত্ৰ 'ছ'ত সন্নিৱিষ্ট কৰি সদনৰ মেজত দাখিল কৰা হৈছে। (See Annexure-VI)

(জ) চোৰাং চিকাৰীৰ দ্বাৰা গঁড় নিধনৰ বিষয়টো সম্বন্ধে অনুসন্ধান কৰিবলৈ চৰকাৰে ১২ গৰাকী বিশেষভাৱে গঠিত এখন কমিটিক দায়িত্ব অর্পণ কৰিছে আৰু এই কমিটিয়ে দাখিল কৰা প্রতিবেদনৰ ভিত্তিত চৰকাৰে বিহিত ব্যৱস্থা গ্রহণ কৰিব। প্রতিবেদনৰ প্রতিলিপি 'জ' পৰিশিষ্টত সন্নিৱিষ্ট কৰি সদনৰ মেজত উপস্থাপন কৰা হৈছে। (See Annexure-VII)

কার্য্যব্যৱস্থা গ্রহণৰ পৰিকল্পনাভুক্ত আঁচনি সম্প্রতি প্রস্তুত কৰি থকা হৈছে।

বিষয় ঃ এশিঙীয়া গঁড় হত্যা।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

***৬৭। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ**

(ক) ২০০৬ চনত চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে কিমানটা পৃথিৱী বিখ্যাত এশিঙীয়া গঁড় নিধন বা হত্যা হ'ল?

(খ) উক্ত এশিঙীয়া গঁড় হত্যাৰ লগত জড়িত চোৰাং চিকাৰী বা ব্যক্তিসকলক গ্রেপ্তাৰ কৰা হ'ল নে? আদালতে তেনে অভিযোগত অভিযুক্ত কিমানজন ব্যক্তিক বা চোৰাং চিকাৰীক দোষী সাব্যস্ত কৰিলে?

(গ) উক্ত জঘন্য কার্য্যৰ লগত বন বিভাগৰ বিষয়া-কর্মচাৰী গোপনে জড়িত থকা কথাটো সঁচা নে? যদি সঁচা, তেনেহ'লে তেনে বিষয়া-কর্মচাৰীৰ ওপৰত কি শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিছে?

(ঘ) সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাত কিমানটা অবৈধ কাঠ ফলা মিল আছে? অনুজ্ঞাবিহীনভাৱে চলাই থকা কাঠ মিল কেইটাৰ ওপৰত চৰকাৰে ব্যৱস্থা নোলোৱাৰ কাৰণ কি?

(ঙ) গঁড় বা অন্য জন্তু যাতে ভৱিষ্যতে নিধন কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীৰকিবুল হুচেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ২০০৬ চনত চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে মুঠ ৩২টা গঁড়ৰ নিধন হৈছে।

(খ) উক্ত গঁড় হত্যাৰ লগত জড়িত ১০১জন চোৰাং চিকাৰীৰ গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোকৰ বিৰুদ্ধে আৰক্ষী চকীত গোচৰ ৰুজু কৰা হৈছে আৰু বৰ্তমানে আদালতত এই গোচৰসমূহ বিচাৰাধীন হৈ আছে।

(গ) অভিযোগ সত্য নহয়। এতেকে ব্যৱস্থা গ্ৰহণৰ প্ৰশ্ন নুঠে।

(ঘ) অসমৰ সমূহ প্ৰাদেশিক বনসংমণ্ডলসমূহৰ লগত নগাঁও বনসংমণ্ডল এলেকাৰ অধীনত বৰ্তমান কোনো ধৰণৰ অবৈধ কাঠফলা মিল থকা তথ্য চৰকাৰৰ হাতত নাই। অনুজ্ঞাপত্ৰ নথকা কাঠ ফলা কলসমূহৰ উৎখাতৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰি আছে।

(ঙ) গঁড় আৰু অন্য জন্তুৰ হত্যা বন্ধ কৰা বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ তলত দিয়া হ'ল ঃ

(১) কটকটীয়া পহৰা তথা টহলদাৰী ব্যৱস্থা।

(২) অত্যাধুনিক বেঁতাৰ যন্ত্ৰৰ দ্বাৰা দ্ৰুত যোগাযোগ ব্যৱস্থা।

(৩) উদ্যানৰ দাঁতি কাষৰীয়া ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ ব্যৱস্থা।

(৪) চোৰাং চিকাৰীৰ প্ৰতিৰোধ শিবিৰ (বন শিবিৰ), পহৰা পথ ইত্যাদিৰ ব্যৱস্থা তথা উন্নীতকৰণ।

(৫) তৎকালীনভাৱে ১০০জন সশস্ত্ৰ গৃহৰক্ষী মোতায়ন কৰা হৈছে।

(৬) গুপ্তচৰ নিয়োগ।

(৭) ১০০টা খালী ৩০৩ ৰাইফল কাজিৰঙাৰ সুৰক্ষাৰ বাবে সম্প্ৰতি ব্যৱহাৰ কৰা হৈছে।

(৮) ৫০টা খালী হৈ থকা পদত বনকৰ্ম্মী নিযুক্তি দিয়া হৈছে আৰু বাকী থকা ঘাচী আৰু মাউতৰ খালী পদখিনি শীঘ্ৰে পূৰণ কৰাৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

(৯) ৰাষ্ট্ৰীয় ঘাই পথৰ কাষেদি নতুনকৈ ফৰেষ্ট কেম্প বনোৱাৰ কাম হাতত লোৱা হৈছে।

(১০) ১২ জনীয়া বিশেষজ্ঞ কমিটি বনাই দিয়া হৈছে আৰু তেওঁলোকে কাজিৰঙাত চৰজমিন তদন্ত কৰি সকলো দিশ চালিজাৰি চাই প্ৰতিবেদন দাখিল কৰিছে। তেওঁলোকৰ প্ৰতিবেদনখনৰ পৰামৰ্শৰ ভিত্তিত বিহীত ব্যৱস্থা লোৱাৰ বাবে চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰি আছে।

(১১) ইতিমধ্যে অতিৰিক্তভাৱে এগৰাকী মুখ্য বন সংৰক্ষক, এজন উপ-বন-সংৰক্ষক আৰু চাৰিজন বনাঞ্চলিক বিষয়াক কাজিৰঙাত বাহৰ পাতি কাজিৰঙা অভয়াৰণ্যৰ বিষয়া-কৰ্মচাৰীসকলক সহায়-সহযোগ কৰাৰ বাবে আদেশ দিয়া হৈছে আৰু তেওঁলোকে সেইমৰ্মে কাম কৰি আছে।

ওপৰোক্ত ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ ফলস্বৰূপে যোৱা কেইদিনত

১২জন চোৰাং চিকাৰীক কৰায়ত্ব কৰিব পৰা গৈছে। ইয়াৰোপৰি উদ্যানৰ দাঁতিকাষৰীয়া গাঁও, চাহ-বাগান, হোটেল আৰু ধাবা বিলাকৰ কর্তৃপক্ষৰ লগত মেল-মিটিং পাতি তেওঁলোকৰ সহযোগ বিচৰা হৈছে।

(১২) ইতিমধ্যে অসম চৰকাৰে এক অধিসূচনাৰ জৰিয়তে সংসদীয় কমিটি বিভাগৰ প্রধান সচিবক লৈ এজনীয়া কমিটি গঠন কৰি দিছে আৰু এই কমিটিয়ে কাজিৰঙা ৰাষ্ট্রীয় উদ্যানত বর্দ্ধিত হাৰত গঁড়ৰ চোৰাং চিকাৰ হোৱাৰ কাৰণসমূহ উদ্‌ঘাটন আৰু তাৰ প্রতিৰোধৰ ব্যৱস্থা আৰু পৰামর্শ এমাহৰ ভিতৰত আগবঢ়াব।

বিষয় ঃ Refferal Hospital লৈ উন্নীতকৰণ।

ডাঃ তাৰা প্রসাদ দাসে সুধিছে ঃ

*** ৬৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমত বর্তমানলৈকে কিমানখন Community Health Centre (CHC) Refferal Hospital কিমানখন লৈ উন্নীতকৰণ কৰা হ'ল?

(খ) বৰপেটা জিলাৰ সৰুক্ষেত্রী সমষ্টিৰ অন্তর্গত গ্রাম্য চিকিৎসালয়খন (CHC) Refferal Hospital লৈ উন্নীতকৰণ কৰা হৈছে নে?

(গ) যদি হোৱা নাই, কেতিয়ালৈকে কৰা হ'ব?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) ২৬ খন।

(খ) সৰুক্ষেত্রী CHC খন ইতিমধ্যে IPHS পর্য্যায়লৈ উন্নীতকৰণৰ কাম চলি আছে। FRU কৰিবলৈ উপযুক্ত Anaesthesist ৰ অভাৱ আছে।

(গ) প্রশ্ন নুঠে।

Subject : Use of Polybags.

Capt. Robin Bordoloi Asked :

* **69. Will the Minister of Guwahati Development Department be pleased to state :**

(a) Is the Government aware of the fact that the Polybags are creating havoc in the Guwahati City as they are one of the major reasons for Artificial Flood in Guwahati ?

(b) If so, what measures have been taken regarding use of Poly Bags ?

(c) Whether the Development of the City will be improved by holding the election of Guwahati Municipal Corporation ?

(d) Is the Guwahati Development Department ready

to hold the Guwahati Municipal Corporation election in 2008 under the new law?

Dr. Himanta Bishwa Sarma (Minister, Guwahati Development Department) replied :

(a) Yes, it is a fact that the Plastic bags have caused obstruction in free flow of river and a rain water in the Guwahati city and thereby creates the Artificial Flood for Guwahati.

(b) The Government of Assam enacted legislation for banning of use of Plastic bag under the name and style "The Guwahati Non-Bio-degradable Garbage (Control and Prevention) Act, 2006". Under the provision of that use of plastic bag thickness of 20 micron and size 8 ×12 inches has been banned.

Government has delegated powers to Deputy Commissioner, Kamrup (Metro), Deputy Commissioner, Kamrup, Commissioner, Guwahati Municipal Corporation and Chief Executive officer, Guwahati Metropolitan Developement Authority to exercise powers under Section-3, 9 & 10 of the said Act.

Government has created 5 Zones of Guwahsti Municipal Corporation area and constituted 5 teams headed by an Executive Magistrate for each Zone to strictly to enforce the use of Non-Biodegradable substances vide Notification No. GLD. 96/2000/Pt/46, Dated 22-6-2007 for Guwahati City.

The Guwahati Municipal Corporation has collected Rs. 5,72,000.00 (Rupees five lakhs seventy two thousand) as fine from the persons for violation the provisions of the said Act.

Guwahati Metropolitan Development Authority has seized 13.7 Kg. of Plastic bag from different parts of the Guwahati Metropolitan Development Authority area, outside the Guwahati Municipal Corporation area.

The District magistrate, Kamrup (Metro) carried out regular raids to impose the ban on the Plastic.

Plastic Prohibitory order and appeal to the Public were published in the Newspapers namely " The Assam Tribune", "The Tele-

graph", "The Asamia Khabar" both in English and Assamese language.

(c) It is not possible to develope a city only by holding election. There are so many other steps to take for developing City.

(d) It is premature to answer this Question as the present council is discharging their duty.

বিষয় ঃ পর্য্যটন উন্নয়ন আৰু বিকাশ।

শ্রীহিৰেন দাসে সুধিছে ঃ

*৭০। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ পর্য্যটন বিকাশৰ বাবে কি কি আঁচনি আৰু নীতি চৰকাৰে গ্রহণ কৰিছে?

(খ) অসমত এতিয়ালৈকে বিভাগৰ অন্তর্গত কেইটা পর্য্যটন স্থল বা অঞ্চল আছে আৰু এইবোৰ ক'ত ক'ত অৱস্থিত?

(গ) ২০০৬ চনৰ পৰা এতিয়ালৈকে অসম চৰকাৰে পর্য্যটন উন্নয়নৰ আৰু বিকাশৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা কিমান পুঁজি আৰণ্টন পালে? এই পুঁজিৰে কি কি প্রকল্প বা আঁচনি ক'ত ক'ত কি কাম কৰিলে? (সবিশেষ তথ্য জনাব)

(ঘ) মাননীয় মুখ্যমন্ত্রীৰ আত্ম-সহায়ক পর্য্যটন আঁচনি (Chief Minister's Self-Help Tourism Scheme) নামেৰে

কোনো আঁচনি ৰূপায়ণ হৈ আছে নেকি? যদি আছে, সবিশেষ জনাবনে?

(ঙ) অসম পর্য্যটন উন্নয়ন নিগমৰ জৰিয়তে (ATDC) ব্যক্তিগত খণ্ডত পর্য্যটন স্থলী নির্মাণ, হোটেল নির্মাণ, পর্য্যটন নিবাস স্থাপন কৰাৰ বাবে অনুদান বা ঋণ দিয়াৰ ব্যৱস্থা আছে নেকি? যদি আছে, ব্যৱস্থাবোৰ কি কি?

শ্রীৰকিবুল হুছেইন (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ পর্য্যটন বিকাশৰ বাবে চৰকাৰে প্রত্যেক বছৰে State Plan আৰু Central Financial Assistance আঁচনিৰ অধীনত ধার্য্য কৰা ধনৰ বিপৰীতে পর্য্যটন বিকাশৰ বাবে বিভিন্ন আঁচনি গ্রহণ কৰি আহিছে। এই আঁচনিসমূহ প্রধানকৈ Eco-Tourism, Religious Tourism, River Tourism, Rural Tourism, Heritage Tourism আদিৰ ভিত্তিত। চৰকাৰী নীতি সম্পর্কে ইতিমধ্যে এখন খচৰা প্রস্তুত কৰি যাৱতীয় অনুমোদনৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

(খ) এতিয়ালৈকে প্রধান পর্য্যটন স্থলীসমূহ হৈছে শিৱসাগৰ, মাজুলী, কাজিৰঙা, ভালুকপুং (নামেৰি), তেজপুৰ, গুৱাহাটী, হাজো, মানস আদিয়েই প্রধান। ইয়াৰ উপৰিও আৰু কিছুমান নতুন ঠাই পর্য্যটন স্থলী হিচাপে গঢ়ি তুলিবলৈ লোৱা হৈছে। আঁচনিৰ 'তালিকা-খ' দিয়া হ'ল। (See Annexure-VIII)

(গ) ২০০৬-০৭ বর্ষৰ পৰা পর্য্যটন উন্নয়নৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা আৱণ্টন পোৱা পুঁজি আৰু প্রকল্পসমূহৰ নাম আৰু কামৰ অগ্রগতিৰ তালিকা সংলগ্ন কৰা হ'ল। ANNEXURE-A

(See Annexure-IX)

(ঘ) Chief Minister's Self-Help Tourism Scheme নামৰ এখনি আঁচনিৰ কাম চলি আছে। এই আঁচনিৰ যোগেদি শিক্ষিত নিবনুৱা আত্ম সহায়ক গোটক পর্য্যটনমুখী আঁচনি গ্রহণ কৰি স্বনিয়োজিত হ'বৰ কাৰণে বিত্তীয় সহায় কৰা হয়। বেংকৰ পৰা ঋণ (৭০%) চৰকাৰী অনুদান (২০%) আৰু Self contribution গোটৰ ফালৰ পৰা (১০%) পুঁজিৰে আঁচনিৰ ধন যুগুতোৱা হয়। এই আঁচনিৰ অধীনত বিভিন্ন ধৰণৰ আঁচনি যেনে- Restaurant আৰু Dhaba, Tourist Transport, Cruise Vessel আদি যিকোনো পর্য্যটন সম্পকীয় আঁচনি ল'ব পৰা যায়। এই আঁচনিৰ একোটা Project cost ১৫,০০,০০০.০০ টকাৰ উৰ্দ্ধত হ'ব নোৱাৰিব।

(ঙ) অসম পর্য্যটন উন্নয়ন নিগমৰ জৰিয়তে ব্যক্তিগত খণ্ডক পর্য্যটন সম্বন্ধীয় প্রকল্প স্থাপন কৰিবলৈ ঋণ বা অনুদান দিয়াৰ ব্যৱস্থা ওপৰত 'ঘ' প্রশ্নৰ বিপৰীতে দিয়া হৈছে। বর্তমানলৈকে উপৰোক্ত ব্যৱস্থাৰ বাদে অন্য ব্যৱস্থা নাই।

বিষয় ঃ চোৰাংচিকাৰীৰ দ্বাৰা গঁড় হত্যা ।

ডাঃ আদিত্য লাংথাছাই সুধিছে ঃ

*৭১। মাননীয় বন ও পৰিবেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি

জনাবনে ঃ

(ক) যোৱা পাঁচ বছৰত অসমৰ বিভিন্ন বনাঞ্চলত কিমানটা গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰিলে?

(খ) উক্ত বনাঞ্চলবিলাকৰ নাম আৰু যোৱা পাঁচ বছৰৰ গঁড় হত্যাৰ বছৰেকীয়া হিচাপ সদনৰ মেজত দাখিল কৰিবনে?

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) যোৱা পাঁচ বছৰত অসমৰ বিভিন্ন বনাঞ্চলত মুঠ ৫৩টা গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰিছে।

(খ) বনাঞ্চলবোৰৰ নাম আৰু গঁড় হত্যাৰ বছৰেকীয়া তথ্যগত হিচাপ তলত উল্লেখ কৰা হ'ল।

অভয়াৰণ্যৰ নাম	২০০৩	২০০৪	২০০৫	২০০৬	২০০৭
কাজিৰঙা	এটা	৪টা	৭টা	৫টা	১৮টা
ওৰাং	এটা	-	৩টা	৩টা	৩টা
পৰিতৰা	২টা	এটা	২টা	১টা	-

Sub : Protection of Rhinos.

Dr. Alaka Sarma Asked :

* 72. **Will the Minister of Forest & Environment be pleased to state :**

(a) Whether the Govt. is aware about the fact that poachers are very active leading to the death

of many one horned Rhinos in Assam?

(b) If so, what steps have so far been taken by the Govt. for protection of Rhinos?

(c) Whether steps taken so far are enough for protection of the endangered species?

(d) Has any effort been made to involve NGOs devoted to wild life protection in planning & executing the strategy for protection of Rhinos?

Shri Rockybul Hussain (Minister, Environment & Forests) replied :

(a) Yes, Govt. is aware of the fact that poachers are active.

(b)1.The Staff strength has been augumented by filling up of the vacant posts of frontline Staff of the protected areas.

2. Patrolling has been intensified.

3. Local villagers are being sensitized by organizing awareness campaigns.

4. Existing Camps has been strengthened and also steps are being taken to construct new camps in the peripheral areas.

5. Communication facilities have been augmented.

6. Steps are being taken to purchase new arms.

In addition to the above, the following action has been taken to protect the Rhinos in Kaziranga National Park.

(a) 100 nos. of Armed Home Guard have been deployed.

(b) Govt. have constituted a 12 member expert committee to suggest measures to be adopted for protection and all round development of the National Park. The said expert committee has already submitted their report and the Govt. is seriously considering to take action on their suggestion.

(c) Nos. of pro-active action have been taken in order to get co-operation from the neighbouring villagers, Tea gardens, Hoteliers, Resorts, Dhabewallas and that has been found to be effective.

(d) Also Govt. of Assam vide notification No. FRM. 18/2003/62 dated 1-2-08 constituted a one man committee headed by the Principal

Secretary, Parliamentary Affairs Department to enquire into the reasons for rise in the incident of poaching in Kaziranga National Park and to make immediate recommendations for prevention of such incident in future and for effective protection of the Park.

(c) The steps taken so far has been found to be effective, however due to the increasing area of the Kaziranga National Park, more Staff and other facilities are required for taking more effective measures. Already 12 (twelve) nos. of poachers have been arrested within a month.

(d) Yes, N.G.O.'s like WWF, Aaranyak, W.T.I. etc. are involved.

বিষয় ঃ উপস্বাস্থ্য কেন্দ্রৰ মেৰামতি।

হাফিজ বছিৰ আহমেদে সুধিছে ঃ

* ৭৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দ্বাদশ বিত্তীয় আয়োগৰ অনুদানেৰে বিলাসীপাৰা পশ্চিম সমষ্টিত

১০টা উপস্বাস্থ্য কেন্দ্রৰ NRHMৰ অধীনত গৃহ মেৰামতিৰ/নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছেনে?

(খ) যদি আৰম্ভ কৰা হৈছে তেন্তে উক্ত কাম কেতিয়া সম্পূৰ্ণ হ'ব আৰু উক্ত কামৰ বাবে প্ৰতিটো উপ-স্বাস্থ্য কেন্দ্ৰত কিমানকৈ টকা মঞ্জুৰ কৰা হৈছে? (উপ-স্বাস্থ্য কেন্দ্ৰসমূহৰ নামৰ লগতে টকাৰ পৰিমাণ উল্লেখ কৰিব আৰু প্ৰতিটো উপ-স্বাস্থ্য কেন্দ্ৰৰ Plan & Estimate ৰ Copy সদনৰ মেজত দাখিল কৰিব)।

(গ) উক্ত উপ-স্বাস্থ্য কেন্দ্ৰৰ কামৰ বাবে ঠিকাদাৰক কিমান টকা আদায় দিয়া হৈছে? (উপ-স্বাস্থ্য কেন্দ্ৰ ভিত্তিত বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(ঘ) বিলাসীপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত ধেমধেমা, কদমতলা, জলাবিলা, শিলবাৰী আদি উপ-স্বাস্থ্য কেন্দ্ৰৰ গৃহৰ দুৰৱস্থাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঙ) যদি জ্ঞাত তেন্তে উক্ত উপ-স্বাস্থ্য কেন্দ্ৰবোৰৰ গৃহ কেতিয়া NRHMৰ অধীনত মেৰামতি/নিৰ্মাণ কৰা হ'ব?

(চ) বিলাসীপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত নায়েৰ আলগাত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহোদয়ে এখন ৩০খন বিছনাযুক্ত হস্পিতাল নিৰ্মাণৰ কথা ঘোষণা কৰিছিল চৰকাৰে জানেনে, যদি জানে উক্ত ৩০খন বিছনাযুক্ত হস্পিতালৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব বা মঞ্জুৰী দিয়া হ'ব?

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) দ্বাদশ বিত্তীয় আয়োগৰ অনুদানেৰে NRHMৰ অধীনত কাম কৰা নহয়। দ্বাদশ বিত্তীয় আয়োগৰ পুঁজিৰে গঁড়কাপ্তানী বিভাগৰ জৰিয়তে নির্মাণজনিত কাম আৰু পুঁজিৰে NRHMৰ পুঁজিৰে জিলা স্বাস্থ্য সমিতিৰ জৰিয়তে স্বাস্থ্য অনুষ্ঠান স্বাস্থ্য উপকেন্দ্ৰ মেৰামতি আৰু অন্যান্য কাম কৰা হ'ব।

(খ) দ্বাদশ বিত্তীয় আয়োগৰ পুঁজিৰে ১০ (দহ) টা স্বাস্থ্য উপ-কেন্দ্ৰৰ কাম আৰম্ভ কৰি হৈছে। এইবোৰৰ নাম আৰু কামৰ খতিয়ান তলত উল্লেখ কৰা হ'ল।

স্বাস্থ্য কেন্দ্ৰৰ নাম	কামৰ খতিয়ান
মুবাবাৰী	৫০%
কাজলকাটা	৫০%
বড়ো গিৰাই পাৰ যোগীৰ মহল	৫০%
মায়াচৰ	৫০%
পিয়াজবাৰী	৬৫%
আন্দাবাৰী	৪০%
গোবৰ্দ্ধনাপাৰা	৪০%
চাচাগুৰি	৬৭%

তামাকবাৰী (বাবাউতাৰী লৈ স্থানান্তৰিত কৰা হৈছে)— কাম আৰম্ভ কৰা নাই।

ভেলকোবা	৪০%

উক্ত কামৰ বাবে প্ৰশাসনীয় অনুমোদিত ধনৰ পৰিমাণ ৭.৯৭ লাখ প্ৰতিটো স্বাস্থ্য কেন্দ্ৰৰ বাবে। Plan and Estimateৰ প্ৰতিলিপি

সদনৰ মেজত দিয়া হৈছে।)

ইয়াৰোপৰিও ৭খন উপ-স্বাস্থ্য কেন্দ্ৰৰ মেৰামতি কামৰ বাবে লোৱা হৈছে। এই কাম ব্লক পৰ্য্যায়ৰ নিৰ্মাণ কমিটিৰ জৰিয়তে ৰূপায়ণ কৰা হৈছে।

কুচিৰচৰ— ১.০০ লাখ

শিলবাৰী— ১.০০ লাখ

ছোটোগিৰাটুপাৰ—১.০০ লাখ

বড়োগিৰাইপাৰ যোগাৰ মহল— ১.৩০ লাখ

সফাটগ্ৰাম— ৫.০০ লাখ + ৫০,০০০।

ৰাবনটাৰী— ১.০০ লাখ

পৰিচালনা সমিতিৰ যোগেৰে কৰা কামৰ স্বাস্থ্য উপ-কেন্দ্ৰ Plan Estimate বিভাগত নাথাকে।

(গ) দ্বাদশ বিত্তীয় আয়োগৰ অধীনত ওপৰত উল্লেখ কৰা স্বাস্থ্য উপ-কেন্দ্ৰসমূহৰ কামৰ বাবে কোনো ঠিকাদাৰক টকা আদায় দিয়া হোৱা নাই।

(ঘ) জ্ঞাত।

(ঙ) পৰ্য্যায়ক্ৰমে ব্যৱস্থা ল'ব পৰা যাব।

(চ) এই সম্বন্ধে বিভাগত কোনো তথ্য নাই। নতুনকৈ ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয় নিৰ্মাণৰ বাবে আঁচনি বৰ্তমান নাই।

বিষয় ঃ ৰাষ্ট্ৰীয় উদ্যানৰ পৰিসীমা।

শ্ৰীনুৰুল হুচেইনে সুধিছে ঃ

*৭৪। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিসীমা (এলেকা) পূৰ্বতে আৰু বৰ্তমান কিমান? উদ্যানখনৰ এলেকা বৃদ্ধি পাইছে নেকি?

(খ) উদ্যানখনৰ নিৰাপত্তাৰ বাবে কিমান কৰ্মচাৰী, বিষয়া আদি আছে? যোৱা ছয় বছৰত কেতিয়া কিমান সংখ্যক বিষয়া কৰ্মচাৰী নিযুক্তি দিয়া হৈছে? (তথ্যসহ জনাব)

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পূৰ্বৰ এলেকা ৪৩০ বৰ্গ কিঃ মিঃ আৰু ইয়াৰ পৰিসীমা ১২৬.২৫ কিঃ মিঃ আছিল আৰু বৰ্তমান এই এলেকা বৃদ্ধি হৈ ই ৮৫৮.৯৮ কিঃ মিঃ হৈছে আৰু ইয়াৰ বৰ্তমান পৰিসীমা ২৩৩.৫২ কিঃ মিঃ।

হয়। উদ্যানখনৰ এলেকাৰ বৃদ্ধি ঘটিছে।

(খ) উদ্যানখনৰ নিৰাপত্তাৰ বাবে মুঠ ৫৬৩জন বিষয়া কৰ্মচাৰী আছে। যোৱা ছয় বছৰৰ ভিতৰত বিগত ইং ২৪-০১-২০০৭ তাৰিখে বনৰক্ষী ৩৩জন গৃহৰক্ষী ১৮জন আৰু অসম বন সুৰক্ষাকৰ্মী ৮জনক নিযুক্তি দিয়া হৈছে।

বিষয় ঃ গঁড়, বাঘ, হাতীৰ সংখ্যা।

শ্ৰীবঞ্জিত দত্তই সুধিছে ঃ

* ৭৫। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰী গণনা মতে অসমৰ বিভিন্ন অভয়াৰণ্যত কিমান গঁড়, বাঘ আৰু হাতীৰ আছে?

(খ) ২০০১ চনৰ পৰা ২০০৮ চনৰ ১০ ফেব্ৰুৱাৰীলৈকে বানপানী আৰু চোৰাং চিকাৰীৰ হাতত কিমান গঁড়, বাঘ আৰু হাতী মৃত্যু হ'ল?

(গ) গঁড়, বাঘ আৰু হাতীৰ সংৰক্ষণৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে

(ক) চৰকাৰী গণনা মতে অসমৰ বিভিন্ন অভয়াৰণ্যত থকা গঁড়, বাঘ, হাতীৰ সংখ্যা তলত দিয়া হ'ল।

গঁড়	বাঘ	হাতী
২০০৬ টা	২৬৪ টা	৫২৪৬ টা (২০০২ চনত)

(খ) ২০০১ চনৰ পৰা ২০০৮ চনৰ ১০ ফেব্ৰুৱাৰীলৈকে বানপানী আৰু চোৰাং চিকাৰীৰ হাতত নিধন হোৱা গঁড়, বাঘ আৰু হাতীৰ তালিকা তলত উল্লেখ কৰা হ'ল।

	গঁড়	বাঘ	হাতী
বানপানীত মৃত্যু হোৱা—	২৩টা	৪টা	৫টা
চোৰাং চিকাৰীৰ দ্বাৰা নিধন হোৱা-	৬৩টা	১০টা	১৩টা

(গ) (১) কটকটীয়া গহবা তথা তহলদাৰী ব্যৱস্থা॥

(২) অত্যাধুনিক বেঁতাব যন্ত্রব দ্বাবা যোগাযোগ ব্যৱস্থা॥

(৩) উদ্যানব দাঁতি-কাষবীয়া বাইজব মাজত সজাগতা বৃদ্ধিব ব্যৱস্থা॥

(৪) চোবাং চিকাবীব প্রতিবোধ শিবিব (বন শিবিব), গহবা-পথা ইত্যাদিব ব্যৱস্থা তথা উন্নীতকবণ॥

(৫) তৎকালীনভাবে ১০০ জন সশস্ত্র গৃহবক্ষীব নিযুক্তি আৰু গহবাদবাব হিচাপে মোতায়ন॥

(৬) গোপন তথ্য সংগ্রহব ব্যৱস্থা॥

(৭) ১০০টা থ্রী নট থ্রী বাইফল কাজিবঙাব জন্ত সুবক্ষাব বাবে ব্যবহাব॥

(৮) ৫০টা খালী হৈ থকা পদত বন কর্মী নিযুক্তি দিয়া হৈছে আৰু বাকী থকা মাচী আৰু মাউতব খালী পদবোব অতি সোনকালে পূবণ কবাব ব্যৱস্থা গ্রহণ কবা হৈছে॥

(৯) বাষ্ট্রীয় মাই গথব কাযেদি নতুনকৈ বন-চকী স্থাপনব কাম হাতত লোৱা হৈছে॥

(১০) ১২ জনীয়া এবাৰ বিশেষজ্ঞ সমিতি গঠন কবা হৈছে আৰু তেওঁলোকে কাজিবঙাত চবজমিন তদন্ত কবি সকলো দিশ চালি-জাবি চাই এটা প্রতিবেদন দাখিল কবিছে। তেওঁলোকব প্রতিবেদনখনব পবামর্শ কাৰ্যকৰ কবাব বাবে চবকাবে গুৰুত্বপূর্ণ পদক্ষেপ লৈছে॥

(১১) ইতিমধ্যে অতিবিক্তভাবে এগবাকী মুখ্য বন সংবক্ষক, এগবাকী উপ বন সংবক্ষক আৰু চাবিজন বনাঞ্চলিক বিষয়াক কাজিবঙাত বাহব

পাতি কাজিৰঙা অভয়াৰণ্যৰ বিষয়া-কর্মচাৰীসকলক সহায়-সহযোগ কৰাৰ বাবে আদেশ দিয়া হৈছে আৰু তেওঁলোকে সেই মর্ম্মে কাম কৰি আছে।

উপৰোক্ত ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ ফলস্বৰূপে যোৱা কিছু দিনৰ ভিতৰত ১২জন চোৰাং চিকাৰীক কৰায়ত্ব কৰিব পৰাটো সম্ভৱ হৈছে। ইয়াৰোপৰি উদ্যানৰ দাঁতি কাষৰীয়া গাঁও, চাহবাগান, হোটেল আৰু ধাবাবিলাকৰ কর্তৃপক্ষৰ লগত সভা সমিতি অনুষ্ঠিত কৰি তেওঁলোকৰ সহযোগ বিচৰা হৈছে।

(১২) ইতিমধ্যে অসম চৰকাৰে এক অধিসূচনাৰ জৰিয়তে সংসদীয় সমিতি বিভাগৰ প্ৰধান সচিবকলৈ এখন সমিতি গঠন কৰি দিছে আৰু এই সমিতিক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্দ্ধিত হাৰত গঁড়ৰ চোৰাং চিকাৰ হোৱাৰ কাৰণসমূহৰ লগতে এনে হত্যাৰ প্ৰতিৰোধৰ বাবে পৰামর্শ আগবঢ়াবলৈ এমাহৰ সময়-সীমা বান্ধি দিয়া হৈছে।

বিষয় ঃ চিকিৎসালয়ৰ সংখ্যা।

শ্ৰীমতী কুমাৰ ৰকৰাই সুধিছে ঃ

*৭৬। **মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ৰাজ্যখনত সৰ্বমুঠ কিমানখন উপ-স্বাস্থ্য কেন্দ্ৰ, প্ৰাথমিক চিকিৎসালয়, ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয়, মহকুমা অসামৰিক চিকিৎসালয়, জিলা অসামৰিক চিকিৎসালয় আছে?

*Speech not corrected

(খ) জনসংখ্যা অনুপাতে উক্ত চিকিৎসালয়সমূহ যথেষ্ট হয় নে?

(গ) যদিহে যথেষ্ট নহয় তেনেহ'লে নতুনকৈ চিকিৎসালয় স্থাপনৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) পৰিসংখ্যা তলত উল্লেখ কৰা হ'ল ঃ

(১) উপস্বাস্থ্য কেন্দ্র (Sub-Centre) = ৫১০৯

(২) খণ্ড প্রাথমিক স্বাস্থ্য কেন্দ্র (Block PHC) = ১৪৯

(৩) প্রাথমিক স্বাস্থ্য কেন্দ্র(PHC) = ৪৮১

(৪) সামূহিক গ্রাম্য স্বাস্থ্য কেন্দ্র (CHC) = ১০০

(৫) মহকুমা অসামৰিক স্বাস্থ্য কেন্দ্র = ৪
(Sub-Divisional Civil Hospital)

(৬) জিলা অসামৰিক স্বাস্থ্য কেন্দ্র = ২০
(District Civil Hospital)

উপৰোক্ত চিকিৎসালয়সমূহৰ উপৰিও ২০০৭-০৮ বিত্তীয় বর্ষত তলত উল্লেখিত চিকিৎসালয়সমূহ স্থাপনৰ অর্থে চিকিৎসককে ধৰি বিভিন্ন পর্য্যায়ৰ পদ সৃষ্টি কৰা হৈছে।

(১) জিলা অসামৰিক চিকিৎসালয় = ৫ খন

(২) মহকুমা অসামৰিক চিকিৎসালয় = ১০ খন

(৩) সামূহিক চিকিৎসালয় (CHC) = ২০ খন

(খ) নহয়।

(গ) প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰা হৈছে। অৱশ্যে পর্য্যায়ক্রমে কার্য্যকৰী কৰিব পৰা যাব।

বিষয় ঃ বিত্তীয় বর্ষৰ খতিয়ান।

শ্রীকবেন্দ্র বসুমতাৰী সুধিছে ঃ

* ৭৭। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) এতিয়ালৈকে নগৰ উন্নয়ন বিভাগ বিশেষকৈ গুৱাহাটী চহৰৰ বাবদ যোৱা ইং ২০০৬-০৭ আৰু ইং ২০০৭-০৮ বিত্তীয় বর্ষত কি কি উন্নয়নৰ কাম হাতত লৈছে?

(খ) কিমান টকা বিভাগে ৰাজ্য চৰকাৰৰ পৰা মঞ্জুৰী লাভ কৰিছে? (টকাৰ অংক বিতংভাৱে উল্লেখ কৰিব)

(গ) বিগত দুটা বিত্তীয় বর্ষত কার্য্যকৰীৰ খতিয়ান দাঙি ধৰিবনে?

ড° হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে গুৱাহাটী উন্নয়ন বিভাগে গুৱাহাটী চহৰৰ বাবদ যোৱা ইং ২০০৬-২০০৭ আৰু ২০০৭-২০০৮ বিত্তীয় বর্ষত হাতত লোৱা উন্নয়নৰ কামসমূহ সংলগ্ন তালিকা— ১ আৰু তালিকা— ২ ত সন্নিৱিষ্ট কৰা হৈছে।

(খ) ৰাজ্য চৰকাৰৰ পৰা পোৱা মঞ্জুৰী ধন এনেধৰণৰ ঃ-

ইং ২০০৬-২০০৭ বিত্তীয় বর্ষ

(১) পৰিকল্পনা শিতান =মুঠ ২৬৮০.০০ লাখ টকা।

(২) পৰিকল্পনা বহির্ভূত শিতান =মুঠ ১৩৪১.০০ লাখ টকা।

(৩) দ্বাদশ বিত্তীয় আয়োগ =মুঠ ১৫৪.৯৭ লাখ টকা।

ইং ২০০৭-২০০৮ বিত্তীয় বর্ষ

(১) পৰিকল্পনা শিতান =মুঠ ২৩৫০.০০ লাখ টকা।

(২) পৰিকল্পনা বহির্ভূত শিতান =মুঠ ৮০৪.০০ লাখ টকা।

(৩) দ্বাদশ বিত্তীয় আয়োগ =মুঠ ১৩৬৯.০০ লাখ টকা।

(গ) বিগত দুটা বিত্তীয় বর্ষৰ কার্য্যকৰীৰ খতিয়ান ঃ-

(১)স্থায়ী ৰাজধানী প্ৰকল্প ঃ মুঠ প্ৰায় ১১৫.০০ কোটি টকা ব্যয়েৰে বৰ্ত্তমানৰ স্থায়ী ৰাজধানী প্ৰকল্প নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। বাকী থকা কামসমূহ পূৰ্ণগতিত চলি আৰু আৰু অচিৰেই সম্পূৰ্ণ হৈ উঠিব।

(২)ৰাষ্ট্ৰীয় ক্ৰীড়া গ্ৰাম ঃ গুৱাহাটীত ২০০৭ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত অনুষ্ঠিত ৩৩ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ক্ৰীড়াগ্ৰাম নিৰ্মাণৰ কাম আৰু আনুসঙ্গিক ক্ৰীড়াগ্ৰামৰ পানী যোগান আঁচনি, গুৱাহাটী মহানগৰৰ সৌন্দৰ্য্যবৰ্ধনৰ কাম, পথৰ বিজুলী বাতিৰ কাম ইত্যাদি সকলোবোৰ আঁচনি অনুযায়ী মুঠ ১১৭.০০ কোটি টকা ব্যয়েৰে সম্পূৰ্ণ কৰা হৈছে।

(৩)ৰাজীৰ গান্ধী ক্ৰীড়া প্ৰকল্প ঃ উত্তৰ গুৱাহাটীত মুঠ ৩২.০০ কোটি টকা ব্যয় সাপেক্ষে আন্তৰ্জাতিক মানদণ্ড সম্পন্ন ৰাজীৰ গান্ধী ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে।

(৪)উৰণীয়া সেঁতু নিৰ্মাণ ঃ অতিব্যস্ত উলুবাৰী আৰু গণেশগুৰিত দুখন আধুনিক উৰণীয়া সেঁতুৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে।

(৫)অতিবিশিষ্ট ব্যক্তিৰ অতিথিশালা ঃ খাৰঘূলিত অতি বিশিষ্ট ব্যক্তিৰ অতিথিশালা (VVIP Guest House) নির্মাণ সম্পূর্ণ হোৱাৰ পথত। কিছুদিনৰ ভিতৰতে এই অতিথিশালা সম্পূর্ণ হৈ উঠিব।

(৬)ৰাধাগোবিন্দ বৰুৱা পথৰ শিশু উদ্যান ঃ ৰাধাগোবিন্দ বৰুৱা পথত অৱস্থিত ভূমিসংৰক্ষণ সঞ্চালকৰ কার্যালয় চৌহদত অত্যাধুনিক শিশু উদ্যান প্রকল্পৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে।

(৭)তৰুণৰাম ফুকন উদ্যানৰ উন্নীতকৰণ ঃ ভৰলুমুখত অৱস্থিত দেশভক্ত তৰুণৰাম ফুকনৰ স্মৃতিত নির্মিত উদ্যানৰ উন্নীতকৰণৰ কাম ইতিমধ্যে সম্পূর্ণ কৰা হৈছে।

(৮)পদপথ সেঁতু ঃ তৰুণৰাম ফুকন উদ্যানৰ পৰা শংকৰদেৱ উদ্যানলৈ পদপথ সেঁতু আঁচনিৰ কাম হাতত লোৱা হৈছে। বিদেশী পর্য্যটক তথা অন্যান্যসকলৰ আকর্ষণৰ বাবে এই আদৰণি তোৰণ তথা পদপথ সেঁতু আকর্ষণীয়ভাৱে নির্মাণৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(৯)নলা তথা পদপথ ঃ দিশপুৰ লাষ্টগেটৰ পৰা খানাপাৰালৈ আৰু চান্দমাৰীৰ পৰা নুনমাটিলৈ নলা তথা পদপথ নির্মাণৰ কাম প্রায় সম্পূর্ণ হৈছে।

(১০)পদপথ ঃ ভৰলুমুখৰ পৰা মালিগাঁৱলৈ আৰু ফটাশিল আমবাৰীত পদপথ নির্মাণৰ কাম চলি আছে।

(১১) ৰজু পথ (Ropeway) ঃ গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটীলৈ ৰজুপথ নির্মাণৰ বাবে আঁচনি প্রস্তুত কৰা হৈছে। প্রায় ২৮.০০ কোটি টকা ব্যয়সম্পন্ন আঁচনিৰ কাম শীঘ্রে আৰম্ভ কৰা হ'ব।

(১২) গুৱাহাটী মহানগৰৰ বিভিন্ন ঠাইত বর্তমানৰ বর্ধিত জনসংখ্যা তথা

গাড়ী মটৰৰ বাবে সৃষ্টি হোৱা যান-জঁটৰ উপশম ঘটোৱাৰ বাবে বহুমূলীয়া অত্যাধুনিক গাড়ী ৰখোৱা প্ৰকল্পৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে ভূমি অধিগ্ৰহণৰ যাৱতীয় কামসমূহ সম্পূৰ্ণ হ'লে আঁচনিৰ কাম আৰম্ভ কৰা হ'ব।

(১৩) জৱাহৰলাল নেহেৰু নেচনেল আৰৱান ৰিনিউয়েল মিছনৰ অধীনত কেন্দ্ৰীয় চৰকাৰক তলত উল্লেখ কৰা (DPR) বিস্তৃত প্ৰকল্প প্ৰতিবেদনসমূহ দাখিল কৰা হৈছেঃ

(১) গোটা জাৱৰ নিষ্কাষণ আঁচনি = ৩৫.১৬ কোটি।

(২) ফটাশিল, চলাপাৰা আৰু মৰাচালিত = ৫৩.৯৫ কোটি। হৰিজনৰ বাবে ১২৩২টা পকী বহুমূলীয়া আবাস গৃহ

(৩) পশ্চিম গুৱাহাটী অঞ্চলৰ খোৱাপানী যোগান আঁচনি = ২৮০.৬৯ কোটি।

(৪) পূব গুৱাহাটী অঞ্চলৰ খোৱাপানী যোগান আঁচনি = ২৩৩.১৫ কোটি।

(৫) মধ্য গুৱাহাটী খোৱাপানী যোগান আঁচনি = ৩০২.৩২ কোটি।

(৬) উত্তৰ গুৱাহাটী খোৱাপানী যোগান আঁচনি= ১৮.২০ কোটি।

(৭) ভৰলুমুখত ৰেললাইনৰ ওপৰত উৰণীয়া সেঁতু নির্মাণৰ আঁচনি = ৫৩.৪৯ কোটি।

(৮) ভৰলু আৰু বাহিনী নদীত ১২খন পকী দলং নির্মাণৰ আঁচনি = ৮.৬৯ কোটি।

(৯) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ইতিমধ্যে তলত দিয়া আঁচনিসমূহ অনুমোদন

কৰা হৈছে।

(ক) পশ্চিম গুৱাহাটী অঞ্চলৰ খোৱাপানী যোগানৰ আঁচনি = ২৮০.৬৯ কোটি।

(খ) গোটা জাৱৰ নিষ্কাষণ = ৩৫.১৬ কোটি।

(গ) হৰিজনৰ বাবে ১২৩২টা বহুমূলীয়া আবাসগৃহ নিৰ্মাণ = ৫৩.৯৫ কোটি।

দ্বিতীয় আঁচনিৰ প্ৰথম কিস্তি ৭.৯১ কোটি টকা ৰাজ্য চৰকাৰে পাইছে। বাকী দুটা আঁচনিৰ প্ৰথম কিস্তি মাৰ্চ মাহৰ ভিতৰতে পোৱাৰ সম্ভাৱনা আছে। প্ৰতিটো আঁচনিত ৪টাকৈ কিস্তি থাকে।

(১০) গুৱাহাটী ভৰলুমুখৰ আৰ কে চৌধুৰী পথত ৰেললাইনৰ ওপৰত এখন উৰণীয়া সেঁতু নিৰ্মাণৰ বাবে মুঠ ৫৩.৪৯ কোটি টকাৰ আঁচনি প্ৰস্তুত কৰি অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

(১১) গুৱাহাটী ভৰলু আৰু বাহিনী নদীৰ ওপৰত থকা কাঠৰ দলঙৰ সলনি মুঠ ১২খন পকী দলং নিৰ্মাণৰ বাবে মুঠ ৮.৬৯ কোটি টকাৰ আঁচনি প্ৰস্তুত কৰি অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

(১২) ইয়াৰোপৰি গুৱাহাটী উন্নয়ন বিভাগে সংলগ্ন তালিকা— ১ আৰু তালিকা— ২ত উল্লেখ কৰা অন্যান্য আঁচনিসমূহৰ কাম হাততলৈছে।

Sub:- State Capital Dispensary.

Shri Abdul Azid Asked :

* **78. Will the Minister of Health & Family Welfare be pleased to state:**

(a) When the State Capital Dispensary at Dispur was established ?

(b) Whether the Govt. has proposed to develop the infrastructure with a secured complex to cater to the needs of Capital areas ?

(c) Whether the Govt. is aware that during the year 1974-75 the then State Govt. decided to upgrade it to 30 bedded Hospital? If so, when the upgradation will be completed ?

(d) Whether it is a fact that an X-Ray Machine was also purchased for the Hospital ?

(e) Whether the X-Ray Machine was installed? If not, state the reason there of ?

(f) Will the Govt. make an enquiry of the about of the X-Ray Machine ?

(g) Whether the present Govt. is contemplating to raise it to 30 bedded Hospital with proper

infrastructure on priority basis ?

(h) Whether the Govt. proposes to provide the Capital State Dispensary at Dispur with specialist Doctor in important Department for urgent and better health care in the Capital Complex Area ?

Dr. Himanta Biswa Sarma (Minister of Health & Family Welfare) replied :

(a) The Capital State Dispensary was established in 1973 at Dispur.

(b) Govt. has plan to develop the infrastructure in due course of time.

(c) Yes, there was a proposal during 1975, but for want of required land it could not be materialised.

(d) Yes.

(e) Yes, but the same is out of order now.

(f) The idle X-Ray Machine is very much within the dispensary itself.

(g) It depends mainly on availability of required land.

(h) It will be actively considered.

বিষয় ঃ গোট স্থাপন।

শ্রীৰচুল হক্কে সুধিছে ঃ

* ৭৯। ধুবুৰী জিলাত ২০০৬-২০০৭ আৰু ২০০৭-২০০৮ বিত্তীয় বৰ্ষৰ ভিতৰত কিমানটা হস্ততাঁত শিল্পৰ গোট স্থাপন কৰিছে?

(সমষ্টি ভিত্তিত বিতং তালিকা দাখিল কৰিব)

(খ) ধুবুৰী সমষ্টিত কিমানজন ব্যক্তিয়ে এই কার্যৰ যোগেদি জীৱন নির্বাহ কৰিছে?

(হিতাধিকাৰীৰ নামৰ তালিকা দাখিল কৰিব)

(গ) ২০০৮-২০০৯ বিত্তীয় বৰ্ষত বিভাগে ধুবুৰী সমষ্টিৰ বাবে এই শিতানত কি কি আঁচনি গ্রহণ কৰিছে?

শ্রীপ্রণৱ গগৈ (হস্ততাঁত, বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাত ২০০৬-০৭ আৰু ২০০৭-২০০৮ বিত্তীয় বৰ্ষৰ ভিতৰত হস্ততাঁত আৰু বস্ত্র শিল্প বিভাগৰ ফালৰ পৰা কোনো ধৰণৰ হস্ততাঁত শিল্পৰ গোট (SHG) গঠন কৰা হোৱা নাই।

(খ) ১৯৯৫-৯৬ চনৰ হস্ততাঁত গণনাৰ তথ্য অনুযায়ী ধুবুৰী সমষ্টিত এতিয়ালৈকে বয়ন শিল্পৰ কার্যত ৪২৩৮ গৰাকী বোৱনী আছে। ইয়াৰ অধিকাংশই বয়ন কার্যৰ যোগেদি জীৱন নির্বাহ কৰে। গোট হিচাপে হস্ততাঁত আৰু বস্ত্রশিল্প বিভাগে ধুবুৰী জিলাত কোনো অনুদান দিয়া হোৱা নাই বাবে হিতাধিকাৰীৰ তালিকা দাখিল কৰিব পৰা নহ'ল।

(গ) ২০০৮-২০০৯ বিত্তীয় বৰ্ষত ধুবুৰী জিলাৰ বাবে জিলা পৰিকল্পনা

আৰু পৰামৰ্শদেয়ক (DPME) কমিটিয়ে এতিয়ালৈকে আঁচনি নির্দ্ধাৰণ কৰা নাই। সেয়েহে ধুবৰী সমষ্টিৰ বাবে ল'ব লগা আঁচনিসমূহ দিব পৰা নহ'ল।

বিষয় ঃ পর্য্যটন উপযোগীৰ ব্যৱস্থা।

শ্রীদ্রুপদ ববগোহাঁইয়ে সুধিছে ঃ

* ৮০। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বুৰঞ্জী প্রসিদ্ধ চৰাইদেউক পর্যটনৰ সম্পূর্ণ উপযোগী কৰি তোলাৰ বাবে শেহতীয়াকৈ কি ব্যৱস্থা গ্রহণ কৰা হৈছে? (সম্পূর্ণ তথ্যসহ সদনৰ মেজত দাখিল কৰিব)

(খ) পুৰাতত্ব বিভাগে চৰাইদেউত থকা এটা মৈদাম খনাৰ পিছত তাক সংৰক্ষণৰ সঠিক ব্যৱস্থা নকৰাৰ কাৰণ কি?

(গ) যি সকলে উক্ত মৈদাম খান্দি এনে কাম কৰিলে তাৰ বিচাৰ কৰি ব্যৱস্থা গ্রহণ কৰিছেনে?

শ্রীৰকিবুল হুছেইন (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বুৰঞ্জী প্রসিদ্ধ চৰাইদেউক পর্য্যটনৰ উপযোগী কৰি তোলাৰ বাবে তথা পর্য্যটকৰ আকর্ষণৰ বাবে (Annexure-A)-ত উল্লেখিত আঁচনিসমূহ ৰূপায়ণৰ বাবে ব্যৱস্থা গ্রহণ কৰা হৈছে। (See Annexure-XI)

(খ) এই বিষয়টো পুৰাতত্ব বিভাগৰ লগত জড়িত। এই বিষয়ে পর্য্যটন বিভাগৰ হাতত সবিশেষ তথ্য নাই।

(গ) 'খ' উত্তৰ প্রযোজ্য।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ হাতীৰ উপদ্ৰৱ ৰোধ।

শ্ৰীদেবেন দৈমাৰীয়ে সুধিছে ঃ

১২২। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০১ চনৰ পৰা বৰ্তমানলৈ বনৰীয়া হাতীৰ আক্ৰমনত গোৱালপাৰা জিলাত কিমানজন ব্যক্তিৰ মৃত্যু হয়? মৃত ব্যক্তিসকলৰ পৰিয়ালক চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া আৰ্থিক সাহায্য দিয়া হৈছিলনে? (মৃত ব্যক্তিসকলৰ নাম, ঠিকনা আৰু আৰ্থিক সাহায্য দিয়া টকাৰ পৰিমাণ উল্লেখ কৰি সমষ্টিভিত্তিত সম্পূৰ্ণ তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলত বনৰীয়া হাতীয়ে নষ্ট বা ধ্বংস কৰা শস্য, ঘৰ-দুৱাৰৰ বাবে আৰ্থিক সাহায্য দিয়া হৈছেনে? (সমষ্টি উল্লেখ কৰি সাহায্য পোৱা ব্যক্তিসকলৰ নাম ঠিকনা জনাই বিতং তথ্য সদনত দাখিল কৰিব)

(গ) যদি হোৱা নাই, তেনেহ'লে এই ক্ষেত্ৰত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা জনসাধাৰণক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে গোৱালপাৰা বন বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে? যদি কৰিছে, সেই ব্যৱস্থাসমূহ কি কি আৰু কেনে ধৰণৰ?

(বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(ঙ) গোৱালপাৰা জিলাত বনৰীয়া হাতীৰ উপদ্ৰৱ হ্ৰাস কৰাৰ বাবে "হাতীৰ বিচৰণ ভূমি" স্থাপনৰ বাবে চৰকাৰে কিবা প্ৰস্তাৱ গ্ৰহণ কৰিছেনে?

(চ) যদি কৰা নাই, তেনেহ'লে এই ক্ষেত্ৰত অতি সোনকালে প্ৰস্তাৱ গ্ৰহণ কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) গোৱালপাৰা বন সংমণ্ডলৰ অন্তৰ্গত এলেকাত বনৰীয়া হাতীৰ আক্ৰমণত মৃত ব্যক্তিসকলৰ সমষ্টিভিত্তিক নাম-ঠিকনা আৰু চৰকাৰৰ নিৰ্দেশনা অনুযায়ী আৰ্থিক সাহায্যৰ পৰিমাণ উল্লেখ কৰি এখন তালিকা সদনৰ মেজত দিয়া হ'ল। (সংলগ্নপত্ৰ ১) (See Annexure-XI (A)

(খ) গোৱালপাৰা জিলাৰ অন্তৰ্গত বিভিন্ন এলেকাত হাতীয়ে ধ্বংস কৰা শস্য আৰু ঘৰ-দুৱাৰৰ বাবে চৰকাৰৰ নিৰ্দেশনা অনুসাৰে আৰ্থিক সাহায্যৰ বিৰৱণ ২০০৫ চনৰ পৰা ২০০৭ৰ জুলাই মাহলৈকে দিয়া হ'ল।

মুঠ ক্ষতিগ্ৰস্ত ব্যক্তি	মুঠ টকাৰ পৰিমাণ
১৬২৫	১১,৭৯,০০০

বৰ্তমান বিত্তীয় বৰ্ষত ৯,৩১,৫০০ টকা দিয়া ব্যক্তিসকলৰ তালিকা গাঁঠি দিয়া হ'ল (সংলগ্ননথি-২) (See Annexure-XI (B))

(গ) আৰ্থিক সাহায্য দিয়া হৈছে আৰু ভৱিষ্যতে দিয়াৰ ব্যৱস্থা কৰা হ'ব।

(ঘ) বনৰীয়া হাতীৰ উপদ্রৱৰ পৰা জনসাধাৰণক ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্রত গোৱালপাৰা বন সংমণ্ডলৰ সীমিত আর্থিক ক্ষমতা আৰু পুঁজিৰ পৰা তলত উল্লিখিত ব্যৱস্থা গ্রহণ কৰা হয়।

(১) বন কর্ম্মচাৰীৰ দ্বাৰা উপদ্রুত এলেকাত ৰাইজৰ সহায়ত বনৰীয়া হাতীক খেদি পঠিওৱা।

(২) উপদ্রুত এলেকাৰ ৰাইজক পহৰাৰ বাবে কেৰাচিন তেল, ফটকা আৰু গাড়ীৰ পুৰণি টায়াৰ আদিৰ যোগান ধৰি বনৰীয়া হাতীক খেদি পঠিওৱা ব্যৱস্থা গ্রহণ কৰা।

(৩) Search lightৰ সহায়ত হাতীক খেদি পঠিওৱাৰ ব্যৱস্থা।

(৪) মৃত ব্যক্তিৰ পৰিয়ালক আর্থিক ক্ষতিপূৰণ দিয়া।

(৫) শস্য, ঘৰ-দুৱাৰ ধ্বংসৰ ক্ষেত্রত আর্থিক সাহায্য দিয়া।

(৬) কুন্‌কী হাতীৰ দ্বাৰা বনৰীয়া হাতীক খেদি পঠিওৱা।

(৭) বনৰীয়া হাতীৰ উপদ্রৱ ৰোধ কৰিবলৈ বৈদ্যুতিক বেৰৰ প্রস্তাৱ কৰা হৈছে।

(৮) বনৰীয়া হাতীৰ খাদ্যৰ বাবে Fodder Plantation কৰিবলৈ বিভাগীয়ভাৱে প্রস্তাৱ প্রেৰণ কৰা হৈছে।

(ঙ) গোৱালপাৰা আৰু কামৰূপ জিলাৰ বনাঞ্চলসমূহেই বনৰীয়া হাতীৰ বাসস্থান আৰু বিচৰণভূমি। এই বনাঞ্চলসমূহৰ সংৰক্ষণ আৰু সম্বর্দ্ধন কৰি ডাঠ বনাঞ্চললৈ পুনৰ পৰিৱর্তন কৰিবৰ বাবে আঁচনি লোৱা হৈছে। যৌথ বন পৰিচালনাৰ মাধ্যমেৰে বন উন্নয়ন অভিকৰণৰ যোগেদি পুলি বাগান, প্রাকৃতিকভাৱে বনাঞ্চল পুনসংস্থাপন আদিৰ দৰে কার্যসূচী চলি আছে।

(চ) বর্তমান চলি থকা আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে [illegible] সহযোগ কৰাৰ বাবে হিতাধিকাৰী ৰাইজৰ সমূহীয়া উন্নয়ণ বাবেও কার্যসূচীৰ প্রস্তাৱ আছে।

বিষয় ঃ শিপিনীৰ আঁচনি।

[illegible] পাঠানে সুধিছে ঃ

১২৩। **মাননীয় হস্ততাঁত, বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) যোৱা ২০০৬ চনৰ পৰা বর্তমানলৈকে অসম চৰকাৰে নগাঁও জিলাৰ ৮৩ নং ধিং বিধানসভা সমষ্টিত হস্ততাঁত আৰু বস্ত্রশিল্পৰ জৰিয়তে শিপিনীসকলৰ বাবে কি কি আঁচনি সম্পাদন কৰিলে?

(আঁচনি অনুযায়ী হিতাধিকাৰীসকলৰ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) ৮৩ নং ধিং বিধানসভা সমষ্টিত মুঠ কিমানখন বোৱা-কটা সমবায় সমিতি আছে?

(নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) কিমানখন বোৱা-কটা সমবায় সমিতিয়ে বর্তমানলৈকে নিয়মীয়াকৈ কাম-কাজ চলাই আছে আৰু কিমানখন বন্ধ হৈ আছে?

(প্রত্যেকৰে নামৰ তালিকা সদনত দাখিল কৰিব)

শ্রীপ্রণৱ গগৈ (হস্ততাঁত, বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী) [illegible]

(ক) যোৱা [illegible] চনৰ পৰা বর্তমানলৈ অসম [illegible]

৮৩ নং ধিং বিধান সভা সমষ্টিত হস্ততাঁত আৰু বস্ত্রশিল্পৰ জৰিয়তে শিপিনীসকলৰ বাবে (১) সমন্বিত হস্ততাঁত প্রশিক্ষণ প্রকল্পৰ আঁচনি আৰু (২) শিপিনীৰ কর্মগৃহ আঁচনি ৰূপায়ণ কৰিছে। আঁচনি অনুযায়ী হিতাধিকাৰীসকলৰ নামৰ তালিকা পৰিশিষ্ট 'ক'ত দেখুওৱা হ'ল। (See Annexure-XII)

(খ) ৮৩ নং ধিং বিধানসভা সমষ্টিত মুঠ ৬খন বোৱা-কটা সমবায় সমিতি আছে। বোৱা-কটা সমবায় সমিতিসমূহৰ তালিকা তলত দেখুওৱা হ'ল—

(১) ধিং ভকতগাঁও সমবায় সমিতি লিঃ

(২) আঠগাঁও সুৰভী সমবায় সমিতি লিঃ

(৩) নিজ ধিং সমবায় সমিতি লিঃ

(৪) মৈৰাধ্বজ সমবায় সমিতি লিঃ

(৫) অকৰাবড়ি সমবায় সমিতি লিঃ

(৬) বৰভেটী বিশ্বজ্যোতি সমবায় সমিতি লিঃ

(গ) ৮৩ নং বিধানসভা সমষ্টিত বর্তমানলৈকে কাম-কাজ চলাই থকা বোৱা-কটা সমবায় সমিতিসমূহৰ তালিকা নিম্নলিখিত ধৰণে দেখুওৱা হ'ল। বন্ধ হৈ থকা সমবায় সমিতি নাই।

সমিতিৰ নাম ঃ

(১) ধিং ভকতগাঁও সমবায় সমিতি লিঃ

(২) আঠগাঁও সুৰভী সমবায় সমিতি লিঃ

(৩) নিজ ধিং সমবায় সমিতি লিঃ

(৪) মৈৰাধ্বজ সমবায় সমিতি লিঃ

(৫) অকৰাবাড়ি সমবায় সমিতি লিঃ

(৬) ৰৱভেটী বিশ্বজ্যোতি সমবায় সমিতি লিঃ

Sub :- 30 Bedded Hospital.

Shri Rajendra Pd. Singh Asked :

124. Will the Minister of Health and family Welfare be pleased to state :

(a) Why no steps have been taken so far by the Government although foundation stone was laid for 30-Bedded Hospital at Bordubi in Tinsukia District in the year 1995 ?

(b) When will the work be taken up ?

Dr. Himanta Biswa Sarma (Health & family Welfare Minister) replied:

(a) Administrative Approval for an Estimated amount of Rs. 92.52 lakh was accorded in March, 1995. Accordingly 11% work was done. Due to paucity of fund in Plan budget in subsequent year the scheme lapsed.

(b) It depends on availability of fund.

বিষয় ঃ ভৱন নির্মাণ।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

১২৫। **মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসম মেডিকেল কলেজৰ নামত যোৱা ১০ বছৰত NECৰ পৰা কিমান পৰিমাণৰ ধন আৱণ্টন কৰা হ'ল? এই ধনেৰে কেইটা ভৱন নির্মাণ কৰা হ'ল?

(খ) এই কামবোৰ কোনে, কোন ঠিকাদাৰক দিয়া হৈছে? কাম কেইটা সম্পূর্ণ হ'লনে?

(গ) H.O.P.E.Project ৰ নামত আৱণ্টন দিয়া ২০ কোটি টকাৰ কাম সম্পূর্ণ হ'লনে?

(ঘ) চৰকাৰৰ দ্বাৰা আৱণ্টিত ১০৫ কোটি টকাৰ ভিতৰৰ কেইটা ভৱনৰ কাম কৰা হৈছে? এই কামসমূহ কোন কোন ঠিকাদাৰক দিয়া হৈছে?

(তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঙ) কোন তাৰিখে এই কামসমূহৰ কার্য্য নিদেশ দিয়া হৈছিল আৰু উপৰোক্ত কাম কেতিয়া সম্পূর্ণ হ'ব?

(কামসমূহৰ অগ্রগতিৰ খতিয়ানসহ সদনৰ মেজত দাখিল কৰিব)

(চ) মেডিকেল কলেজখনৰ কাম কৰা ঠিকাদাৰৰ পুত্র বা ভতিজা পুত্রক সহকাৰী অভিযন্তা হিচাপে কামবিলাকৰ চোৱা-চিতাৰ দায়িত্ব দিয়া হৈছিল বা হৈছে নেকি? যদি হৈছে, নামসহ প্রকাশ কৰিবনে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে

উত্তৰ দিছেঃ

(ক) অসম মেডিকেল কলেজৰ নামত যোৱা ১০ বছৰত NEC ৰ পৰা আৰণ্টন কৰা ধনৰ পৰিমাণ তলত দিয়া হ'ল—

৯ম পৰিকল্পনাৰ অন্তৰ্গত= আৱণ্টিত ধন=Rs.1331.49 lakh

নির্মাণৰ বাবে =Rs. 848.31 lakh

সা-সৰঞ্জামৰ বাবে =Rs. 483.18 lakh

১০ম পৰিকল্পনাৰ অন্তৰ্গত=

অনুমোদিত ধন = Rs. 822.97 lakh

নির্মাণৰ বাবে =Rs. 300.87 lakh

সা-সৰঞ্জামৰ বাবে **Rs. 522.10 lakh**

(A) ১০ম পৰিকল্পনাৰ অধীনত

নির্মাণৰ বাবে =Rs.100.00 lakh

NEC য়ে মোকলাই দিয়া=

সা-সৰঞ্জামৰ বাবে

ধন এনে ধৰণৰ =Rs.183.50 lakh

(B) নৱম ও দশম পৰিকল্পনাত-

মুঠ আৱণ্টিত ধনৰ পৰিমাণ = Rs.1614.99 lakh

= Rs. 1331.49 lakh

+ Rs.283.50 lakh

(C) নৱম ও দশম পৰিকল্পনাত

NEC ৰ পৰা =Rs.848.31 lakh

নির্মাণ কার্যৰ বাবে = + 100.00 lakh

= 948.31 lakh

এই ধনেৰে নির্মাণ কৰা ভৱন কেইটা হ'ল ঃ

(1) Construction of Regional Institute of Communicable Diseases.

(2) Construction of Regional Institute of TB & Respiratory Diseases.

(3) Construction of 30 (thirty) Nos. of Paying Cabin .

(4) Emergency and Casualty Ward.

(5) Renovation of Labour Room and Electrical works.

(6) Renovation of O.T. in Casualty Deptt.

(7) Vertical Extension of 20 bedded PG-Boys' Hostel.

(8) Vertical Extension of additional Girls' Hostel (PNB)

(9) Vertical Extension of Radiology Building.

(খ) কাম সম্পূর্ণ হৈছে। গড়কাপ্তানী (গৃহ) বিভাগৰ দ্বাৰা নির্মাণৰ কার্য সম্পাদন কৰা হৈছে। উক্ত কামবোৰ মুখ্য অভিযন্তা, গড়কাপ্তানী (গৃহ) বিভাগৰ পৰা বিভাগীয় ঠিকাদাৰসকলক আৱণ্টন দিয়া হয়।

কামৰ বিপৰীতে সেইসকলৰ নাম Annexure-A ত সংলগ্ন কৰি দিয়া হ'ল।

(See Annexure-XIII)

কাম কেইটা অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল কৰ্ত্তৃপক্ষৰ পৰা চমজাই দিয়া হৈছে।

(গ) Project Hope ৰ কাম সম্পূৰ্ণ কৰা হৈছে।

(ঘ) ১০০ কোটি টকাৰ ভিতৰত ভৱন নিৰ্মাণৰ লগতে কৰা অন্যান্য কামৰ তালিকা আৰু তাৰ বিপৰীতে কাম কৰা ঠিকাদাৰৰ নাম Annexure-B 1 & B 2 ত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-XIV)

(ঙ) উক্ত কামসমূহৰ কাৰ্য নিৰ্দেশৰ তাৰিখ আৰু সম্পূৰ্ণ হোৱাৰ সময় Annexure-B 1 & B 2 ত সংলগ্ন কৰি দিয়া হৈছে। লগতে কামসমূহৰ অগ্রগতিৰ খতিয়ান দেখুওৱা হৈছে।

(চ) চৰকাৰৰ তৰফৰ পৰা দায়িত্ব দিয়া হোৱা নাই।

বিষয় ঃ ৩০খন বিছনাযুক্ত চিকিৎসালয়

শ্রীভূপেন কুমাৰ বৰাই সুধিছে ঃ

১২৬। মাননীয় স্বাস্থ্য আৰু পাৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিহপুৰীয়া সমষ্টিৰ বিহপুৰীয়া টাউনত প্রস্তাৱিত ৩০খন বিছনাযুক্ত চিকিৎসালয়ৰ ভৱন বিভাগীয় মন্ত্রীয়ে পৰিদর্শন কৰাৰ পাছত কি

কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) উক্ত চিকিৎসালয়খনে কেতিয়া পূৰ্ণাঙ্গ ৰূপ পাব আৰু নতুন পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰিছে নেকি?

ড° হিমন্ত বিশ্ব শর্মা(স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) স্বাস্থ্য মন্ত্রীৰ পৰিদর্শনৰ পিছত বিহপুৰীয়া ৩০খন বিছনাযুক্ত চিকিৎসালয় (CHC) খনৰ বাবে বর্তমানে তাত থকা পদসমূহৰ উপৰিও বিভাগীয় অনুমোদন নং এইচ এল ১১৩৪/০৬/১০৮, তাং ২৩/১১/২০০৭ জৰিয়তে তলত উল্লেখিত অতিৰিক্ত পদসমূহ সৃষ্টি কৰি যাৱতীয় নির্দেশনা জাৰি কৰিছে ঃ

(১) উপ অধীক্ষক - ১টা পদ

(২) জ্যেষ্ঠ চিকিৎসা আৰু স্বাস্থ্য বিষয়া - ১টা পদ

(৩) চিকিৎসা আৰু স্বাস্থ্য বিষয়া - ১ - ৩টা পদ

(৪) ৰেডিওগ্রাফাৰ - ১টা পদ

(৫) ফার্মাচিষ্ট - ১টা পদ

(৬) লেবৰেটৰী টেক্‌নিচিয়ান - ১টা পদ

(৭) উচ্চ বর্গ সহায়ক/নিম্ন বর্গ সহায়ক - ১টা পদ

(৮) ড্রেচাৰ - ১টা পদ

(৯) ৱার্ডবয় - ২টা পদ

(১০) অস্ত্রোপ্রচাৰ কক্ষ সহায়ক -১টা পদ

(১১) ৱার্ড গার্ল - ১টা পদ

মুঠ = ১৪টা পদ

(খ) নিযুক্তি সম্পূর্ণ হ'লে চিকিৎসালয়খন মুকলি কৰিব পৰা হ'ব। বৰ্তমান পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰা হোৱা নাই।

Sub :- Repairing of P.H.C.

Shri Maheswar Baro asked :

127. Will the Minister of Health and Family Welfare be pleased to state :

(a) When the Bhokelikanda Mini PHC within **Kalaigaon LAC will be repaired** from the present deteriorated condition?

(b) What is the cause behind, for not providing any Ambulance to Kalaigaon State Dispensary and Puthimari Mini PHC and when will this demand be fulfilled?

(c) Whether Government is aware of the fact that no Doctor including Staff and Laboratory equipments are not available at Khoirabari C.H.C. till today ?

(d) If so, whether the Government will take necessary steps to appoint Doctor and Staff as well as supply of Laboratory equipment to the

said C.H.C.?

Dr. Himanta Biswa Sarma (Minister, Health & Family Welfare) replied:

(a) Steps have already been taken with release of Rs. 75,000/- (Rupees Seventy five thousand) during the year 2006-2007 and Rs. 1,75,000/- (Rupees one lakh seventy five thousand) during the year 2007-2008 from untied and maintenance fund of NRHM and repairing work is going on.

(b) Ambulances are being provided to Kalaigaon shortly.

(c) Though Doctor is not available at present, other Staff are performing their duties. The PHC located within 2 (two) km. is extending health care services with two Doctors.

(d) Noted for consideration.

বিষয় ঃ স্বাস্থ্য কেন্দ্ৰ স্থাপন।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

১২৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কাকপথাৰৰ পৰা ১.৫ কিঃ মিঃ দূৰত ১৯৮৩ চনত কুষ্ঠৰোগ

নিৰাময় কেন্দ্রটি প্রায় ১০ বিঘা মাটি অধিগ্রহণ কৰি স্থাপন কৰাটো চৰকাৰ অৱগতনে?

(খ) সেই কেন্দ্রটি এৰা-ধৰাৰ মাজেৰে ২০০৩ চনলৈকে চলি আছিল যদিও আজি প্রায় ৪/৫ বছৰ পৰিত্যক্ত অৱস্থাত থকাটো চৰকাৰে জানেনে?

(গ) যদি জানে, তেন্তে উক্ত কেন্দ্রটি পুনৰ কার্য্যক্ষম কৰি' তোলাৰ কিবা ব্যৱস্থা ল'ৰনে?

(ঘ) এই অঞ্চলটিৰ ৰাইজৰ বৃহৎ স্বার্থৰ প্রতি লক্ষ্য ৰাখি ৩০খন বিছনাযুক্ত চিকিৎসালয় স্থাপন কৰিব পৰা যাব নেকি, জনাবনেঃ

[illegible] দিছেঃ

(ক)

(খ) অৱগত

(গ) অসমত কুষ্ঠৰোগ বহুলাংশে নিয়ন্ত্রণ হৈছে। বর্তমান ১ (এক) লাখ জনসাধাৰণৰ মাত্র ০.৪১জন লোকৰ মাজত এই ৰোগ সীমিত হৈছে। বর্তমান স্বাস্থ্য নীতি অনুযায়ী এনে ৰোগীসকলক আছুতীয়াকৈ নাৰাখি ঘৰুৱাভাৱে চিকিৎসা প্রদান কৰা হয়। অকল কুষ্ঠৰোগত শাৰীৰিকভাৱে বিকলাংগ (Deformative) হোৱাসকলকহে Re-constructive Surgery ৰ দ্বাৰা উপযুক্ত চিকিৎসালয়ত অস্ত্রোপ্রচাৰ কৰাৰ ব্যৱস্থা আছে।

এই পৰিপ্রেক্ষিতত ৰাষ্ট্রীয় কুষ্ঠৰোগ নিৰাময় আঁচনিখন প্রাথমিক স্বাস্থ্য পৰিসেৱাৰ লগত সংহত কৰি কুষ্ঠৰোগীৰ চিকিৎসা সেৱা

সমান্তৰালভাৱে অব্যাহত ৰখা হৈছে।

(ঘ) বৰ্তমান এনে আঁচনি নাই।

বিষয় ঃ নতুন পৰ্য্যটন কেন্দ্ৰ স্থাপন।

ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ

১২৯। **মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) অসমৰ সম্প্ৰতি প্ৰচলিত মানাহ, কাজিৰঙা আদি পৰ্য্যটন কেন্দ্ৰসমূহৰ উপৰিও নতুন নতুন পৰ্য্যটন কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ চৰকাৰৰ আছেনে? (যদি আছে, এনে নতুন কেন্দ্ৰসমূহৰ নাম উল্লেখ কৰিব)।

(খ) ভাৰতবৰ্ষৰ অন্যান্য ঠাইত ধৰ্মানুষ্ঠানসমূহক কেন্দ্ৰ কৰি বহুতো পৰ্য্যটন কেন্দ্ৰ গঢ়ি উঠা দেখা যায়, অসমতো তেনে ব্যৱস্থা কৰিব নোৱাৰিনে?

(গ) যদি পাৰি, তেতিয়া হ'লে বৰপেটা জিলাৰ বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ, পাটবাউসী সত্ৰ, কালজাৰ সত্ৰ, গোপাল আতা সত্ৰ, ডুবি দেৱালয় আদিক পৰ্য্যটন কেন্দ্ৰ হিচাপে অতি শীঘ্ৰে গঢ়ি তুলিবনে?

মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী শ্ৰীৰকিবুল হুছেইন দেৱে উত্তৰ দিব।

(ক) আছে, নতুন নতুন কেইবাটাও পৰ্য্যটন কেন্দ্ৰ বিকাশৰ বাবে ব্যৱস্থা লোৱা হৈছে। কেন্দ্ৰসমূহৰ নাম সংলগ্ন - 'ক' ত দিয়া হৈছে।

(Annexure-XV)

(খ) হয়, পাৰি।

(গ) বৰপেটা সত্ৰ, পাটবাউসী সত্ৰ আৰু গোপাল আতা সত্ৰত পৰ্যটকৰ বাবে সা-সুবিধা আগবঢ়োৱা কিছু আঁচনি ইতিমধ্যে ৰূপায়ণ কৰা হৈছে।

চলিত বিত্তীয় বর্ষ ইং ২০০৭-০৮ চনত বৰপেটা সত্ৰৰ তোৰণ নির্মাণৰ বাবে ১৫ লাখ টকা (পোন্ধৰ লাখ টকা) ধার্য কৰা হৈছে। এই টকা পৰিকল্পনা শিতানৰ পৰা দিয়া হৈছে। ইয়াৰ উপৰিও কেন্দ্রীয় চৰকাৰৰ পৰাও এই বর্ষতে বৰপেটা সত্ৰত পর্যটকৰ সা-সুবিধাৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণ হেতু মুঠ ৪২.১৫ লাখ টকাৰ মঞ্জুৰী পোৱা হৈছে।

বিষয় ঃ গঁড় হত্যা।

ডাঃ কমলাকান্ত কলিতাই সুধিছে ঃ

১৩০। **২০০৬-২০০৭ আৰু ২০০৮ চনৰ আজিৰ তাৰিখলৈকে কাজিৰঙাত কিমানটা গঁড় হত্যা কৰা হ'ল?**

(খ) গঁড় হত্যা কাণ্ডৰ লগত জড়িত কিমানজন চোৰাং চিকাৰী বর্তমানলৈ ধৰা পৰিল আৰু তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ল?

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) কাজিৰঙা অভয়াৰণ্যত ২০০৬ চনত ৫টা, ২০০৭ চনত ১৮টা আৰু ২০০৮ চনত ৪টা গঁড় হত্যা কৰা হৈছে।

(খ) ২০০৬ চনত ২৩ জন, ২০০৭ চনত ১৯ জন ও ২০০৮ চনত ১৩ জন চোৰাং চিকাৰী ধৰা পৰে। তেওঁলোকৰ বিৰুদ্ধে আৰক্ষী চকীত গোচৰ ৰুজু কৰা হৈছে আৰু প্ৰচলিত সংশ্লিষ্ট আইনমতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

বিষয় ঃ উপ-স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

১৩১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ বিধানসভা সমষ্টিত কেইটা উপ-স্বাস্থ্য কেন্দ্ৰ আছে?

(খ) বৰ্তমান স্বাস্থ্য বিভাগে কেইটা উপ-স্বাস্থ্য কেন্দ্ৰত maintenance fund দিয়া হৈছে?

(গ) কেইটা উপ-স্বাস্থ্য কেন্দ্ৰত নতুনকৈ বনাবলৈ বা মেৰামতি কৰিবলৈ কিমান কিমান টকাৰ অনুদান দিয়া হৈছে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ডিগবৈ বিধানসভাৰ অন্তৰ্গত কেটেটং PHC ৰ অধীনত ২৮ টা আৰু হাপজান PHC ৰ অধীনত ৬০ টা উপ-স্বাস্থ্য কেন্দ্ৰ আছে।

(খ) তিনিচুকীয়া জিলাত যোৱা বিত্তীয় বৰ্ষত (২০০৬-২০০৭) ১০ হাজাৰ টকাকৈ untied fund হিচাপে জিলাখনৰ ১৬২ টা স্বাস্থ্য উপ-কেন্দ্ৰলৈ আৰু এই বিত্তীয় বৰ্ষত (২০০৭-২০০৮) বাবে ২০ হাজাৰ টকাকৈ untied আৰু maintenance fund মোকলাই দিয়া হৈছে।

(গ) তিনিচুকীয়া জিলাৰ ৩৯ টা স্বাস্থ্য উপ-কেন্দ্ৰৰ মেৰামতিৰ বাবে ১

লাখ টকাকৈ মোকলাই দিয়া হৈছে। অৱশ্যে ডিগবৈৰ সমষ্টিৰ অন্তর্গত স্বাস্থ্য কেন্দ্রৰ সম্পর্কত বিতং তথ্য বিচৰা হৈছে।

বিষয় ঃ ইটা ভাটা।

শ্রীআব্দুল খালেকে সুধিছে ঃ

১৩২। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ জনীয়া মৌজাৰ অন্তর্গত ভাতকুছি অঞ্চলত থকা ইটাৰ ভাটা সমূহে এলেকাটোৰ প্রাকৃতিক পৰিবেশৰ প্রতি ভাবুকিৰ সৃষ্টি কৰিছে নেকি?

(খ) যদি কৰিছে, এই ক্ষেত্রত চৰকাৰে প্রতিকাৰৰ বাবে কি ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) বৰপেটা জিলাৰ জনীয়া মৌজাৰ অন্তর্গত ভাতকুছি অঞ্চলত মুঠ ২২টা (বাইছটা) ইটা-ভাটা বর্তমান চলি আছে। এই ভাটাসমূহে অঞ্চলটোৰ প্রাকৃতিক পৰিবেশৰ ওপৰত কিবা প্রভাৱ পেলাইছে নে নাই তাক পৰীক্ষা কৰাৰ কাৰণে অলপতে অসম প্রদূষণ নিয়ন্ত্রণ পৰিষদে এই অঞ্চলসমূহৰ Ambient Air Quality জুখি চায়। এই পৰীক্ষাত প্রমাণিত হয় যে বায়ুত থকা ছালফাৰ-ডাই-অক্সাইড, নাইট্রজেন-ডাই-অক্সাইড, ছাচপেণ্ডেড পার্টিকুলেট মেটাৰ আৰু ৰেছ্পিৰেবল ছাচপেণ্ডেড পার্টিকুলেট মেটাৰৰ পৰিমাণ বায়ু

প্রদূষিত কৰিব পৰা পৰ্য্যায়ৰ নহয়—কাৰণ এইবোৰৰ মান 'পাৰ্মিছিবল লিমিট'ৰ ভিতৰত আছে।

(খ) প্রদূষণ নিয়ন্ত্রণ পৰিষদে ইতিমধ্যে এই ইটা-ভাটাবোৰৰ stack monitoringৰ ব্যৱস্থা কৰিছে।

বিষয় ঃ আশাকৰ্ম্মী।

শ্রীজিতেন গগৈয়ে সুধিছে ঃ

১৩৩। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমানলৈ কিমান সংখ্যক GNM, ANM নাৰ্ছ আৰু আশা কৰ্ম্মী নিযুক্তি দিয়া হ'ল আৰু নিযুক্তি দিয়া প্রার্থীসকলৰ বয়সৰ উচ্চ আৰু নিম্ন সীমা তথা শিক্ষাগত অৰ্হতা কিমান জনাবনে?

(খ) টিপ চহী দিয়া মহিলাকো আশা কৰ্ম্মীৰ দৰে গুৰুত্বপূৰ্ণ পদবীত নিযুক্তি দিয়া হৈছে নেকি?

(গ) অসমত আজিলৈকে NRHMৰ অধীনত কিমানখন স্বাস্থ্য কেন্দ্রত অনুদান আগবঢ়াইছে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) অসমত বৰ্তমানলৈকে চুক্তি ভিত্তিত (Contractual) নিযুক্তি দিয়া GNM আৰু ANMৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ

GNM = ১৪০৫ গৰাকী

ANM = ২৮২৭ গৰাকী

তদুপৰি ১০৫৩ গৰাকী GNM আৰু ১৩৮৫ গৰাকী নতুনকৈ চুক্তিভিত্তিত নিযুক্তি দিয়াৰ দিহা কৰা হৈছে।

আশা কৰ্ম্মীসকলক নিযুক্তি দিয়া নহয়। এওঁলোক স্বীকৃতিপ্ৰাপ্ত সামাজিক স্বাস্থ্য কৰ্ম্মী। কোনো নিৰ্দ্ধাৰিত দৰমহাৰ ব্যৱস্থা নাই। চুক্তিভিত্তিত নিযুক্তিৰ বাবে বয়সৰ উৰ্দ্ধ সীমা ৬২ বছৰ আৰু নিম্ন সীমা ২১ বছৰ। GNM আৰু ANMসকলক সংশ্লিষ্ট বিষয়ত ক্ৰমে তিনিবছৰীয়া আৰু ১৮ মহীয়া পাঠ্যক্ৰমত উত্তীৰ্ণ হ'লেহে নিয়মীয়া নিযুক্তি বা চুক্তিভিত্তিত নিযুক্তিৰ বাবে যোগ্য হয়।

আশাকৰ্ম্মীসকলৰ শিক্ষাগত অৰ্হতা সাধাৰণতে অষ্টম শ্ৰেণী পৰ্য্যন্ত পঢ়া হ'ব লাগে। অৱশ্যে পিছপৰা অঞ্চলত এই অৰ্হতাৰ শিথিলতা হ'ব পাৰে।

(খ) ৰাষ্ট্ৰীয় গ্ৰাম্য অভিযান সঞ্চালকালয়ৰ পৰা প্ৰেৰণ কৰা নিৰ্দ্দিষ্ট নিৰ্দ্দেশাৱলীৰ আধাৰত পঞ্চায়তৰ সহযোগত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়াৰ অধীনত আশাকৰ্ম্মী বাছনি কৰা হয়। টিপ চহী দিয়া মহিলাক আশাকৰ্ম্মী হিচাপে বাছনি কৰা সম্পৰ্কে কোনো অভিযোগ পোৱা নাই।

(গ) বৰ্তমানলৈকে NRHMৰ অধীনত তলত উল্লেখ কৰা ধৰণে উপ-স্বাস্থ্য কেন্দ্ৰসমূহত অনুদান আগবঢ়োৱা হৈছে।

৪১২ টা উপস্বাস্থ্য কেন্দ্ৰৰ প্ৰত্যেকলৈ = ৭.৫০ লাখ টকাকৈ

৪৫৬২ খন উপস্বাস্থ্য কেন্দ্ৰৰ প্ৰত্যেকলৈ = ২০,০০০ টকাকৈ

তদুপৰি দ্বাদশ বিত্ত আয়োগৰ অধীনত

উপস্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ বাবে প্ৰত্যেকলৈ = ৭.৯৭ লাখ টকাকৈ

মুঠ ৬০ (ষাঠি) কোটি টকা ২০০৬-০৭ চনত মঞ্জুৰী দিয়া হৈছে। ইতিমধ্যে ৭১৫ টা উপস্বাস্থ্য কেন্দ্ৰৰ কাম আৰম্ভ কৰা হৈছে।

বিষয় ঃ শগুণৰ ভূমিকা।

শ্ৰীৰাস্থু চাহুয়ে সুধিছে ঃ

১৩৪। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতা প্ৰদূষণ মুক্ত কৰি ৰখাত শগুণৰ এক গুৰুত্বপূৰ্ণ ভূমিকা থকা স্বত্বেও এইবিধ প্ৰাণী বৰ্তমান বিলুপ্তি ঘটাৰ কাৰণ কি?

(খ) এইবিধ প্ৰাণী বিলুপ্ত হোৱাৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মাননীয় মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বহু পৰীক্ষা-নিৰীক্ষাৰ আধাৰত ঠাৱৰ কৰিব পৰা গৈছে যে পশুধনৰ বাবে ব্যৱহৃত Diclofenac নামৰ ঔষধবিধ ইয়াৰ বিলুপ্তিৰ অন্যতম মুখ্য কাৰণ। এই ঔষধবিধ কোনো পশুৰ ৰোগ নিৰাময়ৰ বাবে তাৰ শৰীৰত ব্যৱহাৰ কৰাৰ পিছত কিবা কাৰণত তাৰ মৃত্যু হ'লে সেই মৃতদেহ শগুণে খোৱাৰ পিছত ইয়াৰ মাংসপেশীসমূহত Uric acid জমা হৈ ক্ৰমে visceral gout হয় আৰু অৱশেষত বৃক্ক বিকল হৈ শগুণ মৃত্যু মুখত পৰে।

(খ) এই প্ৰাণীবিধ অভাৱনীয়ভাৱে কমি যোৱাত কেন্দ্ৰীয় চৰকাৰে,

১৯৭২ চনৰ বন্যপ্ৰাণী (সংৰক্ষণ) আইনৰ ২০০৩ চনৰ সংশোধনীৰ চতুৰ্থ তালিকাৰ পৰা উন্নীত কৰি প্ৰথম তালিকাভুক্ত কৰিছে।

চৰকাৰে বৰ্তমান শগুণ সংৰক্ষণৰ বাবে [illegible] কৰিছে। ইয়াৰ ভিতৰত ২০০১ চনত হাৰিয়ানাৰ পিঞ্জোৰাত এটা [illegible] ing & Conservation Centre আৰু ২০০৫ চনত পাশ্চমবংগৰ বাস্কা নামৰ ঠাইত আন এটা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও ২০০৬-০৭ চনত Central Zoo Authorityৰ সাহায্যত জুনাগড়, ভূপাল, হায়দৰাবাদ আৰু ভূবনেশ্বৰত চাৰিটা কেন্দ্ৰ স্থাপন কৰা হৈছে। অসমতো ৰাণী নামৰ ঠাইত কেন্দ্ৰ এটা খুলি তাত শগুণ ৰাখি বংশ আৰু সংখ্যা বৃদ্ধিৰ ব্যৱস্থা লোৱা হৈছে।

Sub : Forest land in Assam.

Dr. Aditya Langthasa asked :

135. Will the Minister of Environment and Forest be pleased to state:

(a) State the total area of forest land in Assam at present ?

(b) State the area of dense forest in Assam at present ?

(c) State the rate of reduction of forest in Assam

during last ten years ?

(please give the percentage year-wise)

Shri Rockybul Hussain (Minister, Environment & forests) replied :

(a) The total area of forest land in Assam is 26,748 sq. km. at present.

(b) As per the Forest Survey of India Reports following is the area of dense forest in Assam.

Year	Area under dense forest (in Sq. km)
1997	15,548
1999	14,517
2001	13,406
2003	12,880
2005	12,831

(c) There has been no reduction in the notified forest area of Assam. However, degradation of the same has been taking place due to encroachment, shifting cultivation and illegal felling etc. The Govt. of Assam has taken number of initiatives to arrest this trend. Raising of large scale plantation etc. and creating

public awareness through schemes like Seuji Dhara, Vanamahotsava, Earth Day, World Environment Day etc. which are some of the innovative steps taken by the present Govt.

বিষয় ঃ টকা আৱণ্টন।

শ্রীৰছুল হকে সুধিছে ঃ

১৩৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য মিছন (NRHM) ৰ অন্তর্গত ২০০৬-২০০৭, ২০০৭-২০০৮ বিত্তীয় বর্ষত ধুবুৰী সমষ্টিত মুঠ কিমান টকা কি কি শিতানৰ বাবে আৱণ্টন দিয়া হৈছিল?

(খ) উক্ত কামসমূহৰ বাবে মুকলি নিবিদা আহ্বান কৰা হৈছিলনে?

(গ) যদি হৈছিল, ঠিকাদাৰৰ নামৰ লগতে কামসমূহৰ তালিকা সদনত দাখিল কৰিবনে।

(ঘ) আৱণ্টিত কামসমূহৰ কিমান শতাংশ কাম ৰূপায়ণ হ'ল?

(ঙ) উক্ত কামসমূহৰ বাবে বিভাগে ঠিকাদাৰসকলক সম্পূর্ণ ধন মোকোলাই দিছেনে?

(চ) যদি দিয়া নাই, কিমান শতাংশ টকা বিভাগত জমা আছে?

(ছ) ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বর্ষত ধুবুৰী সমষ্টিত মেলেৰিয়া, কলেৰা, জণ্ডিচ ৰোগত আক্রান্ত লোকৰ সংখ্যা কিমান?

(গাঁওৰ লগতে মৃত্যু হোৱা লোকৰ বিতং তালিকা দাখিল কৰিব)

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযানে সমষ্টিভিত্তিক পুঁজি আৱণ্টন নকৰে, সেয়েহে ধুবুৰী জিলাত আৱণ্টিত ধনৰ তালিকা ইয়াৰ লগত গাঁঠি দিয়া হৈছে। (প্র-পত্র 'ক'- তিনি খিলা) (See Annexure-XVI)

(খ) CHC সমূহ IPHS পর্য্যায়লৈ উন্নীতকৰণ, স্বাস্থ্য উপকেন্দ্র নতুনকৈ নির্মাণ আৰু চিকিৎসক ও নার্ছৰ আবাস নির্মাণৰ কাম গড়কাপ্তানী (গৃহ) বিভাগে মুকলি নিবিদাৰ জৰিয়তে কৰি আছে। অৱশ্যে কিছু কামৰ ক্ষেত্রত আৱণ্টনৰ কাম সম্পূর্ণ হোৱা নাই।

(গ) আৱণ্টিত কামৰ "Work order" সদনৰ মেজত দাখিল কৰা হৈছে। (See Annexure-XVII)

(ঘ) গড়কাপ্তানী (গৃহ) বিভাগৰ পৰা সংগৃহীত কামৰ অগ্রগতিৰ প্রতিবেদন প্র-পত্র 'খ'ত উল্লেখ কৰি ইয়াৰ লগত সংলগ্ন কৰা হৈছে। (See Annexure-XVIII)

(ঙ) কামৰ বিপৰীতে ঠিকাদাৰসকললৈ মোকলাই দিয়া ধনৰ পৰিমাণ 'খ' প্র—পত্রত উল্লেখ কৰা হৈছে। Present progress financial কলমত দেখুওৱা হৈছে)। (See Annexure-XVIII)

(চ) ঠিকাদাৰক মুকলি কৰি দিয়া ধনৰ বাহিৰে বাকী থকা সকলো ধন বিভাগত জমা আছে।

(ছ) ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বর্ষত ধুবুৰী সমষ্টিত মেলেৰিয়া, কলেৰা আৰু জণ্ডিচ ৰোগত আক্রান্ত হোৱা লোকৰ সংখ্যা তলত উল্লেখ কৰা হ'ল।

বর্ষ	মেলেৰিয়া	কলেৰা
	জণ্ডিচ	
২০০৬-০৭	২৪৩২	নাই
	৯৬	
২০০৭-০৮	১৯৭০	নাই
	৩৫	

কলেৰা আৰু জণ্ডিচ ৰোগত কোনো লোকৰ মৃত্যু হোৱা নাই। অৱশ্যে মেলেৰিয়া ৰোগত ২০০৬ চনত ৮ (আঠ) জন লোকৰ আৰু ২০০৭ চনত ১৮ (ওঠৰ) জন লোকৰ মৃত্যু হয়। ঠিকনাসহ মৃতকৰ তালিকা প্ৰ-পত্ৰ 'গ' আৰু 'ঘ' ত দিয়া হৈছে। (See Annexure-XIX)

Sub : Killing of Rhinos.

Capt. Robin Bordoloi Asked :

137. Will the Minister of Environment and Forest be pleased to state:

(a) Whether the Government is aware of the fact that the State Forest Officials are involved with the recent Killings of Rhinos in the State, particularly in the Kaziranga National Park?

(b) Has any effective steps been taken to stop the unabated Rhino Killings and the theft of valuable

Forest properties including Rhino Horns from the custody of State Forest Department?

(c) Whether the Government is aware of the fact that though Kaziranga National Park area is extended the number of Security Guards has not been increased proportionately and that they are not well equipped to stop the poaching and other illegal activities within the Park area?

(d) If so, state elaborately?

(e) Whether the Government can press into service a micro-light aircraft for making a constant vigil over the Kaziranga National Park area?

(f) Whether the Government has taken any steps to increase the number of Watch Tower and also provide Solar Light in each of the Tower?

Shri Rockybul Hussain (Minister, Environment & Forest) replied:

(a) No involvement is detected.

(b) No theft has occured from Govt. custody.

To protect the rhino and to stop its Killing Govt. have taken prompt necessary steps such as:

(i) Constant patrolling of the Rhino inhabitated ar-

areas by anti-poaching camps.

(ii) Augmentation of secret information network.

(iii) Filling-up of the vacant front-line Staff of the protected areas.

(iv) Deployment of armed guards.

(v) Sensitisation of the local people.

(vi) Strengthening of existing camps and construction of new camps on the peripheral areas.

(vii) Modernisation of communication facilities.

(viii) Purchase of new arms for more guards.

(c) Such problems are carefully being looked into for speedy solutions.

(d) To protect the present 850.90 Sq. km. area of the Park very recently 100 numbers of additional Armed Home Guards have been deployed. A special package proposal for the creation of 1(one) Bn. of AFPF exclusively for WL areas with creation of 2000 numbers of posts of frontline Staff is being sent to the Govt. of India for sanction.

(e) No.

(f) Construction of more watch-towers equipped with solar light facilities is in progress.

বিষয় ঃ ডাক্তৰৰ সংখ্যা।

শ্রীআব্দুল আজিজে সুধিছে ঃ

১৩৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ধিং সমষ্টিৰ অন্তর্গত বেছামাৰী প্রাথমিক স্বাস্থ্য কেন্দ্রত কেইজন ডাক্তৰ আছে?

(খ) উক্ত স্বাস্থ্য কেন্দ্রত ৰাইজৰ চিকিৎসা সেৱাৰ কাৰণে অৱসৰপ্রাপ্ত তথা স্থানীয় ব্যক্তি ডাক্তৰ আবুবক্কৰ ছিদ্দিকে খাদ্য মন্ত্রী আৰু প্রাক্তন বিধায়কে স্বাস্থ্য মন্ত্রীৰ ওচৰত আবেদন জনোৱা সঁচানে?

(গ) ডাঃ আবুবক্কৰ ছিদ্দিকৰ লিখিত আবেদনত স্বাস্থ্য কেন্দ্রৰ পৰিৱর্তে উক্ত ডাক্তৰজনক কাছাৰ জিলাত নিযুক্তি দিয়া সঁচানে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) উপৰোক্ত চিকিৎসালয়খন চৰকাৰী অনুমোদিত নহয়। সেয়ে প্রশ্ন নুঠে।

(খ) সঁচা

(গ) সঁচা

(ঘ) অমান্য কৰা হোৱা নাই। ডাঃ আবুবক্কৰ ছিদ্দিকৰ আবেদন মর্মে ১৮-৬-০৬ ইং তাৰিখে কাছাৰ জিলাৰ নতুন ৰামনগৰ PHCত Medical Officer হিচাপে চর্ত ভিত্তিক নিযুক্তি দিয়া হৈছিল। বর্তমানলৈকে কামত যোগদান কৰা নাই।

বিষয় ঃ বিশুদ্ধ খোৱাপানী যোগান আঁচনি।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছেঃ

১৩৯। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) জৱাহৰলাল নেহেৰু আৰবান ৰিনিয়েল মিছনৰ জৰিয়তে ৰাজ্য চৰকাৰক কেন্দ্রীয় চৰকাৰে গুৱাহাটী উন্নয়নৰ বাবে সর্বমুঠ কিমান টকা ধার্য্য কৰা আঁচিলে পালেহি কৰি কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হ'লনে ?

(খ) উক্ত আঁচনিৰ জৰিয়তে গুৱাহাটীৰ উন্নয়নৰ বাবে ধার্য্য কৰা ... D.P. R. প্রস্তুত কৰি কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হ'লনে ?

(গ) কি কি আঁচনিৰ D.P. R. প্রস্তুত কৰা হ'ল আৰু প্রস্তুত কৰা আঁচনিসমূহৰ বাবে কিমান পুঁজি ধার্য্য কৰা হ'ল, জনাবনে ?

(ঘ) ২০০৮ চনৰ মার্চ মাহৰ ভিতৰত আঁচনিসমূহ কেন্দ্রীয় চৰকাৰৰ পৰা অনুমোদন হৈ অহাৰ সম্ভাৱনা আছেনে ?

(ঙ) জৱাহৰলাল নেহেৰু আৰবান ৰিনিয়েল মিছনৰ জৰিয়তে লোৱা বিশুদ্ধ খোৱা পানীৰ যোগান আঁচনিৰ বাবে বর্তমান বিশুদ্ধ খোৱাপানী যোগানৰ নতুন আঁচনি লোৱা বন্ধ কৰি ৰখাটো সঁচা নেকি ?

(চ) বিশুদ্ধ খোৱাপানী যোগানৰ নতুন আঁচনি বন্ধ কৰি ৰখাৰ ফলত জনসাধাৰণে যে জীয়াতু ভুগিবলগীয়া হৈছে, এই কথাটো চৰকাৰৰ অৱগতনে ? যদি অৱগত, তেনেহ'লে এই ক্ষেত্রত কি ব্যৱস্থা গ্রহণ কৰিছে।

ড° হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জৱাহৰলাল নেহেৰু নেচনেল আৰবান ৰিনিৱেল মিছনৰ অধীনত দাখিল কৰা মহানগৰ উন্নয়ন আঁচনিত ৩২০০ কোটি টকা ধার্য্য কৰা হৈছিল।

কেন্দ্রীয় পৰিকল্পনা আয়োগে মিছনৰ অধীনত অসমৰ বাবে ৪৩৩.৬৪ কোটি টকা আৱণ্টন দিয়ে।

(খ) হয়, কেন্দ্রীয় চৰকাৰক দাখিল কৰা হৈছে।

(গ) মিছনৰ অধীনত কেন্দ্রীয় চৰকাৰক তলত উল্লেখ কৰা D.P. R. সমূহ দাখিল কৰা হৈছে ঃ-

(১) গোটা জাৱৰ নিষ্কাষণ আঁচনি = ৩৫.১৬ কোটি।

(২) ফটাশিল, চলাপাৰা আৰু মৰাচালিত হৰিজনৰ বাবে ১২৩২ টা পকী বহুমূলীয়া আবাস গৃহ আঁচনি = ৫৩.৯৫ কোটি।

(৩) পশ্চিম গুৱাহাটী অঞ্চলৰ খোৱাপানী যোগান আঁচনি = ২৮০.৬৯ কোটি।

(৪) [illegible]পানী যোগান আঁচনি = ২৩৩.১৫ কোটি।

(৫) মধ্য গুৱাহাটী অঞ্চলৰ খোৱাপানী যোগান আঁচনি = ৩০২.৩২ কোটি।

(৬) উত্তৰ গুৱাহাটী অঞ্চলৰ খোৱাপানী যোগান আঁচনি = ১৮২.০০ কোটি।

(৭) ভৰলুমুখত ৰেল লাইনৰ ওপৰত উৰণীয়া সেঁতু নির্মাণৰ আঁচনি = ৫৩.৪৯ কোটি।

(৮) ভৰলু আৰু বাহিনী নদীত ১২ খন পকী দলং নির্মাণৰ আঁচনি = ৮.৬৯ কোটি।

(ঘ) কেন্দ্রীয় চৰকাৰৰ দ্বাৰা ইতিমধ্যে তলত দিয়া আঁচনিসমূহ অনুমোদন কৰা হৈছে ঃ-

(১) গোটা জাৱৰ নিষ্কাষণ আঁচনি = ৩৫.১৬ কোটি।

(২) হৰিজনৰ বাবে ১২৩২ টা বহুমূলীয়া আবাস গৃহ নির্মাণৰ আঁচনি = ৫৩.৯৫ কোটি।

(৩) পশ্চিম গুৱাহাটী অঞ্চলৰ খোৱাপানী যোগান আঁচনি=২৮০.৬৯ কোটি। প্ৰথম আঁচনিৰ প্ৰথম কিস্তি ৭.৯১ কোটি টকা ৰাজ্য চৰকাৰে পাইছে। বাকী দুটা আঁচনিৰ প্ৰথম কিস্তিৰ টকা মাৰ্চ মাহৰ ভিতৰতে পোৱাৰ সম্ভাৱনা আছে। প্ৰতিটো আঁচনিৰ ৪ টাকৈ কিস্তি থাকে।

(ঙ) জৱাহৰলাল নেহেৰু নেচনেল আৰবান ৰিনিৱেল মিছনৰ জৰিয়তে লোৱা বিশুদ্ধ খোৱাপানীৰ যোগান আঁচনিৰ বাহিৰে বৰ্তমান তেনে কোনো নতুন আঁচনি গ্ৰহণ কৰা নাই যদিও গুৱাহাটী পৌৰ নিগমত প্ৰচলিত খোৱাপানী যোগান আঁচনিৰ উন্নয়নৰ বাবে ৬.৯ কোটি টকা গুৱাহাটী পৌৰ নিগমক মোকলাই দিয়া হৈছে আৰু জু-ৰোড পানী যোগান আঁচনিৰ বাবে ৫.১১ কোটি টকা মোকলাই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(চ) বিশুদ্ধ খোৱাপানীৰ বাবে জনসাধাৰণে জীয়াতু ভুগিবলগীয়া হোৱা কাৰণে চৰকাৰে আঁচনি ৪ টা প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিছে। ইয়াৰে এটা ইতিমধ্যে অনুমোদন হৈছে।

বিষয় ঃ ৰাইজৰ বাতৰি।

শ্ৰীকেশৰ মহন্তই সুধিছে ঃ

১৪০। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) 'ৰাইজৰ বাতৰি' নামৰ বাতৰি কাকতখন কিমান ছপা কৰা হয় আৰু ইয়াৰ বাবে কিমান টকা খৰচ হয়?

(খ) এই বাতৰি কাকতখন ৰাইজৰ মাজত কি ব্যৱস্থাৰে বিতৰণ কৰা হয়?

(গ) বিজ্ঞাপনৰ জৰিয়তে বাতৰি কাকতৰ পুঁজিলৈ কিমান টকা উপার্জন হয়?

(ঘ) অসম চৰকাৰৰ চৰকাৰী ছপাখালত কাকতখন ছপা কৰা হয় নেকি? যদি নহয়, কিয় কৰা নহয়?

শ্ৰীৰকিবুল হুছেইন (তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) 'ৰাইজৰ বাতৰি' নামৰ সাপ্তাহিক বাতৰি কাকতখন প্ৰতি সপ্তাহত ৫০,০০০ (পঞ্চাশ হাজাৰ) খনকৈ ছপা কৰা হয়। ইয়াৰ বাবে ২০০৩-২০০৪ চনৰ চৰকাৰী অনুমোদিত ছপা নিৰিখ অনুযায়ী প্ৰতি মুদ্ৰণত ৫,৬৩,৭২০ টকাকৈ খৰচ হয়।

(খ) ৰাজহুৱা অনষ্ঠান-প্ৰতিষ্ঠান, ৰাজনৈতিক দল আদিৰ [illegible] সঞ্চালকালয় কাৰ্য্যালয়ৰ বিতৰণ ব্যৱস্থাৰে বিতৰণ কৰা হয়। দুৰণিবটীয়া বিতৰণ ক্ষেত্ৰত ৰাজ্যিক পৰিবহণ নিগমৰ কুৰিয়াৰ চাৰ্ভিচ আৰু ডাক সেৱাৰ সহায় লোৱা হয়। (See Annexure-XX)

(গ) 'ৰাইজৰ বাতৰি'ত কেৱল চৰকাৰী বিজ্ঞাপনহে ছপা কৰা হয় আৰু এই সেৱা এই পৰ্য্যন্ত বিনামূলীয়াকৈ আগবঢ়াই থকা হৈছে। সেয়েহে পুঁজি উপার্জনৰ প্ৰশ্ন নুঠে।

(ঘ) অসম চৰকাৰৰ চৰকাৰী ছপাশালত কাকতখন ছপা কৰা নহয়। কাৰণ চৰকাৰী ছপাশালত ৰঙীণ ছপা কৰাৰ যাৱতীয় সুবিধাসমূহ নাই। তাৰোপৰি চৰকাৰী ছপাশালত বিভিন্ন সময়ত বিভিন্নধৰণৰ ছপাৰ কাম কৰা হয়। কিছুমান অতিশয় জৰুৰী আৰু সময় নিৰ্দ্ধাৰিত কাম কৰা হয়। সেয়েহে চৰকাৰী ছপাশালত নিৰ্দিষ্ট সময়ৰ ভিতৰত সদায়ে ছপা কৰি উলিয়াই দিয়াতো অসুবিধা হয় বাবে এই কাম চৰকাৰী ছপাশালত দিয়া নহয়।

বিষয় ঃ পর্য্যটন আঁচনি।

শ্রীমহিবুল হকে সুধিছে ঃ

১৪১। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা আজিলৈ ধুবুৰী জিলাত পর্য্যটন বিভাগে কি কি আৰু কিমান টকাৰ আঁচনি গ্রহণ কৰিছে?

(খ) ইয়াৰে কোন কোন আঁচনি সম্পন্ন হৈ উঠিছে?

(গ) কোন কোন আঁচনি অসম্পূর্ণ হৈ আছে?

(ঘ) কি কাৰণত আঁচনিসমূহ ৰূপায়ণ হোৱা নাই?

(ঙ) চলিত বিত্তীয় বছৰত ধুবুৰী জিলাৰ বাবে কিবা আঁচনি যুগুত কৰা হৈছে নেকি?

(চ) জিলাখনৰ গৌৰীপুৰ সমষ্টিৰ অন্তর্গত 'সাত-সৰেয়া বিল' আৰু মাটিয়ামগ (বজাৰ অট্টালিকা)ক পর্য্যটনস্থলী হিচাপে উন্নীতকৰণ কৰিবনে?

শ্রীৰকিবুল হুছেইন (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ধুবুৰী জিলাত পর্য্যটন বিভাগে গ্রহণ কৰা আঁচনি আৰু টকাৰ পৰিমাণ তলত উল্লেখ কৰাৰ দৰে ঃ-

(১)	ধুবুৰী চহৰত পর্য্যটন নিবাস নির্মাণ -	টঃ ৭০.৬৬ লাখ
(২)	বিলাসীপাৰাত 'পথৰ কামৰ আপ্যায়ণ কেন্দ্র- (Wayside Amenity Centre)	টঃ ৪৯.৫০ লাখ
(৩)	নেতাই ধুবুনী ঘাটৰ উন্নতিকৰণ-	টঃ ৮৪.১৮ লাখ
(৪)	পাঁচ-পৰী দৰগাহৰ পর্য্যটন সুবিধাকৰণ-	টঃ ৮.৪১ লাখ
(৫)	মহাষ্টমী স্নানঘাটৰ উন্নতিকৰণ-	টঃ ২৫.২৮ লাখ

(৬) স্নানঘাট, খোৱা ঘাট, বগৰীবাৰী পর্য্যটন সা-সুবিধা-টঃ ১৬.৮৬ লাখ

(৭) 'ৰামৰাই কুটি সত্র', সত্রশালত পর্য্যটকৰ সা-সুবিধা-টঃ ২৫.২৬ লাখ

(৮) মানকাচৰ পর্য্যটন উন্নতিকৰণ - টঃ ১৬.৮৪ লাখ

(৯) 'ফ্লৰিকান পার্ক' বিলাসীপাৰা, ধুবুৰী উন্নতিকৰণ- টঃ ২১.০৭ লাখ
আৰু শোভাবর্দ্ধন - টঃ ২১.০৭ লাখ

(১০) ছিমলী বিল, আগমণি, ধুবুৰী জলক্রীড়া উন্নতিকৰণ-টঃ ১৫.৬৬ লাখ

(১১) 'মহামায়া ধাম', বগৰিবাৰী উন্নতিকৰণ - টঃ ২৩.৫৮ লাখ

(১২) আছাৰিকান্দি গ্রাম্য পর্য্যটন - টঃ ৫০.০০ লাখ

(খ) দৰাচলতে উপৰোক্ত তালিকাৰ কেৱল ১২ নং উল্লেখিত আঁচনিখন বাদ দি বাকী আটাইবিলাক প্রকল্প ২০০৫-০৬, ২০০৬-০৭ আৰু ২০০৭-২০০৮ চনত লোৱা হৈছে। আঁচনিসমূহ বর্তমানলৈকে সম্পূর্ণ হৈ উঠা নাই।

(গ) উল্লেখিত সকলোবিলাক আঁচনি বা প্রকল্পৰ কাম বর্তমানে বিভিন্ন পর্য্যায়ত আগবাঢ়ি আছে।

(ঘ) উল্লেখিত আটাইবিলাক আঁচনি ৰূপায়ণ কৰা হ'ব।

(ঙ) চলিত (২০০৭-০৮) বিত্তীয় বছৰত ধুবুৰী জিলাৰ বাবে পর্যটনৰ নতুন প্রকল্পসমূহৰ নাম 'ক' প্রশ্ন উত্তৰত ক্রমিক ৩ ৰ পৰা ১১ লৈ উল্লেখ কৰা হৈছে।

(চ) ভৱিষ্যতে ল'ৰৰ বাবে চালি জাৰি চোৱা হ'ব।

Subject: Weaver Benefit scheme.

Dr. Alaka Sarma asked:

142. Will the Minister of Handloom, Textile & Sericulture be pleased to state:

(a) During 2005-2006 & 2006-2007, whether any relief money was given to weavers who were victims of floods?

(b) If so, in how many districts such scheme have been implemented?

(c) How many beneficiaries have been selected from Nalbari District?

(d) Please give the constituencywise, village-wise list of beneficiaries for Nalbari District?

Sri Pranab Gogoi (Minister, Handloom, Textile and Sericulture) replied:

(a) Yes, during 2005-2006 & 2006-2007 relief money was given to weavers affected by floods.

(b) The scheme has been implemented in 21 districts. District-wise allocation of fund and Nos. of flood affected weavers of 2004-2005 is shown at Annexure 'A' (In reality floods occured in 2004-2005).(See Annexure-XXI)

(c) 3131 Nos. of beneficiaries had been selected in Nalbari District. The names of weavers affected by floods were selected by Revenue Circle Officers and approved by the Deputy Commissioner/ SDO (C) through field verification.

(d) The list of beneficiaries for Nalbari district were prepared by the respective Revenue circle officer circle-wise but not constituency-wise. Hence, constituency-wise lists could not be given. If considered essential, village-wise list under each Revenue circle is available both in the office of the Asstt. Director, Handloom and Textile, Nalbari and in the Directorate of Handloom and Textile, Guwahati. However, 15 (fifteen) sets of such lists are tabled with the answers in order to minimise the avoidable expenditures.

বিষয় ঃ স্বাস্থ্য উপকেন্দ্রৰ সংখ্যা।

শ্রীঅনন্ত ডেকাহি সুধিছে ঃ

১৪৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনত সৰ্বমুঠ কিমানটা স্বাস্থ্য উপকেন্দ্ৰ আছে?

(খ) এই উপকেন্দ্ৰসমূহৰ কিমানটাৰ নিজাগৃহ আছে আৰু কিমানটাৰ নাই?

(গ) গৃহহীন উপস্বাস্থ্য কেন্দ্ৰসমূহৰ গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰা হ'বনে?

(ঘ) এই উপস্বাস্থ্যকেন্দ্ৰসমূহত কৰ্মৰত নাৰ্ছৰ সংখ্যা কিমান?

(ঙ) ৫৭ নং ৰঙিয়া বিধান সভা সমষ্টিত কিমানটা উপস্বাস্থ্য কেন্দ্ৰৰ নিজা ঘৰ নাই? এইবোৰ নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনা আছেনে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৫১০৯ টা।

(খ) নিজাগৃহত চলি থকা স্বাস্থ্য উপকেন্দ্ৰৰ সংখ্যা ঃ- ২৩১৫ টা

ভাৰাঘৰত চলি থকা স্বাস্থ্য উপকেন্দ্ৰৰ সংখ্যা ঃ- ২৭৯৪ টা

(গ) ইতিমধ্যে স্বাস্থ্য উপকেন্দ্ৰৰ নিৰ্মাণৰ বাবে পুঁজি আৱণ্টন ক্ৰমে কাম চলাই থকা হৈছে।

(ঘ) অনুমোদিত পদৰ বিপৰীতে ৫৪৪৮ গৰাকী ANM থকাৰ উপৰিও NRHMৰ পৰা চুক্তিভিত্তিক ২৭০৩ গৰাকী ANM নিযুক্তি দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

(ঙ) ৩২ টা। ইতিমধ্যে ৮ টা স্বাস্থ্যকেন্দ্ৰ নিৰ্মাণৰ কাম চলি আছে। বাকীবোৰ পৰ্য্যায়ক্ৰমে কৰিব পৰা যাব।

বিষয় ঃ মাষ্টাৰ প্লেন।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰকাই সুধিছে ঃ

১৪৪। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটী মহানগৰৰ উন্নয়নৰ বাবে বিভাগে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহায্য লাভ কৰিছে নেকি?

(খ) যদিহে বিত্তীয় সাহায্য লাভ কৰিছে, উক্ত সাহায্যৰ বিপৰীতে 'মাষ্টাৰ প্লেন' যুগুত কৰিছে নেকি?

(গ) যদিহে মাষ্টাৰ প্লেন যুগুত কৰিছে, তেনেহ'লে ইয়াৰ দায়িত্ব কাক দিয়া হৈছে?

(ঘ) গুৱাহাটী উন্নয়নৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব কি আঁচনিৰ ওপৰত দিবলৈ বিচৰা হৈছে?

ড° হিমন্ত বিশ্ব শৰ্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয় লাভ কৰিছে। গোটা জাৱৰ নিষ্কাষণৰ ৩৫.১৬ কোটি টকাৰ অনুমোদিত আঁচনিৰ প্ৰথম কিস্তি ৭.৯১ টকাৰ সাহায্য ৰাজ্য চৰকাৰে লাভ কৰিছে।?

(খ) উক্ত সাহায্যৰ বিপৰীতে মাষ্টাৰ প্লেন যুগুতাবৰ প্ৰয়োজন নাহে। কিয়নো কেন্দ্ৰীয় চৰকাৰে দাখিল কৰা বিস্তৃত প্ৰকল্প প্ৰতিবেদন (Letail Project Report) পৰীক্ষা কৰি অনুমোদন কৰাৰ পিছতহে বিত্তীয় সাহায্য আগবঢ়ায়।

(গ) গুৱাহাটীৰ বাবে সামগ্ৰিকভাৱে মাষ্টাৰ প্লেন যুগুতাবৰ বাবে গুৱাহাটী উন্নয়ন কৰ্তৃপক্ষক দায়িত্ব দিছে। গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই M/S Consulting Engineering Services (India) Pvt. Ltd. ক নিবিদা আহ্বান কৰি খচৰা মাষ্টাৰ প্লেন বনোৱাৰ বাবে নিয়োগ

কৰিছে।

(ঘ) গুৱাহাটী উন্নয়নৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব নিম্নোক্ত আঁচনি... ওপৰত দিবলৈ বিচৰা হৈছে।

(১) সকলো গুৱাহাটীবাসীলৈ ২৪ ঘণ্টা জুৰি বিশুদ্ধ খোৱাপানী যোগান।

(২) বস্তি অঞ্চলত বাস কৰা দুখীয়া লোকৰ বাবে (Slum dwellers) আবাস গৃহ নিৰ্মাণ।

(৩) কৃত্ৰিম বানপানী ৰোধ কৰিবলৈ নলা-নৰ্দমা নিৰ্মাণ।

(৪) পয়-প্ৰণালী (Sewerage) নিৰ্মাণ।

(৫) জলাশয় আৰু জলাধাৰৰ সংৰক্ষণ।

(৬) ৰাস্তা-পথৰ উন্নয়ন।

(৭) ব্ৰহ্মপুত্ৰৰ পাৰ অঞ্চলৰ উন্নয়ন আৰু সৌন্দৰ্য্যবৰ্দ্ধন ইত্যাদি।

বিষয় ঃ পৰ্যটন নিবাস।

শ্ৰীবলিন চেতিয়াই সুধিছে ঃ

১৪৫। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বুৰঞ্জী প্ৰসিদ্ধ তথা আকৰ্ষণ বিন্দু স্বৰূপ শদিয়ালৈ প্ৰত্যেক বছৰে শ শ পৰ্য্যটন অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহাটো চৰকাৰ অৱগতনে?

(খ) পৰ্য্যটকৰ আকৰ্ষণ বিন্দু স্বৰূপ শদিয়ালৈ পৰ্য্যটক আহি পৰ্য্যটকৰ নিবাস আদি নথকাত যথেষ্ট অসুবিধাৰ সৃষ্টি হোৱাটো চৰকাৰ জ্ঞাত নে?

(গ) উক্ত অঞ্চলত পৰ্য্যটকৰ সুবিধাৰ হেতু পৰ্য্যটক নিবাস নিৰ্মাণৰ কিবা

ব্যৱস্থা লৈছেনে?

(খ) যদি কোনো ব্যৱস্থা লোৱা নাই, তেন্তে পর্য্যটন বিভাগে শদিয়াত [illegible] নিবাস নির্মাণৰ কি আঁচনি গ্রহণ কৰিব, জনাবনে?

শ্রী নিজামুল হুছেইন (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) শদিয়াত পর্য্যটক নিবাস নথকা কথাটো সত্য নহয়। অসম পর্য্যটনৰ অধীনত সকলো সুবিধাসহ এটা চাৰি কোঠাযুক্ত পর্যটক নিবাস আছে। ব্যক্তিগত খণ্ডৰ যোগেদি ভাড়াভিত্তিত এই নিবাস চলাই থকা হৈছে। অৱশ্যে পর্য্যটকৰ বাবে শদিয়াত থকা সা-সুবিধাসমূহ পর্য্যাপ্ত নোহোৱাৰ বিষয়টোৰ সম্পর্কে চৰকাৰ অৱগত।

(গ) লোৱা হৈছে।

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ উন্নয়ন প্রকল্প।

শ্রীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

১৪৬। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) গুৱাহাটী মহানগৰৰ উন্নয়নৰ বাবে চৰকাৰে পৰিকল্পনা যুগুত কৰিছেনে?

(খ) গুৱাহাটী মহানগৰৰ উন্নয়নৰ বাবে কেন্দ্রীয় চৰকাৰে ধনৰ আৱণ্টন দিছেনে?

(গ) গুৱাহাটী মহানগৰৰ উন্নয়নৰ বাবে চৰকাৰে কিমানটা আৰু কি কি প্রকল্প

কেন্দ্রীয় চৰকাৰক দাখিল কৰিছে?

ড° হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰিছে।

(খ) হয়, দিছে।

(গ) গুৱাহাটী উন্নয়ন বিভাগে মহানগৰীৰ উন্নয়নৰ বাবে জৱাহৰলাল নেহেৰু ৰাষ্ট্রীয় নগৰ পুনৰ জীৱন আঁচনিৰ অধীনত তলত উল্লেখ কৰা ব্যৱস্থাসমূহ গ্রহণ কৰি কেন্দ্রীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্রেৰণ কৰিছেঃ

(১) গুৱাহাটী মহানগৰৰ জাৱৰ নিষ্কাষণৰ বাবে কেন্দ্রীয় চৰকাৰে মুঠ ৩৫.১৬ কোটি টকাৰ আঁচনিত অনুমোদন কৰি ইয়াৰে প্রথম কিস্তি হিচাপে ৭.৯১ কোটি টকা মোকলাই দিছে।

(২) গুৱাহাটীৰ ফটাশিল, মৰাশালি আৰু চোলাপাৰাৰ বস্তি (Slum) অঞ্চলত বসবাস কৰা লোকৰ বাবে সর্বমুঠ ১২৩২ টা পকী আবাসগৃহ নির্মাণৰ বাবে মুঠ ৫৩.৯৫ কোটি টকাৰ আঁচনি কেন্দ্রীয় চৰকাৰে যোৱা ৫/২/০৭ তাৰিখে অনুমোদন জনাইছে।

(৩) গুৱাহাটী মহানগৰ উন্নয়ন কর্তৃপক্ষৰ অধীনৰ সমূহ জনসাধাৰণক ২৪ ঘণ্টা জুৰি খোৱাপানী যোগানৰ বাবে মুঠ ৪ (চাৰি)খন আঁচনি প্রস্তুত কৰি যোৱা ৬/২/০৮ তাৰিখে কেন্দ্রীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্রেৰণ কৰা হৈছিল তলত দিয়া ধৰণেৰে। তাৰে প্রথমটো কেন্দ্রীয় চৰকাৰে অনুমোদন কৰিছেঃ

(i) দক্ষিণ গুৱাহাটীৰ পশ্চিম সংমণ্ডল খোৱাপানী = মুঠ ২৮০.৬৯ কোটি। যোগান আঁচনি।

(ii) দক্ষিণ গুৱাহাটীৰ পূব সংমণ্ডল খোৱাপানী = মুঠ ২৩৩.১৫ কোটি।

যোগান আঁচনি।

(iii) দক্ষিণ গুৱাহাটীৰ কেন্দ্রীয় অঞ্চলৰ খোৱাপানী যোগান আঁচনি। = মুঠ ৩০২.৩২ কোটি।

(iv) উত্তৰ গুৱাহাটী সংমণ্ডলৰ খোৱাপানী যোগান আঁচনি। = মুঠ ১৮২.০০ কোটি।

(৪) গুৱাহাটীৰ ভৰলুমুখৰ আৰ. কে চৌধুৰী পথত ৰেললাইনৰ ওপৰত উৰণীয়া সেঁতু নির্মাণৰ বাবে মুঠ ৫৩.৪৯ কোটি টকাৰ আঁচনি প্রস্তুত কৰি অনুমোদনৰ বাবে কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হৈছে।

(৫) গুৱাহাটীৰ ভৰলু আৰু বাহিনী নদীৰ ওপৰত থকা কাঠৰ দলঙৰ সলনি মুঠ ১২খন পকী দলং নির্মাণৰ বাবে মুঠ ৮.৬৯ কোটি টকাৰ আঁচনি প্রস্তুত কৰি অনুমোদনৰ বাবে কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হৈছে।

বিষয় ঃ গঁড়ৰ সংখ্যা।

ডাঃ তাৰা প্রসাদ দাসে সুধিছে ঃ

১৪৭। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমৰ বিভিন্ন বনাঞ্চলত থকা বর্তমান গঁড়ৰ সংখ্যা কিমান ?

(বিভিন্ন বনাঞ্চলৰ নাম উল্লেখ কৰি পৃথকে পৃথকে তথ্য দাখিল কৰিব)

(খ) ২০০৭-২০০৮ বর্ষত অসমৰ বনাঞ্চলসমূহত কিমানটা গড় স্বাভাৱিকভাৱে মৃত্যু মুখত পৰিল আৰু কিমানটা গড় চোৰাং চিকাৰীৰ হাতত নিধন

হ'ল?

(বনাঞ্চলৰ নাম উল্লেখ কৰি পৃথকে পৃথকে তথ্য দাখিল কৰিব)

(গ) যোৱা কিছুদিনৰ পৰা অভাৱনীয়ভাৱে বৃদ্ধি পোৱা চোৰাং চিকাৰীৰ হাতত কাজিৰঙা অভয়াৰণ্যৰ গঁড় নিধন কাৰ্য্য ৰোধ কৰাৰ বাবে চৰকাৰে বৰ্তমানলৈ কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বনাঞ্চল আৰু গঁড়ৰ সংখ্যা তলত দিয়া হ'ল ঃ

কাজিৰঙা	- ১৮৫৫ টা
মানাহ	- ৩ টা
ওৰাং	- ৬৮ টা
পবিতৰা	- ৮১ টা
মুঠ	- ২০০৭ টা

(খ) ২০০৭-০৮ বৰ্ষত গঁড় নিধনৰ তথ্য তলত দিয়া হ'ল ঃ

বনাঞ্চল	স্বাভাৱিকভাৱে হোৱা মৃত্যু	চোৰাং চিকাৰীৰ হাতত হোৱা মৃত্যু
(১) কাজিৰঙা	১০১ টা	১৯ টা
(২) ওৰাং	৭ টা	২ টা
(৩) পবিতৰা	১ টা	নাই

(গ) বন বিভাগে তলত উল্লেখ কৰা প্ৰতিৰোধ আৰু প্ৰতিকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছেঃ

(১) কটকটীয়া পহৰা তথা টহলদাৰী ব্যৱস্থা।

(২) অত্যাধুনিক বেঁতাৰ যন্ত্ৰৰ দ্বাৰা দ্ৰুত যোগাযোগ ব্যৱস্থা।

(৩) উদ্যানৰ দাঁতি কাষৰীয়া ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ ব্যৱস্থা।

(৪) চোৰাং চিকাৰীৰ প্ৰতিৰোধ কৰা শিবিৰ (বন শিবিৰ), পহৰা-পথ ইত্যাদিৰ ব্যৱস্থা তথা উন্নীতকৰণ।

(৫) তৎকালীনভাৱে ১০০ জন সশস্ত্ৰ গৃহৰক্ষী মোতায়ন কৰা হৈছে।

(৬) গোপনে তথ্য আহৰণৰ ব্যৱস্থা, যাতে আগতীয়া প্ৰতিৰোধৰ ব্যৱস্থা ল'ব পৰা যায়।

(৭) ১০০ টা থ্ৰী নট্ থ্ৰী ৰাইফল কাজিৰঙাৰ জন্তু সুৰক্ষাৰ বাবে প্ৰহৰীৰ ব্যৱহাৰৰ বাবে প্ৰেৰণ কৰা হয়।

(৮) ৫০ টা খালী হৈ থকা পদত বন কৰ্মী নিযুক্তি দিয়া হৈছে আৰু বাকী থকা ঘাচী আৰু মাউতৰ খালী পদখিনি অচিৰে পূৰণ কৰাৰ দিহা কৰা হৈছে।

(৯) ৰাষ্ট্ৰীয় ঘাই পথৰ কাষেদি নতুনকৈ ফৰেষ্ট কেম্প বনোৱাৰ কাম হাতত লোৱা হৈছে।

(১০) ১২ জনীয়া এটা বিশেষজ্ঞ কমিটি গঠন কৰা হৈছে আৰু তেওঁলোকে কাজিৰঙাত চৰজমিন তদন্ত কৰি সকলো দিশ চালি জাৰি চাই এটা প্ৰতিবেদন দাখিল কৰিছে। তেওঁলোকৰ প্ৰতিবেদনখনৰ পৰামৰ্শ মতে এইবোৰৰ বাস্তবায়নৰ কাৰণে চৰকাৰে গুৰু সহকাৰে পদক্ষেপ লোৱাৰ দিহা কৰিছে।

(১১) ইতিমধ্যে এজন অতিৰিক্তভাৱে মুখ্য ব সংৰক্ষক, এজন উপ-বন সংৰক্ষক আৰু চাৰিজন বনাঞ্চলিক বিষয়া কাজিৰঙাত বাহৰ পাতি কাজিৰঙা অভয়াৰণ্যৰ বিষয়া কৰ্মচাৰীক লক সহায়-সহযোগ কৰাৰ

বাবে আদেশ দিয়া হৈছে আৰু তেওঁলোকে সেইমর্মে কাম কৰি আছে। উপৰোক্ত ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ ফলস্বৰূপে যোৱা কেইদিনত বন বিভাগে ১২ জন চোৰাং চিকাৰীক কৰায়ত্ব কৰিবলৈ সক্ষম হৈছে। ইয়াৰোপৰি উদ্যানৰ দাতিকাষৰীয়া গাঁও, চাহ-বাগান, হোটেল আৰু ধাবাবিলাকৰ কৰ্তৃপক্ষৰ লগত মেল-মিটিং পাতি তেওঁলোকৰ সহযোগ বিচৰা হৈছে।

(১২) ইতিমধ্যে অসম চৰকাৰে এক অধিসূচনাৰ জৰিয়তে সংসদীয় কমিটি বিভাগৰ প্ৰধান সচিবক লৈ এজনীয়া কমিটি গঠন কৰি দিছে আৰু কমিটিক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্দ্ধিত হাৰত গঁড়ৰ চোৰাং চিকাৰ হোৱাৰ কাৰণসমূহ আৰু তাৰ প্ৰতিৰোধৰ ব্যৱস্থা আৰু পৰামৰ্শ এমাহৰ ভিতৰত আগবঢ়াবলৈ নিৰ্দেশ দিয়া হৈছে।

বিষয় ঃ গুৱাহাটী নগৰৰ বিকাশ।

শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ

১৪৮। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০৬-০৭-০৮ বিত্তীয় বৰ্ষত গুৱাহাটী উন্নয়ন বিভাগে গুৱাহাটী নগৰ বিকাশৰ বাবদ এতিয়ালৈকে কিমান টকা ব্যয় কৰিছে? কেন্দ্ৰ তথা ৰাজ্য চৰকাৰৰ অৰ্থৰ আৰণ্টন কিমান আছিল? মাষ্টাৰ প্লেন আছেনে?

(খ) গুৱাহাটী খাৰঘূলিৰ উজানবজাৰৰ পৰা ব্ৰহ্মসেৰা আশ্ৰমলৈ যোৱা জৰাজীৰ্ণ পকী ৰাস্তাৰ পুনৰ নিৰ্মাণৰ বাবে সংশ্লিষ্ট বিভাগে কি ব্যৱস্থা লৈছে? পুনৰ মেৰামতৰ বাবে ব্যৱস্থা লৈছেনে?

(গ) ভূমিস্খলনৰ পৰা ৰক্ষণাবেক্ষণৰ বাবে ব্ৰহ্মসেৱা আশ্ৰমৰ চাৰিওফালে পকী দেৱাল নিৰ্মাণ কৰিবনে?

(ঘ) দীপৰ বিল গুৱাহাটী উন্নয়নৰ অন্তৰ্ভুক্তনে?

(ঙ) যদি হয়, হায়দৰাবাদ চহৰৰ হুছেইন সাগৰৰ লেখিয়া দীপৰ বিলখন পৰ্য্যটনৰ আকৰ্ষণীয় পৰ্য্যটনলৈ উন্নীত কৰিবলৈ ব্যৱস্থা ল'বনে?

ড° হিমন্ত বিশ্ব শৰ্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বৰ্ষত গুৱাহাটী উন্নয়ন বিভাগে গুৱাহাটী নগৰ বিকাশৰ বাবদ এতিয়ালৈকে তলত দিয়া ধৰণে টকা ব্যয় কৰিছে।

টকা ব্যয় ঃ-

২০০৬-০৭

পৰিকল্পনা শিতান	=	২৬৮০.০০ লাখ।
পৰিকল্পনা বৰ্হিভূত	=	১৩৪১.০০ লাখ।
দ্বাদশ বিত্ত আয়োগ	=	১৫৪.৯৭ লাখ।
মুঠ	=	৪১৭৫.৯৭ লাখ।

২০০৭-০৮

পৰিকল্পনা শিতান	=	২৩৫০.০০ লাখ।
পৰিকল্পনা বৰ্হিভূত	=	৮০৪.০০ লাখ।
দ্বাদশ বিত্ত আয়োগ	=	১৩৬৯.৯৭ লাখ।
মুঠ	=	৪৫২৩.০০ লাখ।

মুঠ ব্যয় ঃ ৪১৭৫.৯৭ + ৪৫২৩.০০ = ৮৬৯৮.৯৭ লাখ

কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ আৱণ্টন

২০০৬-০৭

কেন্দ্রৰ আৱণ্টন = ৬৪২৫.০০ লাখ।

ৰাজ্য চৰকাৰৰ আৱণ্টন = ১৩৪১.০০ লাখ।

২০০৭-০৮

কেন্দ্রৰ আৱণ্টন = ১,২৮,৯৩.০০ লাখ।

ৰাজ্য চৰকাৰৰ আৱণ্টন = ৮০৪.০০ লাখ।

মাষ্টাৰ প্লেন আছে।

(খ) খাৰঘূলিৰ নুনমাটি পথৰ পৰা ব্রহ্মসেৱা আশ্রমলৈ যোৱা পথটোৰ গড়কাপ্তানি বিভাগৰ অধীনৰ ২০০ মিটাৰ পথৰ অৱস্থা ভাল। বাকী ৬০০ মিটাৰ পথৰ অৱস্থা ভাল নহয়। পুঁজি সৰবৰাহ হ'লে বাকী অংশৰ মেৰামতিৰ ব্যৱস্থা হাতত লোৱা হ'ব।

(গ) সদ্যহতে তেনে কোনো আঁচনি চৰকাৰে লোৱা নাই।

(ঘ) হয়।

(ঙ) গুৱাহাটী উন্নয়ন বিভাগৰ দ্বাৰা দীপৰ বিল আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহক লৈ পর্য্যটকৰ আকর্ষণীয় কেন্দ্র হিচাপে গঢ়ি তোলাৰ কাৰণে N.B.C.C.ৰ দ্বাৰা এটা বিস্তৃত প্রকল্প প্রতিবেদন (D.P.R) প্রস্তুত কৰি থকা হৈছে।

বিষয় ঃ ডাক্তৰ, নার্ছৰ নিযুক্তি।

শ্রীদ্রুপদ বৰগোহাঁইয়ে সুধিছে ঃ

১৩৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) নাজিৰাৰ লিগিৰী পুখুৰীত ১০০ বিছনাযুক্ত চিকিৎসালয়খন উন্মোচন কৰাৰ ছমাহৰ পিছতো চিকিৎসালয়খনত প্রয়োজনীয় ডাক্তৰ, নার্ছ আৰু স্বাস্থ্য বিষয়া কর্মীসকলক নিযুক্তি নিদিয়াৰ কাৰণ কি?

(খ) এই নিযুক্তি সম্পূর্ণ কৰিবৰ বাবে চৰকাৰক কিমান দিনৰ আৱশ্যক হ'ব?

(গ) চিকিৎসালয়খনৰ আধৰুৱা হৈ থকা ঘৰ সম্পূর্ণকৈ বনোৱাৰ বাবে চৰকাৰে পুঁজি কেতিয়া মোকলাই দিব?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রয়োজনীয় পদৰ অভাৱত চিকিৎসালয়খনত ডাক্তৰ, নার্ছ আদি নিযুক্তি দিব পৰা হোৱা নাছিল। ইতিমধ্যে চিকিৎসক আৰু অন্যান্য পদসমূহ সৃষ্টি কৰি মঞ্জুৰী দিয়া হৈছে।

(খ) A.P.S.C. ৰ পৰা Select list পোৱাৰ পিছত কনিষ্ঠ চিকিৎসক নিযুক্তি দিব পৰা যাব। জ্যেষ্ঠ চিকিৎসকসকলক পদোন্নতি প্রক্রিয়া সম্পূর্ণ হ'লে দিয়া হ'ব। অন্যান্য পদসমূহ পর্য্যায়ক্রমে বাছনি সম্পূর্ণ কৰি দিব পৰা যাব।

(গ) N.R.H.M. ৰ পৰা পর্য্যায়ক্রমে ব্যৱস্থা লোৱা হৈছে। যোৱা বিত্তীয় বর্ষত (২০০৬-২০০৭) মুঠ ১৪.৯০ লাখ টকা আন্তঃগাঁথনি উন্নয়নৰ বাবে দিয়া হয়।

Sub : Percentage of death.

Dr. Kamala Kanta Kalita asked :

150. Will the Minister of Health and Family Welfare be pleased to state :

(a) What is the percentage of neonatal death in India?

(b) Whether neonatal death rate in Assam is above or below the National average?

(c) What is the present percentage if rate of under five Children death (U5 MR) in India?

(d) What is the present rate of death U5 MR in Assam?

Dr. Himanta Bishwa Sarma (Minister of Health Family Welfare) replied :

(a) The neonatal death rate in India is 37 per 1000 live birth as per report of CBHI 2007.

(b) The neonatal death rate in Assam is below the national average as per report of CBHI 2007.

(c) Mortality rate of under -5 in India is 74.3 per 1000 live birth as per report of NFHS-III 2006.

(d) Mortality rate of under -5 in Assam is 85 per 1000 live birth as per report of NFHS III 2006.

বিষয় ঃ এন, আৰ, এইচ, এম আঁচনি।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

১৫১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ডিগবৈ Civil Hospitalত NRHM আঁচনিযোগে কি কি সুবিধা দিয়া হৈছে?

(খ) এই হস্পিতালত যোৱা বছৰত কিমান সংখ্যক আভ্যন্তৰীণ ৰোগী (Indoor patients) আৰু বহিঃ বিভাগৰ ৰোগীক চিকিৎসা কৰা হৈছে?

(সংখ্যা দিব)

(গ) এই ৰোগীসকলৰ ভিতৰত কিমান গৰাকী গৰ্ভৱতী মহিলাক চিকিৎসা কৰা হৈছে আৰু কিমানজনক refer কৰা হৈছে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চিকিৎসালয় গৃহ ও বৈদ্যুতিক ব্যৱস্থাৰ মেৰামতি কামৰ উপৰিও এটি প্রসূতি গৃহ নির্মাণ কৰা হৈছে। তদুপৰি ডিগবৈ সামূহিক স্বাস্থ্য কেন্দ্রৰ বাবে ভাৰতীয় জনস্বাস্থ্য মানদণ্ড (IPHS) আন্তঃগাঁথনি পর্য্যায়লৈ উন্নীত কৰাৰ বাবে ৩১.০ লাখ টকাৰ প্রশাসনিক অনুমোদন ইতিমধ্যে দিয়া হৈছে। ইয়াৰোপৰি চুক্তিভিত্তিত দন্ত চিকিৎসক আৰু ছয় গৰাকী নিয়োগ কৰা হৈছে। বিভিন্ন চিকিৎসা ব্যৱস্থা প্রদানৰ লগতে আনুষংগিক সুৰক্ষা আঁচনি ৰূপায়ণ, Ambulance সেৱা ব্যৱস্থা, চিকিৎসালয়ৰ বিছনাসমূহ উন্নতকৰণ ইত্যাদি সুবিধাসমূহ প্রদান কৰাৰ উপৰিও ওপৰত উল্লেখিত চিকিৎসা সামগ্রীসমূহ NRHMৰ পৰা যোগান ধৰা হৈছে।

100 MA X-Ray Machine	ECG Machine
B/W ultra sound Machine	Halogen
	Phototheraphy
Bedside Card Monitor	Boyle's apparatus with accessories
OT Table (Hydrolic)	Instrument Trolley high quality
Invalid wheel chair	Oxygen Cylinder with flow met
Radiant Warmer	stretcher Trolley on Top
Vibration free Blood Bank	Ref.Hospital Beds.

(খ) যোৱা বছৰত আভ্যন্তৰীণ ৰোগীৰ সংখ্যা = ২৩৪৫ আৰু

বহিঃবিভাগৰ ৰোগীৰ সংখ্যা = ৩৩,৬১১ জন

(গ) এই ৰোগীসকলৰ ভিতৰত ৮২৬ গৰাকী গর্ভৱতী মহিলাক চিকিৎসা কৰা হৈছে। ১৫৩ গৰাকী গর্ভৱতী মহিলাক উন্নত চিকিৎসাৰ ব্যৱস্থাৰ বাবে Refer কৰা হৈছে।

বিষয় ঃ চিকিৎসালয়ৰ সুবিধা।

শ্রীৰাজু চাহয়ে সুধিছে ঃ

১৫২। **মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ ৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ**

(ক) তিনিচুকীয়াত অৱস্থিত লোকপ্রিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়খনত বর্তমান কিমান গৰাকী ডাক্তৰ, নার্ছ তথা ষ্টাফ আছে?

(খ) এই চিকিৎসালয়খনত কেনে ধৰণৰ দৰব তথা অন্যান্য চিকিৎসাজনিত সামগ্রী পোৱা যায়? (বিস্তৃত তথ্য সদনত দাখিল কৰিব)

(গ) চিকিৎসালয়খনত আধুনিক কি কি চিকিৎসা ব্যৱস্থাৰ সুবিধা আছে?

(ঘ) চিকিৎসালয়খনত চৰকাৰে ভৱিষ্যতলৈ কেনে ধৰণৰ অত্যাধুনিক সা-সুবিধাৰ পৰিকল্পনা কৰিছে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) তিনিচুকীয়াত অৱস্থিত লোকপ্রিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়খনত তলত উল্লেখ কৰা ধৰণে ডাক্তৰ, নার্ছ তথা ষ্টাফ আছে।

ডাক্তৰ—	২৬ জন
নার্ছ—	২৪ জনী
ফার্মাচিষ্ট—	৫ জন
লেবেৰেটৰী টেক্‌নিচিয়ান—	৪ জন
ৰেডিঅ গ্রাফাৰ—	২ জন

ড্রেচাৰ— ২ জন

চতুর্থ শ্রেণীৰ কর্মচাৰী— ৩৮ জন

(খ) দৰবৰ তালিকা প্র-পত্র 'ক'ত গাঁঠি দিয়া হ'ল। (See Annexure-XXII) অসামৰিক চিকিৎসালয় এখনৰ প্রয়োজনীয় চিকিৎসা সঁজুলিসমূহ আছে।

(গ) এক্স-ৰে, আল্ট্রাছাউণ্ড, ডিফেব্রিলেটৰ মণিটৰ, তেজৰ এলিজা পৰীক্ষা ইত্যাদি ব্যৱস্থা আছে। তদুপৰি NRHM ৰ জৰিয়তে ২০০৬-০৭ চনত কিছুসংখ্যক প্রয়োজনীয় আচবাব পত্র ও অন্যান্য সঁজুলি যোগান ধৰা হৈছে।

(ঘ) চিকিৎসালয় উন্নয়ন এটা নিৰন্তৰ প্রক্রিয়া।

বিষয় ঃ ক্ষুদ্র প্রাথমিক স্বাস্থ্য কেন্দ্র স্থাপন।

ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ

১৫৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমত সম্প্রতি ক্ষুদ্র প্রাথমিক স্বাস্থ্য কেন্দ্র বা প্রাথমিক স্বাস্থ্য কেন্দ্র স্থাপনৰ প্রস্তাব আছেনে?

(খ) যদি আছে, কোন কোন ঠাইত স্থাপনৰ প্রস্তাব আছে জনাবনে?

(গ) ভৱানীপুৰ সমষ্টিৰ BTAD এলেকাৰ অন্তর্গত গাঁও গাতিত এনে চিকিৎসালয় স্থাপনৰ চিন্তা চৰকাৰে কৰিছেনে?

(ঘ) যদি কৰিছে, ই কেতিয়া বাস্তৱায়িত হ'ব?

(ঙ) যদি কৰা নাই, শীঘ্রে স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে?

(চ) যদি শীঘ্রে ব্যৱস্থা গ্রহণ কৰে, তেতিয়া হ'লে ২০০০ চনতে ৰাইজৰ বিপুল দাবীত আৰু চৰকাৰৰ পৃষ্ঠপোষকতাত যি স্থানত চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰা হৈছিল তাতেই গাতিৰ চিকিৎসালয়খন স্থাপন কৰা হ'বনে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রাথমিক স্বাস্থ্য কেন্দ্র স্থাপনৰ প্রস্তাৱ আছে।

(খ) পৰীক্ষাধীন পর্যায়ত আছে।

(গ) নির্দ্ধাৰিত সময়ত দিব পৰা নাযাব।

(ঘ)
(ঙ) } এতিয়াই সঠিককৈ ক'ব পৰা নাযাব।
(চ)

বিষয় ঃ কেন্দ্রীয় চৰকাৰৰ অনুদান।

শ্রীৰছুল হকে সুধিছে ঃ

১৫৮। মাননীয় পর্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিত্তীয় বর্ষ ২০০৬-২০০৭ আৰু ২০০৭-২০০৮ [illegible] কেন্দ্রীয় চৰকাৰে অসমৰ পর্য্যটনৰ বিভিন্ন আঁচনি ৰূপায়ণৰ বাবে [illegible]ান টকাৰ [illegible]ান দিছিল?

(খ) উক্ত টকা কোন কোন শিতানত খৰচ কৰা হ'ল।

(গ) ধুবুৰী জিলাত থকা ঐতিহ্যমণ্ডিত নেতাই ধুবুনী ঘাট, পাচপীৰ দৰগাহ, মহামায়া মন্দিৰ, গৌৰীপুৰৰ ৰাজবাৰী ইত্যাদি সংৰক্ষণ কৰি পর্য্যটকৰ আকর্ষণ স্থলী কৰিবৰ বাবে আঁচনি গ্রহণ কৰিছে নেকি ?

শ্রীৰকিবুল হুছেইন (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিত্তীয় বর্ষ ২০০৬-২০০৭ চনত মুঠ ১৯.৭০ কোটি আৰু ২০০৭-২০০৮ বর্ষত ১২.৬২ কোটি টকা কেন্দ্রীয় চৰকাৰে অসমৰ পর্য্যটনৰ বিভিন্ন আঁচনি ৰূপায়ণৰ বাবে অনুদান দিছে।

(খ) খৰচৰ বিভিন্ন শিতানসমূহ সংলগ্ন (Annexure-A) দাখিল কৰা হ'ল। (See Annexure-XXIII)

(গ) ধুবুৰী জিলাত থকা ঐতিহ্যমণ্ডিত নেতাই ধুবুনী ঘাটৰ পাৰঘাট নির্মাণ, পর্য্যটকৰ বাবে বহাৰ সুবিধা, কাফেটেৰিয়া, নিৰীক্ষণ টাৱাৰ, বর্তমানৰ শিশু উদ্যানৰ পুনৰ নির্মাণ আৰু সৌন্দর্য বৃদ্ধিকৰণ ও টয়লেট নির্মাণৰ কাম লোৱা হৈছে।

সেইদৰে পাচপীৰ দৰগাহ চৌহদৰ পকীবেৰ আৰু গেট নির্মাণ আৰু টয়লেট নির্মাণৰ বাবে আঁচনি লোৱা হৈছে।

মহামায়া মন্দিৰৰ ক্ষেত্রত চাৰিওকাষৰ লেণ্ডস্কেপিং, আৰু যাত্রীৰ সুবিধাৰ বাবে টয়লেট আৰু মন্দিৰৰ সৌন্দর্য্য বৃদ্ধিকৰণৰ বাবে আঁচনি গ্রহণ কৰা হৈছে। ইয়াৰ বাবে ২০০৭-২০০৮ বর্ষত আঁচনি গ্রহণ কৰি কেন্দ্রীয় চৰকাৰৰ পৰা মঞ্জুৰি লাভ কৰা হৈছে। এই আঁচনিৰ নাম "Development of Tourist Circuit Dhubri- Mahamaya-Barpeta-Hajo in Assam.

গৌৰীপুৰৰ ৰাজবাৰীৰ ওপৰত কোনো আঁচনি গ্রহণ কৰা নাই যদিও

গৌৰীপুৰত এটা মিউজিয়াম আৰু এটা 'লোক কলা' (Folk Art) ৰ ওপৰত প্ৰকল্প লোৱা হৈছে। তাৰ উপৰি পানবাৰী ৰঙামাটি মজজিদ, সত্ৰশালৰ ৰামৰায়কুটি সত্ৰ আৰু বগৰীবাৰীৰ সৰাঘাট আৰু স্নান ঘাট নিৰ্মাণৰ বাবে আঁচনি লোৱা হৈছে।

বিষয় ঃ এশিঙীয়া গঁড়।

শ্ৰীমহিবুল হকে সুধিছে ঃ

১৫৫। **মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ভাৰতৰ ভিতৰত কোনখন প্ৰদেশৰ কোনখন অভয়াৰণ্যত এশিঙীয়া গঁড়ৰ সংখ্যা বেছি?

(খ) কাজিৰঙা অভয়াৰণ্যত সৰ্বমুঠ কিমান গঁড় আছে আৰু অন্যান্য অভয়াৰণ্যত কিমান গঁড় আছে?

(গ) যোৱা ৫ বছৰত কোন কোন বছৰত কিমানটাকৈ গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰিছে?

(ঘ) প্ৰতিটো গঁড় তথা ইয়াৰ শিঙৰ আন্তঃৰাষ্ট্ৰীয় মূল্য কিমান?

(ঙ) যোৱা ৫ বছৰৰ পৰা আজি (১৯-২-০৮) তাৰিখলৈ কিমানজন চোৰাং চিকাৰী গ্ৰেপ্তাৰ কৰা হৈছে?

(চ) গঁড় হত্যা সম্পৰ্কে ব্যাপক গণ-আন্দোলন উত্থাপি হোৱাৰ মূল কি?

(ছ) এই আন্দোলন / প্ৰতিবাদ চৰকাৰে কি হিচাপে লৈছে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যৰ কাজিৰঙা অভয়াৰণ্যত।

(খ) কাজিৰঙাত ১০৫টা, পবিতৰাত ৮১টা, ওৰাঙত ৬৮টা আৰু মানাহত ৩টা গঁড় আছে।

(গ) ২০০৩ৰ পৰা ২০০৭ চনৰ ভিতৰত চোৰাং চিকাৰীয়ে হত্যা কৰা গঁড়ৰ সংখ্যা ঃ-

২০০৩ - ৬টা

২০০৪ - ৫টা

২০০৫ - ১২টা

২০০৬ - ৯টা

২০০৭ - ২১টা

মুঠ- ৫৩টা

(ঘ) বন বিভাগ অৱগত নহয়

(ঙ) তথ্য তলত উল্লেখ কৰা ধৰণৰ

বছৰ	গ্ৰেপ্তাৰ হোৱা চিকাৰীৰ সংখ্যা
২০০৩	৮ জন
২০০৪	৩৫ জন
২০০৫	৫৪ জন
২০০৬	৫৩ জন
২০০৭	৩৯ জন
২০০৮ (১৯/২/০৮ তাৰিখলৈ)	১৮ জন
মুঠ-	১৯৮ জন

(চ) যদিও গঁড় হত্যা সম্পর্কে এনেধৰণৰ প্ৰতিবাদ বিগত বছৰবোৰত প্ৰবলভাৱে দেখা নগৈছিল, পলমকৈ হ'লেও এই সম্পর্কে ৰাইজৰ মাজত সজাগতা বাঢ়িছে কিয়নো গঁড় অসমৰ এক আপুৰুগীয়া ৰাষ্ট্ৰীয় সম্পদ আৰু পর্য্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু।

(ছ) মানুহৰ সদৰ্থক শুভভাৱনা আৰু গঁড় সংৰক্ষণৰ প্ৰতি থকা গভীৰ দায়বদ্ধতা হিচাপে চৰকাৰে এই কথাবোৰ গ্ৰহণ কৰিছে।

বিষয় ঃ পুনৰ জীৱন আঁচনি।

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ

১৫৬। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাষ্ট্ৰীয় নগৰ পুনৰ জীৱন আঁচনিৰ অধীনত গুৱাহাটীক সামৰি লোৱা হৈছেনে?

(খ) যদি হৈছে, এই আঁচনিৰ অধীনত গুৱাহাটী উন্নয়নৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু এই আঁচনিসমূহত কিমান টকা ব্যয় নিৰ্দ্ধাৰণ কৰা হৈছে?

(গ) এতিয়ালৈ এই আঁচনিৰ অন্তৰ্গত গুৱাহাটী উন্নয়নৰ বাবে কিমান টকা ব্যয় কৰা হৈছে?

ড° হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, গুৱাহাটীক ৰাষ্ট্ৰীয় নগৰ পুনৰ নির্মাণ আঁচনিৰ অধীনত সামৰি লোৱা হৈছে।

(খ) এই আঁচনিৰ অধীনত গুৱাহাটী মহানগৰ উন্নয়নৰ বাবে তলত উল্লেখ

কৰা ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে ঃ-

(১) গুৱাহাটী মহানগৰীৰ জাৱৰ নিষ্কাষণ (Solid Waste Management) ৰ বাবে কেন্দ্ৰীয় চৰকাৰে মুঠ ৩৫.১৬ কোটি টকাৰ আঁচনি অনুমোদন কৰি ইয়াৰে প্ৰথম কিস্তি হিচাপে ৭.৯১ কোটি টকা মোকলাই দিছে আৰু ৰাজ্য চৰকাৰৰ অংশ হিচাপে ৮৭.৯২ লাখ টকা আঁচনি ৰূপায়ণৰ বাবে মোকলাই দিয়া হৈছে।

(২) গুৱাহাটীৰ ফটাশিল, মৰাশালি আৰু চোলাপাৰা আদিৰ বস্তি (Slum) অঞ্চলত বাস কৰা লোকৰ বাবে সৰ্বমুঠ ১২৩২ টা পকী আবাসগৃহ নিৰ্মাণৰ বাবে মুঠ ৫৩.৯৫ কোটি টকাৰ আঁচনি যোৱা ৫-২-২০০৭ তাৰিখে কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰিছে। বৰ্তমানলৈকে ৰাজ্য চৰকাৰে ইয়াৰ বাবে আৰ্থিক অনুমোদন পোৱা নাই।

(৩) গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ অধীনৰ সমূহ জনসাধাৰণক ২৪ ঘণ্টা জুৰি খোৱা পানী যোগানৰ বাবে মুঠ ৪(চাৰি)খন আঁচনি প্ৰস্তুত কৰি যোৱা ৬-২-০৮ ইং তাৰিখে কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছিল। ইয়াৰে তলত উল্লেখিত প্ৰথমখন আঁচনি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ইতিমধ্যে অনুমোদিত হৈছে।

(i) দক্ষিণ গুৱাহাটীৰ পশ্চিম সংমণ্ডল অঞ্চলৰ খোৱাপানী যোগান আঁচনি। = মুঠ২৮০.৬৯ কোটি।

(ii) দক্ষিণ গুৱাহাটীৰ পূৱ সংমণ্ডল অঞ্চলৰ খোৱাপানী যোগান আঁচনি। = মুঠ২৩৩.১৫ কোটি।

(iii) দক্ষিণ গুৱাহাটীৰ কেন্দ্ৰীয় অঞ্চলৰ খোৱাপানী যোগান আঁচনি। = মুঠ ৩০২.৩২ কোটি।

(iv) উত্তৰ গুৱাহাটীৰ সংমণ্ডল অঞ্চলৰ = মুঠ ১৮২.০০ কোটি।

খোৱাপানী যোগান আঁচনি।

(৪) গুৱাহাটীৰ ভৰলুমুখৰ আৰ, কে, চৌধুৰী পথত ৰেললাইনৰ ওপৰত এখন উৰণীয়া সেঁতু নির্মাণৰ বাবে মুঠ ৫৩.৪৯ কোটি টকাৰ আঁচনি প্রস্তুত কৰি অনুমোদনৰ বাবে কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হৈছে।?

(৫) গুৱাহাটীৰ ভৰলু আৰু বাহিনী নদীৰ ওপৰত থকা কাঠৰ দলঙৰ সলনি মুঠ ১২ খন পকী দলং নির্মাণৰ বাবে মুঠ ৮.৬৯ কোটি টকাৰ আঁচনি প্রস্তুত কৰি অনুমোদনৰ বাবে কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হৈছে।

(গ) বর্তমানলৈকে এটাও আঁচনিৰ বাবে কোনো টকা ব্যয় কৰা হোৱা নাই।

বিষয় ঃ পর্য্যটন আঁচনি।

শ্রীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

১৫৭। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত পর্য্যটন সম্পর্কীয় আঁচনি চৰকাৰে গ্রহণ কৰিছেনে? যদি কৰিছে এই আঁচনি ক'ত লোৱা হৈছে? আঁচনিসমূহৰ বাবে কোন শিতানৰ পৰা কিমান ধন ধার্য্য কৰা হৈছে? কিমান আঁচনি ৰূপায়ণ কৰা হ'ল?

(খ) ঐতিহাসিক চহৰ তেজপুৰক পর্য্যটক কেন্দ্র ৰূপে গঢ়িবলৈ চৰকাৰে আঁচনি লৈছেনে ?

শ্রীৰকিবুল হুচেইন (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়। আঁচনিসমূহ সমগ্র ৰাজ্যখনৰ প্রায় সকলোবিলাক প্রধান প্রধান পর্য্যটকস্থলী, অঞ্চল, উৎস আদি গ্রহণ কৰি অহা হৈছে।

সপ্তম পঞ্চবার্ষিক পৰিকল্পনাৰ পৰা দশম পঞ্চবার্ষিক পৰিকল্পনালৈকে

মুঠ ১৪৫ টা প্রকল্প বা আঁচনি কেন্দ্রীয় পর্য্যটন মন্ত্রালয়ৰ সাপেক্ষে লোৱা হৈছে। এই আঁচনিসমূহৰ বাবে ধার্য্য কৰা পুঁজিৰ পৰিমাণ ৮৭.৮৫ কোটি টকা। ইয়াৰ উপৰি চলিত ২০০৭-২০০৮ বিত্তীয় বছৰটোত তখন মূল আঁচনি বা প্রকল্পৰ বাবে এতিয়ালৈকে ১২.৬২ কোটি টকাৰ অনুমোদন পোৱা হৈছে।

ভাৰত চৰকাৰৰ অনুমোদিত আঁচনিসমূহৰ উপৰিও অসম চৰকাৰৰ তৰফৰ পৰা ১৯৮৯-৯০ চনৰ পৰা ২০০৬-২০০৭ চনলৈকে মুঠ ১৪টা আঁচনি ১২.৬৮ কোটি টকাৰ সাপেক্ষে লোৱা হৈছে।

বর্তমানলৈকে পর্য্যটন মন্ত্রালয়ৰ অনুমোদিত ৯৯ টা প্রকল্প বা আঁচনি আৰু ৰাজ্য চৰকাৰৰ অনুমোদিত ৭৫খন আঁচনিৰ অসমৰ বিভিন্ন স্থানত সম্পূর্ণ হৈছে। বাকীবিলাক আঁচনি ৰূপায়ণৰ পথত।

(খ) ঐতিহাসিক তেজপুৰ চহৰক পর্য্যটন কেন্দ্ৰৰূপে গঢ়িবলৈ আঁচনি লোৱা হৈছে। এনে আঁচনিৰ অধীনত ২০০৬-২০০৭ বছৰত মুঠ ৭৭.১৮ লাখ টকাৰে অগ্নিগড়, ঔগুৰি পাহাৰ, গণেশ ঘাট আৰু তেজপুৰ পর্য্যটক নিবাসৰ উন্নতিকৰণৰ বাবে লোৱা হৈছে।

বিষয় ঃ মেডিকেল কলেজ নির্মাণৰ পুঁজি ।

ডাঃ তাৰা প্রসাদ দাসে সুধিছে ঃ

১৫৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত নতুনকৈ স্থাপিত হোৱা মেডিকেল কলেজকেইখনলৈ

বর্তমানলৈকে কিমান পুঁজি মোকোলাই দিয়া হ'ল?

(কলেজ অনুসৰি পৃথকে পৃথকে তথ্য দাখিল কৰিব)

(খ) বর্তমানলৈকে এই কলেজকেইখনৰ নির্মাণ কার্য্য কিমান শতাংশ সম্পূর্ণ হ'ল?

(সবিশেষ তথ্য দাখিল কৰিব)

(গ) এই কলেজকেইখন কেতিয়ালৈকে সম্পূর্ণৰূপে কার্য্যক্ষম হৈ উঠিব?

(ঘ) এই কলেজকেইখনৰ ক্ষেত্রত Indian Council of Medical Science ৰ পৰা যাৱতীয় অনুমোদন লাভ কৰা হৈছেনে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত নতুনকৈ স্থাপিত হোৱা মেডিকেল কলেজকেইখনলৈ বর্তমানলৈকে মোকোলাই দিয়া পুঁজিৰ পৰিমাণ কলেজ অনুসৰি তলত দিয়া হ'ল ঃ-

(১) যোৰহাট মেডিকেল কলেজ, যোৰহাট = Rs.1047.30 lakh.

(২) বৰপেটা মেডিকেল কলেজ, বৰপেটা = Rs. 500.00 lakh.

(৩) তেজপুৰ মেডিকেল কলেজ, তেজপুৰ = Rs. 500.00 lakh.

(খ) তিনিওখন মেডিকেল কলেজৰ নির্মাণৰ বাবে ইতিমধ্যে মুঠ ৪৮৭.৪০ কোটি টকাৰ প্রশাসনিক অনুমোদন (Administrative Approval) দিয়া হৈছে। গড়কাপ্তানী বিভাগে নির্মাণৰ বাবে আৱশ্যকীয় নিবিদাৰ কাম সম্পূর্ণ কৰিছে। নির্মাণ কার্য্য অতি সোনকালে আৰম্ভ কৰা হ'ব।

তুলিবলৈ চেষ্টা কৰা হৈছে।

(ঘ) Medical Council of India ৰ অনুমোদনৰ বাবে প্ৰয়োজনীয় আবেদন প্ৰ-পত্ৰ দাখিল কৰা হৈছে।

বিষয় ঃ গঁড়ৰ Census ।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

১৫৯। মাননীয় বন আৰু পৰিবেশ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় অভয়াৰণ্যত ২০০৪ চনৰ পৰা ২০০৭ চনৰ ৩১ ডিচেম্বৰলৈ গঁড়ৰ Census কৰিছেনে? যদি কৰিছে, বছৰেকীয়া ভিত্তিত গঁড়ৰ সংখ্যা কিমান?

(খ) ইয়াৰে কিমানটা গঁড় দুষ্কৃতিকাৰী চাৰাং চিকাৰীৰদ্বাৰা হত্যা কৰা হৈছে আৰু কিমানটা গঁড় প্ৰাকৃতিক দুৰ্যোগত প্ৰাণ হানি হৈছে?

(বছৰভিত্তিত পৰিসংখ্যা দাখিল কৰিব)

(গ) ২০০৬ ৰ পৰা ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহলৈ কিমান গঁড় চোৰাং চিকাৰীৰ দ্বাৰা হত্যা কৰা হ'ল আৰু এই গঁড় হত্যাকাণ্ড বন্ধ কৰাৰ বাবে তৎকালীনভাৱে কি ব্যৱস্থা লোৱা হৈছে?

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় অভয়াৰণ্যৰ বাবে অসম চৰকাৰে বছৰেকীয়াভিত্তিত কিমান টকা অনুদান পাইছে?

(২০০৩ চনৰ পৰা ২০০৭ চনলৈ বছৰ ভিত্তিত তথ্য দাখিল কৰিব)

(ঙ) ৰাজ্য চৰকাৰে ২০০৪-০৫, ২০০৫-০৬, ২০০৬-০৭ আৰু ২০০৭-০৮

বছৰকেইটাত কাজিৰঙা ৰাষ্ট্ৰীয় অভয়াৰণ্যৰ নিৰাপত্তা নিৰাপদ আৰু সংৰক্ষণৰ বাবে কিমান কিমান টকাৰ কেন্দ্ৰীয় চৰকাৰলৈ অনুদান বিচাৰি প্ৰস্তাৱ দাখিল কৰিছিল আৰু কেন্দ্ৰই কিমান টকা অনুদান দিলে?

(বছৰভিত্তিত তথ্য দিব)

(চ) কেন্দ্ৰীয় চৰকাৰৰ আৱণ্টিত টকাবোৰ কি কি শিতানত উক্ত ৰাষ্ট্ৰীয় অভয়াৰণ্যখনত খৰচ কৰা হ'ল, ৰাজ্য চৰকাৰে এই অভয়াৰণ্যখনৰ নিৰাপত্তাৰ দিশত ২০০০৪ৰ পৰা ২০০৭লৈ কিমান টকা খৰচ কৰিলে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰা হৈছে। ২০০৬ চনৰ পিয়ল মতে কাজিৰঙাত গঁড়ৰ সংখ্যা ১৮৫৫টা।

(খ) ২০০৪ চনৰ পৰা ২০০৭ চনৰ ৩১ ডিচেম্বৰলৈ চোৰাং চিকাৰী আৰু প্ৰাকৃতিক দুৰ্য্যোগত মৃত্যু হোৱা গঁড়ৰ সংখ্যা তলত দিয়া হ'ল ঃ

বছৰ	চোৰাং চিকাৰীৰ হাতত হোৱা মৃত্যু	প্ৰাকৃতিক দুৰ্য্যোগত হোৱা মৃত্যু
২০০৪	৪ টা	১৩ টা
২০০৫	৭ টা	১ টা
২০০৬	৫ টা	নাই
২০০৭	১৬ টা	৫ টা

(গ) ২০০৬ৰ পৰা ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহলৈকে চোৰাং চিকাৰীয়ে হত্যা কৰা গঁড়ৰ সংখ্যা ২৫ টা।

গঁড় হত্যা বন্ধ কৰা বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ তলত দিয়া হ'ল।

(২) অত্যাধুনিক বেঁতাৰ যন্ত্ৰৰ দ্বাৰা দ্ৰুত যোগাযোগ ব্যৱস্থা।

(৩) উদ্যানৰ দাঁতি [illegible]ঘৰীয়া ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ ব্যৱস্থা।

(৪) চোৰাং চিকাৰীৰ প্ৰতিৰোধ শিবিৰ (বন শিবিৰ), পহৰা-পথ ইত্যাদিৰ ব্যৱস্থা তথা উন্নীতকৰণ।

(৫) তৎকালীনভাৱে ১০০জন সশস্ত্ৰ গৃহৰক্ষী মোতায়ন।

(৬) গোপন তথ্য আহৰণৰ ব্যৱস্থা তথা গুপ্তচৰ নিয়োগ।

(৭) ১০০টা থ্ৰী নট্ থ্ৰী ৰাইফল কাজিৰঙাৰ জন্তুৰ সুৰক্ষাৰ বাবে সম্প্ৰতি ব্যৱহাৰ কৰা হৈছে।

(৮) ৫০টা খালী হৈ থকা পদত বন কৰ্মী নিযুক্তি দিয়া হৈছে আৰু বাকী থকা ঘাচী আৰু মাউতৰ খালী পদখিনি অচিৰে পূৰণ কৰাৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

(৯) ৰাষ্ট্ৰীয় ঘাই পথৰ কাষেদি [illegible] ফৰেষ্ট কেম্প বনোৱাৰ কাম হাততলোৱা হৈছে।

(১০) ১২ জনীয়া এটা বিশেষজ্ঞ কমিটি বনাই দিয়া হৈছে আৰু তেওঁলোকে কাজিৰঙাত চৰজমিন তদন্ত কৰি সকলো দিশ চালিজাৰি চাই প্ৰতিবেদন দাখিল কৰিছে। তেওঁলোকৰ প্ৰতিবেদনখনৰ পৰামৰ্শ মতে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰি আছে।

(১১) ইতিমধ্যে অতিৰিক্তভাৱে এগৰাকী মুখ্য বন সংৰক্ষক, এজন উপ-বন সংৰক্ষক আৰু চাৰিজন অঞ্চলিক বিষয়াক কাজিৰঙাত বাহৰ পাতি কাজিৰঙা অভয়াৰণ্যৰ বিষয়া কৰ্মচাৰীসকলক সহায় সহযোগ কৰাৰ বাবে আদেশ দিয়া হৈছে আৰু তেওঁলোকে সেইমৰ্মে কাম কৰি আছে।

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাবে অসম চৰকাৰে ২০০৩ চনৰ পৰা ২০০৭ চনলৈ পোৱা অনুদানৰ পৰিমাণ তলত উল্লেখ

কৰা হ'ল ঃ

২০০২-০৩	-	৩৫.০০ লাখ
২০০৩-০৪	-	১০৬.০০ লাখ
২০০৪-০৫	-	১৪৩.৭৩ লাখ
২০০৫-০৬	-	৬৭.৭৭ লাখ
২০০৬-০৭	-	৩৮.১০ লাখ
	+ ৫০০.০০ লাখ অতিৰিক্ত এককালীন সাহায্য	
২০০৭-০৮	-	৮৬.১৫ লাখ

(ঙ)

বছৰ	দাবী (Demand)	অনুদান (Allocation)
২০০৪-০৫	১৫০.০০ লাখ	১৪৩.৭৩ লাখ
২০০৫-০৬	১৫৩.০০ লাখ	৬৭.৭৭ লাখ
২০০৬-০৭	১২২.২৫ লাখ	৩৮.১০ লাখ
২০০৭-০৮	৬২.০০ লাখ	৪৬.১৫ লাখ

(চ) কেন্দ্রীয় চৰকাৰৰ আৱণ্টিত টকাবোৰ প্ৰধানকৈ চোৰাং চিকাৰ প্ৰতিৰোধী শিবিৰ (Anti-Poaching Camp) মেৰামতি, দলং নিৰ্মাণ, কালভাৰ্ট নিৰ্মাণ, জলাশয়সমূহৰ গেদ আঁতৰোৱা (De-siltation of Water Bodies), টহলদাৰী পথৰ মেৰামতি, যান-বাহনৰ মেৰামতি আৰু যান-বাহনৰ ইন্ধনৰ খৰচ (Propelling Charge), চোৰাংচোৱা নিযুক্তিৰ দ্বাৰা তথ্য সংগ্ৰহ (Intelligence gathering), ওখ টিপ (Highland) নিৰ্মাণ, বন শিবিৰ (Camps) নিৰ্মাণ, অস্ত্ৰ-শস্ত্ৰ ক্ৰয় আদিত খৰচ কৰা হয়।

২০০৪ চনৰ পৰা ২০০৭ চনলৈ এই অভয়াৰণ্যখনৰ নিৰাপত্তাৰ দিশত খৰচ কৰা টকাৰ পৰিমাণ তলত দিয়া হ'ল ঃ

চন	কেন্দ্রীয় আঁচনিৰ ধন	বাজ্যিক পৰিকল্পনাৰ ধন	পৰিকল্পনা বৰ্হিভূত শিতানৰ ধন
২০০৪-০৫	১৪৩.৭৩ লাখ	১৩৩.৯২ লাখ	২৮০.৩০ লাখ
২০০৫-০৬	৬৭.৭৭ লাখ	১৩৫.০০ লাখ	৩১২.২৬ লাখ
২০০৬-০৭	৩৮.১০ লাখ	৯.২২ লাখ	৫৬২.১১ লাখ

বিষয় ঃ আঁচনিত ধার্য কৰা টকাৰ পৰিমাণ।

শ্রীবছুল হকে সুধিছে ঃ

১৬০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০০৩ চনৰ মার্চ মাহৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈ স্বাস্থ্য বিভাগে স্বাস্থ্যৰ উন্নতিৰ হকে মুঠ কিমান টকাৰ আঁচনি লৈছে ? এই আঁচনিসমূহ কি কি ?

(খ) ২০০৩ চনৰ পৰা ২০০৭ চনৰ ভিতৰত স্বাস্থ্য বিভাগে মুঠ কিমান টকাৰ ঔষধ ক্রয় কৰিছে আৰু এই ঔষধসমূহ কোন প্রতিষ্ঠানৰ পৰা ক্রয় কৰিছে?

(প্রতিষ্ঠানৰ নাম আৰু স্বত্বাধিকাৰীৰ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) অসমত ২০০৩ চনৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈ কিমানখন ৩০খন বিছনাযুক্ত চিকিৎসালয় আৰু ১০০খন বিছনাযুক্ত চিকিৎসালয় স্থাপন হৈছে?

(ঘ) অসমত যোৱা পাঁচ বছৰত কিমানগৰাকী GNM প্রশিক্ষণ শিক্ষার্থী বাঁচনি হৈছিল আৰু ধুবুৰী জিলাত কিমানগৰাকী শিক্ষার্থী বাঁচনি হৈছে?

(ঙ) সংখ্যালঘূ সম্প্রদায় আৰু ভাষিক সংখ্যালঘূ সম্প্রদায়ৰ পৰা কিমান গৰাকী প্রশিক্ষার্থী ধুবুৰী জিলাত বাঁচনি হৈছিল?

(চ) অসমত বর্তমান কিমানটা AIDS Control Society আছে?

(জিলাভিত্তিত সদনত দাখিল কৰিব)

(ছ) Assam State AIDS Control Society য়ে এতিয়ালৈকে কোন শিতানৰ পৰা কিমান ধন আৱণ্টন পাইছে?

(জ) ধুবুৰী জিলাত স্বাস্থ্য বিভাগৰ অধীনত কেইখন AIDS Control Society আছে?

(সমষ্টিভিত্তিত জনাব)

(ঝ) যোৱা ৫ (পাঁচ) বছৰত ধুবৰী জিলাত কেইজন AIDS আক্রান্ত ব্যক্তি চিনাক্ত হৈছিল?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৩ চনৰ মার্চ মাহৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈ স্বাস্থ্য বিভাগে স্বাস্থ্যৰ উন্নতিৰ হকে মুঠ ২৫৩৯৫২.০৭ লাখ টকাৰ আঁচনি লোৱা হৈছে।

ইয়াৰে ৮২০০৯.৭৫ লাখ টকা ইতিমধ্যে ব্যয় কৰা হৈছে।

প্র-পত্র 'ক'ত দেখুওৱা হ'ল। (সদনৰ মেজত দাখিল কৰা হ'ল)

(See Annexure-XXIV)

(খ) ২০০৩ চনৰ পৰা ২০০৭ চনৰ ভিতৰত স্বাস্থ্য বিভাগে মুঠ ১৯১.২৩ কোটি টকাৰ ঔষধ ক্রয় কৰিছে। ক্রয় কৰা প্রতিষ্ঠানসমূহৰ নাম ও স্বত্বাধিকাৰীৰ নাম প্র-পত্র 'খ'ত দেখুওৱা হৈছে। (সদনৰ মেজত দাখিল কৰা হ'ল)

(See Annexure-XXV)

(গ) ২০০৩ চনৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈ ৩০ খন বিছনাযুক্ত চিকিৎসালয় এখনো স্থাপন কৰা হোৱা নাই। ১০০ খন বিছনাযুক্ত চিকিৎসালয় মাত্র এখনহে স্থাপন কৰা হৈছে।

(ঘ) অসমত যোৱা পাঁচ বছৰত ১৪০৬ গৰাকী GNM প্রশিক্ষণ শিক্ষার্থী বাঁচনি হৈছিল আৰু ধুবুৰী জিলাত ১১৯ গৰাকী বাঁচনি হৈছে।

(ঙ) সংখ্যালঘু সম্প্রদায়ৰ পৰা ২৮ গৰাকী ভাষিক সংখ্যালঘু সম্প্রদায়ৰ বঙালীভাষী ১৬ গৰাকী আৰু নেপালীভাষী সম্প্রদায়ৰ এগৰাকী প্রশিক্ষার্থী ধুবুৰী জিলাত বাঁচনি হৈছিল।

(চ) অসমত বর্তমান এটা AIDS Control Society গুৱাহাটীত আছে।

(ছ) অসম ৰাজ্যিক এইড্‌চ কণ্ট্রোল ছচাইটিয়ে বর্তমানলৈ ভাৰত চৰকাৰৰ পৰা NACO ৰ জৰিয়তে ৭১৯৯.১১ লাখ টকাৰ আৱণ্টন পাইছে।

(জ) ধুবুৰী জিলাত স্বাস্থ্য বিভাগৰ অধীনত এখনো এইড্‌চ কণ্ট্রোল ছচাইটি নাই।

(ঝ) যোৱা পাঁচ বছৰত ধুবুৰী জিলাত ২৭জন HIV/AIDS আক্রান্ত ব্যক্তিৰ চিনাক্ত হোৱাৰ তথ্য পোৱা হৈছে।

বিষয় ঃ কৃত্রিম বানপানী ৰোধৰ ব্যৱস্থা।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

১৬১। **মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ২০০৬-২০০৭ বৰ্ষত বিশ্ব বেংকৰ পৰা লাভ কৰা পুঁজিৰে গুৱাহাটী মহানগৰীত কিমান কিঃ মিঃ নলা নৰ্দ্দমা নতুনকৈ নিৰ্মাণ কৰা হ'ল আৰু কিমান কিঃ মিঃ নলা নৰ্দ্দমা মেৰামতি কৰি উন্নীতকৰণ কৰা হ'ল?

(খ) গুৱাহাটী মহানগৰীত সঘনে সৃষ্টি হোৱা কৃত্রিম বানপানী ৰোধ কৰাৰ বাবে চৰকাৰে বৰ্তমানলৈকে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) ৰাজধানী চহৰ দিছপুৰৰ গাতে লাগি থকা দ্বাৰকানগৰ আৰু মথুৰানগৰ ৰাস্তা-ঘাট, নলা-নৰ্দ্দমা, পানী যোগান ব্যৱস্থা ইত্যাদি আওপুৰণি হোৱা বাবে ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। আধুনিক প্ৰযুক্তিবিদ্যাৰ সহায়ত বিজ্ঞানসন্মতভাৱে এইবোৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত চৰকাৰে বৰ্তমানলৈকে কি ব্যৱস্থা হাতত লৈছে?

ড° হিমন্ত বিশ্ব শৰ্মা(গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী উন্নয়ন বিভাগে ২০০৬-০৭ বৰ্ষত গুৱাহাটীৰ নলা-নৰ্দ্দমা নিৰ্মাণ কৰিবলৈ বিশ্ববেংকৰ পৰা কোনো পুঁজি লাভ কৰা নাই।

(খ) গুৱাহাটী মহানগৰীত সঘনে সৃষ্টি হোৱা কৃত্রিম বানপানী ৰোধ কৰাৰ বাবে চৰকাৰে বৰ্তমানলৈকে তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰিছে--

(১) প্ৰতিবছৰে জলসম্পদ বিভাগ, গড়কাপ্তানী বিভাগ, গুৱাহাটী পৌৰনিগম আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ দ্বাৰা ভৰলু-বাহিনী নদীৰ লগতে গড়কাপ্তানী নলা-নৰ্দ্দমা, পৌৰ নিগমৰ অধীনৰ নলা-নৰ্দ্দমাসমূহৰ

পলস/জাৱৰ নিষ্কাষণৰ ব্যৱস্থা লৈ অহা হৈছে।

(২) এই বছৰতো ভৰলু, মৰা-ভৰলু বাহিনী নদীৰ লগতে নলা-নৰ্দ্দমাসমূহৰ পলস আৰু জাৱৰ নিষ্কাষণৰ আঁচনি প্ৰস্তুত কৰা হৈছে আৰু অতি শীঘ্ৰে কাম আৰম্ভ কৰা হ'ব।

(৩) এন, বি, চি, চিৰ (N.B.C.C) দ্বাৰা নুনমাটিত মুক্ত নলা, চান্দমাৰীৰ পৰা বামুনীমৈদামলৈ, দিশপুৰ লাষ্ট গেটৰ পৰা খানাপাৰালৈ, ভৰলুমুখৰ পৰা মালিগাঁৱলৈ, ফটাশিলৰ পৰা মৰাভৰলুলৈ আৰু ৰাজগড় অঞ্চলত কেইবাটাও পদপথ আৰু নৰ্দ্দমা নিৰ্মাণ কৰি থকা হৈছে।

(৪) জলসম্পদ (যান্ত্রিক) বিভাগৰ দ্বাৰা গুৱাহাটীৰ মৰাভৰলু, ভৰলুনদী যান্ত্রিকভাৱে খন্দাৰ বাবে তলত উল্লেখ থকা যন্ত্রসমূহ ক্রয় কৰি খনন কার্য্য আৰম্ভ কৰা হৈছে।

(i) চেইন মাউণ্টেদ এস্কাভেটৰ (দিঘলী) - ১ টা।

(ii) চেইন মাউণ্টেদ এস্কাভেটৰ (মজলীয়া) - ১ টা।

(iii) চেইন মাউণ্টেদ এস্কাভেটৰ (জাঙৰ) - ১ টা।

(iv) হলো বাৰজ - ১ টা।

(v) ট্রিপাৰ - ২ টা।

(vi) ট্রলী পাম্প - ১ টা।

ইয়াৰোপৰি এই মাহৰ ভিতৰতে মিনি ড্রেজাৰ এটা আৰু হলো বাজ ২টা আহিপাব হৈবোবকে ভৰলু, মৰাভৰলু খন্দাত ব্যৱহাৰ কৰা হ'ব।

(গ) দ্বাৰকা নগৰ আৰু মথুৰানগৰৰ লগতে সমগ্ৰ গুৱাহাটীৰ নলা-নৰ্দ্দমাসমূহ

বিজ্ঞানসম্মতভাৱে 'জৱাহৰলাল নেহেৰু ৰাষ্ট্ৰীয় নগৰ পুনৰ নিৰ্মাণ মিছন'ৰ অধীনত নিৰ্মাণৰ বাবে টাহাল কনচালটিং ইঞ্জিনিয়াৰ্চ লিমিটেডক নিবিদা আহ্বান কৰি বিস্তৃত প্ৰকল্প প্ৰতিবেদন (D.P.R.) প্ৰস্তুত কৰাৰ দায়িত্ব অপৰ্ণ কৰা হৈছে।

বিষয় ঃ প্ৰাইমাৰী হেল্‌থ চেণ্টাৰৰ সংখ্যা।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

১৬২। **মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) অসমত কিমান সংখ্যক প্ৰাইমাৰী হেল্‌থ চেণ্টাৰ আৰু ৰাজ্যিক চিকিৎসালয় আছে?

(জিলাভিত্তিত পৰিসংখ্যা দাখিল কৰিব)

(খ) প্ৰত্যেক PHC আৰু SDত গ্ৰামাঞ্চলৰ ৰোগীসকলৰ বাবে প্ৰাথমিক স্বাস্থ্য সেৱাৰ নুন্যতম দৰকাৰী তেজ, শৌচ, প্ৰস্ৰাৰ আদি পৰীক্ষা কৰাৰ বাবে উপযুক্ত যন্ত্ৰ-পাতিসহ লেবৰেটৰী সহায়ক যোগান ধৰা হৈছে নে?

(গ) যদি হোৱা নাই, চলিত বিত্তীয় বছৰৰ পৰা লেবৰেটৰী সহায়ক নিযুক্ত আৰু দৰকাৰী যন্ত্ৰপাতি যোগান ধৰিবনে ?

(ঘ) নগাঁও জিলাৰ ৮৫ নং ৰূপহী হাট বিধানসভা সমষ্টিত কিমানখন PHC আৰু State Dispensary আছে? ইয়াৰ কিমানখন PHC আৰু

SD ত এম্বুলেঞ্চ যোগান ধৰা হৈছে?

(ঙ) এই এম্বুলেঞ্চবোৰ চলাবৰ বাবে নিযুক্তি দিয়া ড্ৰাইভাৰসকলৰ মাহিলী বেতন কিমান?

(চ) এই ড্ৰাইভাৰসকলে চৰকাৰী ড্ৰাইভাৰৰ নিৰিখত দৰমহা পায়নে? যদি নাপায়, ইয়াৰ কাৰণ কি আৰু চলিত বিত্তীয় বছৰৰ পৰা এই ড্ৰাইভাৰসকলক চৰকাৰী নিৰিখত দৰমহা দিয়াৰ ব্যৱস্থা কৰিবনে?

(ছ) গড়াজান SD ত ২১-৫-২০০৫ ৰ পৰা কাম কৰি থকা ড্ৰাইভাৰজনে এতিয়ালৈকে দৰমহা নোপোৱাৰ কাৰণ কি?

(জ) কাম কৰি থকা দিনৰ পৰাই এই ড্ৰাইভাৰজনৰ দৰমহা নিয়মীয়া কৰি চলিত বিত্তীয় বছৰৰ ভিতৰতে দিয়াৰ ব্যৱস্থা কৰিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিবঃ

(ক) অসমত ১৪৯ খন চেণ্টাৰ আৰু ১৬১খন ৰাজ্যিক চিকিৎসালয় আছে। জিলাভিত্তিত পৰিসংখ্যা তলত দাখিল কৰা হ'ল।

(See Annexure-XXVI)

(খ) প্ৰত্যেক PHC আৰু S/D ত যোগান ধৰিব পৰা হোৱা নাই।

(গ) চলিত বিত্তীয় বছৰৰ পৰা গাৰ্হস্থ্যক্ৰমে লেবৰেটৰী সহায়কৰ নিযুক্তি আৰু দৰকাৰী যন্ত্ৰ-পাতি যোগান ধৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(ঘ) নগাঁও জিলাৰ ৮৫ নং ৰূপহীহাট বিধান সভা সমষ্টিত MPHC ২ (দুই)খন আৰু State dispensary ৩ (তিনি)খন আছে। ইয়াৰে গৰাজান, জুৰীয়া, তাৰাবাৰী আৰু শিঙিয়াত এম্বুলেঞ্চ আছে।

(ঙ) এই এম্বুলেঞ্চবোৰ চলাবৰ বাবে পূর্বে মঞ্জুৰীকৃত পদৰ বিপৰীতে ালি পদত নিযুক্তি দিয়া ড্রাইভাৰসকলৰ মাহিলী বেতন (অন্যান্য বান হ) প্রতিজনৰ ৬২৭৩.০০ টকা। য'ত চৰকাৰী মঞ্জুৰীকৃত পদ নাই তাত চিকিৎসালয় পৰিচালনা সমিতিয়ে ঠিকাভিত্তিত ড্রাইভাৰ নিযুক্তি দি NRHMৰ পুঁজি আৰু সমিতিৰ পুঁজিৰ পৰা বেতন দিয়ে।

(চ) সকলো ড্রাইভাৰে চৰকাৰী নিৰিখত দৰমহা নাপায়। যিহেতু সকলো PHC তে চৰকাৰী মঞ্জুৰীকৃত ড্রাইভাৰ পদ নাই।

(ছ) গড়াজান S/D ত চৰকাৰী নিযুক্তিপ্রাপ্ত অথবা NRHMৰ পঁজিৰে নিযুক্ত ড্রাইভাৰে কাম কৰা নাই। অৱশ্যে ৰাজ্যিক চিকিৎসালয়খনৰ পৰিচালনা সমিতিয়ে নিজাববীয়াকৈ বেতন দি এজন ড্রাইভাৰ নিয়োগ কৰিছে।

(জ) ৰাজ্যিক চিকিৎসালয়ত এতিয়ালৈকে কোনো ড্রাইভাৰৰ পদ সৃষ্টি কৰা হোৱা নাই।

POINT OF ORDER

*শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অর্ডাৰ আছে। আমাৰ মাননীয় সদস্যসকলে যেতিয়া বিধান সভাৰ মজিয়াত ৰাজহুৱা স্বার্থজড়িত বিষয়বিলাকৰ ওপৰত প্রশ্ন উত্থাপন কৰে তেতিয়া মন্ত্রী মহোদয়সকলৰ পৰা আমি মূল উত্তৰৰ পৰা আতৰি গৈ ভাষণ দিয়াৰ ব্যৱস্থা কৰে।

মাননীয় অধ্যক্ষ ঃ- প্রশ্নৰ ঠাইত যদি বিধায়কসকলে ভাষণ দিয়া আৰম্ভ কৰে মন্ত্রীয়ে কি কৰিব ঃ

*শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ- ছাৰ, মন্ত্রীসকলে প্রশ্নটো দাইভার্ট কৰি বেলেগ ফালে লৈ যায়। আপুনি আমাৰ সদনৰ কাষ্টোদিয়ান। আপুনি শাসক/বিৰোধী সকলোকে সমানে চাব লাগিব। মন্ত্রীসকলক আমি সোধা প্রশ্নবিলাকৰ

*Speech not corrected

পোনপটীয়া উত্তৰ দিব ক'ব লাগে।

মাননীয় অধ্যক্ষ ঃ- ঠিক আছে এতিয়াৰ পৰা পৰিপক্ক প্ৰশ্ন নং ১ পৰিপূৰক প্ৰশ্ন নং ২ আৰু পৰিপূৰক প্ৰশ্ন নং ৩ আপোনালোকে সুধিম বুলি কওক তেতিয়া মন্ত্ৰীসকলক সেইমতে উত্তৰ দিবলৈ ক'ব পৰা হ'ব। কিন্তু তাৰ সলনি ভাষণ ৰাখিলে তেওঁলোকে উত্তৰ দিয়া সম্ভৱ নহয়। আপোনালোকে মোক সহায় কৰক, মই তেতিয়া মন্ত্ৰীসকলক উত্তৰ দিবলৈ বাধ্য কৰাব পাৰিম।

***শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ-** ছাৰ, মন্ত্ৰীসকলে ফালৰিকাটি যায় পোনপটীয়া উত্তৰ নিদিয়ে। বহুত সময়ত দেখিছো আপুনিয়ে মন্ত্ৰীসকলৰ হকে উত্তৰ দিয়ে।

মাননীয় অধ্যক্ষ ঃ- মই কোনো উত্তৰ নিদিও। মই মাত্ৰ কৈছিলো যে মন্ত্ৰীসকলৰ উত্তৰ শেষ নহওতে আকৌ বিধায়কসকলে বাৰে বাৰে উঠে সেইটো ভাল নহয়। আপোনালোকে সহায় কৰিলেহে আপোনালোকক সহায় কৰিব পাৰিম।

DISCUSSION ON THE SUPPLEMENTARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR THE YEAR 2007-2008.

Mr. Speaker : Item no. 2, Discussion on the Supplementary Statement of Expenditure Charged on the Consolidated Fund of the State for the year 2007-2008.

মাননীয় অধ্যক্ষ ঃ- এতিয়া ৩ নং কার্যসূচীলৈ আহিছো। ২০০৭-২০০৮ চনৰ ম: ৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ ওপৰত ভোটদান। ২০০৮ চনৰ ৩ মার্চত অনুষ্ঠিত হোৱা কার্য্য উপদেষ্টা সমিতিৰ বৈঠকত উপস্থিত থকা মাননীয় সদস্যসকলৰ পৰামর্শ অনুসৰি কার্য্য উপদেষ্টা সমিতিয়ে সর্বসম্মতিক্রমে নিম্নোক্ত মঞ্জুৰীসমূহ অগ্রাধিকাৰ ভিত্তিত আৰু বাকী মঞ্জুৰীসমূহ সময়সাপেক্ষে ক্রম অনুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰা হয়। মঞ্জুৰীসমূহ হ'ল ঃ- (১) মঞ্জুৰী নং ৩৮- অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ কল্যাণ। - ২ মঞ্জুৰী নং ৫৯-হস্ত তাঁত বস্ত্র আৰু ৰেছম।

এতিয়া জনজাতি মন্ত্রীক দাবী উত্থাপন কৰিবলৈ কোৱা হ'ল।

Smti. Pramila Rani Brahma (Minister) : On the recommendation of the Governor of Assam, I beg, sir, to move that an amount of Rs. 1733.05 lakh be granted to the Minister-in-charge to defray the certain charges which will come in the course of payment during the year ending 31st March, 2008 in connection with "Welfare of SC/ST and OBC".

মাননীয় অধ্যক্ষ ঃ- এই দাবীটোৰ ওপৰত ৫টা কর্তন প্রস্তাৱ আছে।

প্রথমটো হ'ল শ্রীমিথুন ৰঞ্জন দাস, শ্রীপ্রশান্ত ফুকন, শ্রীৰঞ্জিৎ দত্ত, ডাঃ কমী নাথ, শ্রীঅভিজিৎ হাজৰিকা, শ্রীসুশীল দত্ত, শ্রীকার্তিক সেনা সিন্‌হা আৰু শ্রীৰামেশ্বৰ তেলী, ২ নং— শ্রীঅনন্ত ডেকা, শ্রীউদ্ধৱ বর্ম্মন, ৩ নং

শ্রীবদৰুদ্দিন আজমল, শ্রীগনেশ্বৰ দাস, শ্রীআনাৰুল হক, শ্রীহাফজ বছিৰ আহমেদ, ডাঃ আদিত্য লাংথাছা, শ্রীচিৰাজুদ্দিন আজমল ৪নংত— শ্রীনুৰুল হুছেইন, শ্রীযোচেফ টপ্পো, শ্রীহিৰেন কুমাৰ দাস, শ্রীৰবীন বনিক্য, শ্রীঅনুপ ফুকন, শ্রীপ্রবীন গগৈ, শ্রীপ্রদীপ হাজৰিকা, শ্রীপ্রশান্ত বৰুৱা, শ্রীপদ্ম হাজৰিকা, শ্রীৰমেন্দ্র নাৰায়ণ কলিতা আৰু শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা আৰু ৫ নং ত শ্রীপ্রণৱ কলিতা।

এতিয়া এটাৰ পিছত এটাকৈ কর্তন প্রস্তাৱ মোভ কৰিবলৈ অনুৰোধ জনালো। মই সদনৰ সন্মতি বিচাৰিছো। এজনে উত্থাপন কৰিলে বাকীকেইটা উত্থাপন কৰি ধৰি লোৱা হওক নেকি?

(সকলোৱে সন্মতি জনায়)

শ্রীমিথন ৰঞ্জন দাস ঃ- মাননীয় অধ্যক্ষ মহোদয়, That the total provision of Rs. 1733.05/- lakh under Supplementary Demand for Grant No. 38 in respect of " Welfare of SC/ST and OBC" at pages 15, 16 of the list of Supplementary Demands be reduced by Rs.100/- i.e. the amount of the whole Supplementary Demand of Rs. 1733.05 lakh do stand reduced by Rs. 100/-, এই পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত মই এই কর্তন প্রস্তাৱ উত্থাপন কৰিছো। অধ্যক্ষ মহোদয়, দাবী নং ৩৮ ত বিভাগীয় মন্ত্রী মহোদয়ে ১৭৩৩.০৫ লাখ টকা বিচাৰিছে পৰিপূৰক দাবী হিচাপে। এই ধন আৱণ্টনৰ মূল উদ্দেশ্য হ'ল জনজাতি অনুসূচিত জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণৰ বাবে। ৰাষ্ট্রীয় কল্যাণ সহায়ক আঁচনিত

কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰেও বিভিন্ন শিতানত টকা দিয়ে এই মানুহখিনিৰ সা-সুবিধাৰ কাৰণে অনুসূচিত জাতি ও জনজাতি আৰু পিছপৰা শ্রেণী ছাত্র-ছাত্রীসকলক বৃত্তি আদি দিয়াৰ কাৰণে টকা দিয়া হয়। কিন্তু আমি দেখা পাইছো এই ল'ৰা-ছোৱালীবিলাকক যি বৃত্তি দিব লাগে সেইটো সময়মতে নাপায়। কোনো বছৰতটো একেবাৰে নাপায়। এই টকাটো দিয়াৰ উদ্দেশ্য হ'ল অনুসূচিত জাতি আৰু জনজাতি ও অ' বি চি ছাত্র-ছাত্রীসকলৰ স্কুল বা কলেজলৈ আহিবলৈ উৎসাহিত হয়। তেওঁলোকক কিতাপ-পত্র কিনাৰ কাৰণে, কাপোৰ-কানি কিনাৰ কাৰণে দিয়া হয় যাতে পঢ়িবলৈ তেওঁলোকে উৎসাহ পায়। গতিকে এইটো সময়মতে নাপালে ছাত্র-ছাত্রীসকল হতাশ হয়। মেধাবী যিখিনি ছাত্র-ছাত্রী আহে তেওঁলোকে সময়মতে বৃত্তি আদি নাপালে আৰু ভালকৈ পঢ়া-শুনা কৰিবলৈ উৎসাহিত হয় আৰু বাকী ল'ৰা-ছোৱালীখিনিয়েও উৎসাহ পায় যে আমি পঢ়িব লাগে আৰু পঢ়িলে আমি সা-সুবিধা পাম। সেয়ে চৰকাৰে সময়মতে বৃত্তিৰ টকাটো দিয়াৰ ব্যৱস্থা কৰিব লাগে। কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে ৰাষ্ট্রীয় কল্যাণ সহায়ক আঁচনিত টকা ধার্য কৰা কাৰণে আমি ভাল পাইছো। কিন্তু কথা হ'ল অকল টকা ধার্য কৰিলেইটো নহ'ব, সময় কম মার্চ মাহৰ ভিতৰতে এই টকাবিলাক সদ্ব্যৱহাৰ যাতে হয় সেইটো চাব লাগিব। ৰাষ্ট্রীয় কল্যাণ সহায়ক আঁচনিৰ যোগেদি জনজাতি, অনুসূচিত জাতি ও পিছপৰা শ্রেণীৰ সাধাৰণ মানুহকো সা-সুবিধা দিয়াৰ কাৰণে টকা ধৰা আছে। যেনে ৰিক্সা, ঠেলা বা চিলাই মেচিন আদি সূতা আদিও দৰিদ্র মানুহৰ মাজত দি তেওঁলোক আর্থিকভাৱে সবল কৰাৰ ব্যৱস্থাও আছে। সেয়ে এই সমাজৰ বহু মানুহ বহুত আশাৰে বাট চাই থাকে এই আঁচনিৰ যোগেদি চৰকাৰে প্রতি

বছৰে দিয়া টকাৰ কাৰণে। সেয়ে আমি অনুৰোধ কৰিছো এইটোৰ যাতে কণ্টিনিটী থাকে। যাতে আর্থিকভাৱে পিছপৰি থকা জনজাতি আৰু অনুসূচীত জনজাতি বা পিছপৰা শ্রেণীৰ মানুহখিনি আর্থিকভাৱে উন্নত হৈ জীৱন-যাপন কৰিব পাৰে।

(উপাধ্যক্ষা মহোদয়াই আসন গ্রহণ কৰে)।

মাননীয়া উপাধ্যক্ষা মহোদয়া, মই আৰু বেছি দীঘলীয়াকৈ নকওঁ কিন্তু এটা কথা কওঁ এইখিনিতে যে আমাৰ জনজাতি আৰু অনুসূচিত জনজাতি ও পিছপৰা শ্রেণীৰ ক্ষেত্রত চাকৰিৰ যি বেক্‌লগৰ কথা আছে সেইখিনি সুবিধা দি নিয়োগ আদি কৰিব লাগে। নহ'লে সদায়ে ধর্ণা, সমদল আদি উলিয়াই তেওঁলোকে আন্দোলন চলাই আছে। সেয়ে চৰকাৰে এই ক্ষেত্রত চৰকাৰে এক বিহিত ব্যৱস্থা ল'ব বুলি অনুৰোধ কৰিলো আৰু কর্তন প্রস্তাৱটো উত্থাপন কৰি সামৰণি মাৰিলোঁ।

মাননীয়া উপাধ্যক্ষা ঃ- এতিয়া মাননীয় শ্রীহিৰেন দাসে কওক।

***শ্রীহিৰেন দাস ঃ-** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি মই এই জনজাতি আৰু অনুসূচীত জাতি ও পিছপৰা শ্রেণীৰ ক্ষেত্রত যি গ্রাণ্ট আহিছে তাৰ ওপৰত যি কর্তন প্রস্তাৱ উত্থাপন কৰা হৈছে তাক সমর্থন কৰি মই দুআষাৰমান ক'বলৈ লৈছোঁ। এই জনজাতি অনুসূচিত জাতি ও পিছপৰা শ্রেণীৰ কাৰণে আজি যিমান আলোচনা বিলোচনা হ'ব লাগিছিল বা চিন্তা-চর্চা হ'ব লাগিছিল সেই ধৰণে হোৱা নাছিল। কিন্তু আজি সদনত এই সম্পর্কত যিখিনি আলোচনা হৈছে সেইটো অতি ভাল দিশ হৈছে এই মানুহখিনিৰ কাৰণে। আজি স্বাধীনতাৰ ইমান বছৰৰ পিছতো সংবিধানে এই জনগোষ্ঠীৰ কাৰণে সংবিধান ৰচনা কৰাৰ সময়তেই

কিছু সা-সুবিধা দিয়াৰ কথা, ব্যৱস্থাৰ কথা লিখি থৈ গৈছে। আকৌ বিভিন্ন সময়ত এই বিভাগত পুঁজিও ধার্য্য কৰা হৈছে। কিন্তু তথাপি যোৱা ৬০ বছৰে ভবামতে এই মানুহখিনিৰ অৱস্থাৰ কিন্তু উন্নতি নহ'ল। আজিও এইসকল প্রায় একে পর্য্যায়তে আছে। কিন্তু যিখিনি হ'ব লাগিছিল সেইখিনিও কিয় নহ'ল। তাৰ কাৰণে দোষী কোন? চৰকাৰ নে এই জনগোষ্ঠীৰ মানুহখিনি যে কোনোবা আমোলা বিষয়া? কাৰোবাৰ দোষটো নিশ্চয় থাকিব লাগিব। নহ'লে সংবিধানে প্রদত্ত পুঁজি আজি পোৱাৰ পিছতো কিয় তেওঁলোকৰ উন্নতি নহ'ল। ক'ৰবাত নিশ্চয় জোট লাগিছে। কিন্তু ক'ত লাগিছে বিচাৰি উলিয়াবই লাগিব। আজি কেন্দ্রই টকা দিছে সেই টকাও পর্য্যাপ্ত পৰিমাণ নহয়। তথাপি আমি যি টকা পাওঁ সেইখিনি কামত আহিব লাগিব, সদ্ব্যৱহাৰ হ'ব লাগিব। নহ'লে বছৰেবছৰে টকা দি লাভ নাই। আমি দেখিছোঁ এই মানুহখিনিৰ উন্নতি হওক নহওক কিছুমান মানুহ কিন্তু ধনী হৈছে এই টকাৰে। গুৱাহাটীত ঘৰ, মাটি কিনিছে, বিলাসী গাড়ী কিনিছে। মাননীয়া উপাধ্যক্ষা মহোদয়া, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কাৰণে চৰকাৰে যিবিলাক টকা-পইচা দিয়ে সেইবিলাক বেংকে মানুহবিলাক বিভিন্ন ধৰণেৰে হাৰাশাস্তি কৰি থাকে, ফলত মানুহবিলাক হতাশ হৈ ঘূৰি আহে। দুখীয়া মানুহবিলাকে বেংকৰ লগত যোগাযোগ কৰিব নোৱাৰে। গতিকে আঁচনিবিলাকৰ ধন সঠিকভাৱে দিবলৈ হ'লে বেংকৰ যোগেদি নিদি পোনপটীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিলেহে প্রকৃত হিতাধিকাৰীসকল উপকৃত হ'ব। মাননীয়া উপাধ্যক্ষা মহোদয়া, আৰু এটা ডাঙৰ কথা হৈছে যে সমগ্র ৰাজ্যখনতে অনুসূচিত জাতি আৰু জনজাতিসকলৰ নামত জাল প্রমাণ-পত্র উলিয়াই লৈছে। আৰু তেওঁলোকে এই

সুবিধাবিলাক ভোগ কৰি আছে। কিন্তু সমাজত তেওঁলোকে কয় আমি উচ্চ তোমালোক নীচ, কিন্তু তেওঁলোক কিয় আহিছে। আহিছে আৰু আমি বেয়া নাপাওঁ। যদি এটা বছৰত এই প্ৰমাণ-পত্ৰবিলাক নবীকৰণৰ ব্যৱস্থা কৰিলেহেঁতেন বহুতো জাল প্ৰমাণ-পত্ৰ ধৰা পৰি গ'লহেঁতেন। আমাৰ ইয়াত বিভিন্নজনে বিভিন্ন উপাধি লিখে। গতিকে তাৰ দ্বাৰা চিনাক্ত কৰা কঠিন। প্ৰমাণ-পত্ৰবিলাকত মহকুমাধিপতি, উপায়ুক্তসকলৰ চহী থাকিব লাগে। যদি নবীকৰণৰ ব্যৱস্থা কৰে বহুতো মানুহ উপকৃত হ'লহেঁতেন।

ছাত্ৰ-ছাত্ৰীসকলক স্কলাৰশ্বীপ দিয়া হৈছে। চৰকাৰে টকা দিছে। কিন্তু মোৰ দৰং জিলাৰ সমষ্টিত এতিয়ালৈকে এজনো ছাত্ৰ-ছাত্ৰীয়ে পোৱা নাই। কোনোবাই সেই টকা-পইচাবিলাক অসৎ উপায়েৰে হয়তো উলিয়াই নিছে। গতিকে ইয়াৰ এটা তদন্ত হ'ব লাগে। এচ. টি. টি এচ. পিৰ শিতানত বহুতো টকা-পইচা দিয়া হয়। কেন্দ্ৰীয় চৰকাৰেও দিয়ে। কিন্তু দেখা যায় যে যিবিলাক এচ. টি মানুহ নাই তেনে এৰিয়াবোৰত ৰাস্তা আদি বনোৱাৰ নামৰ টকাবিলাক খৰচ কৰা হয়। প্ৰকৃত এচ. টি আৰু এচ. চিসকলে টকা-পইচাবিলাক উলিয়াবৰ কাৰণে বিভিন্ন নথি-পত্ৰ বিচাৰি হাৰাশাস্তি কৰে। গতিকে প্ৰকৃতাৰ্থত এই আঁচনিবিলাক সফল ৰূপায়ণ হোৱা নাই। মই হীৰা সম্প্ৰদায়ৰ মানুহ। মাটিৰ বাচন বনোৱা শিল্পটো এতিয়া প্ৰায় বন্ধ হৈ গ'ল, মাছৰ ব্যৱসায়টো বন্ধ হৈ গ'ল। সেইদৰে সোণৰ অলংকাৰ গঢ়াৰ শিল্পটোও লোপ পাই আহিছে। মানুহবিলাকক পোনপটীয়াকৈ সহায় কৰিলেহে উপকৃত হ'ব। এতিয়া পাৰাৰ টিলাৰ দিয়াৰ ব্যৱস্থা কৰিছে, তাৰ প্ৰয়োজন আছে।

ইয়াত ৫০ শতাংশ, ২৫ শতাংশ চাবচিদি দিব লাগে। অন্যথাই তেওঁলোকে টকা ক'ত পাব। ইয়াৰ সদ্ব্যৱহাৰ হ'ব লাগে। নহ'লে কোনো কামত নাহিব। মাননীয় উপাধ্যক্ষ মহোদয়া, আৰু এটা আচৰিত কথা এই বিভাগটোৰ বিষয়ে বহুতে আগতে নাজানিছিল। ডব্লিউপিটি/ বিচি বিভাগ এটা যে আছে এতিয়া গম পাইছে। কিছু বছৰৰ পৰা এই বিভাগলৈ বহুত টকা আহিছে। এতিয়া মানুহৰ চকুত পৰিছে, চকুত পৰক, কিন্তু ভাল চকু পৰিব লাগে। কিন্তু কাম-কাজবিলাকত চৰকাৰে কৃপণালি কৰি আছে। আগতে ইয়াৰ টকা কর্মচাৰীৰ দৰ্মহাত খৰচ কৰিছিল। এই বিভাগত নিগমবিলাক হৈছে— এচ টি কর্পৰেশ্যন, এচ চি কর্পৰেশ্যন, অ বি চি কর্পৰেশ্যন। মাননীয় বিভাগীয় মন্ত্রী মহোদয়াৰ নেতৃত্বত টকা ধৰা হৈছে। এইবাৰৰ বাজেটতো যাতে টকা দিয়া হয়। নহ'লে নিগমবিলাক মৰি যাব। অতি দুখৰ কথা যে মন্ত্রী সভাখনত এচ চিৰ এজনো কেবিনেট মন্ত্রী নাই। মানুহ থকা স্বত্বেও কিয় দিয়া নাই। মই এজন কেবিনেট মন্ত্রী ল'ৰৰ কাৰণে অনুৰোধ জনালো। এই কর্তন প্রস্তাৱটো সমর্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

Madam Deputy Speaker : Shri Ananta Deka.

শ্রীঅনন্ত ডেকা ঃ- মাননীয়া উপাধ্যক্ষা ডাঙৰীয়ানী, কর্তন প্রস্তাৱ সমর্থন কৰি মই দুটামান কথা ক'ব বিচাৰিছো। বছৰৰ পিছত বছৰ ধৰি অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসকলৰ শিতানবিলাকত যিমানবিলাক টকা চৰকাৰে দিছে প্রকৃত হিতাধিকাৰীয়ে ইয়াৰ পৰা উপকৃত হোৱা নাই। বিভিন্ন বিভাগে বিভিন্ন সামগ্রী কিনাৰ নামত এই টকাবিলাক ব্যয় কৰিছে। তাৰ কোনো টেন্‌ফাৰৱেন্সি নাই। প্রকৃত হিতাধিকাৰীয়ে এই

কথাবিলাক গ'ম নাপায়। যিবোৰ সামগ্রী কিনা হয় এই সামগ্রীসমূহ কেন্দ্রীয় ভাৱে ক্রয় নকৰি স্থানীয়ভাৱে কিনিলে ভাল হয়। অনুসূচিত জাতিয়েই হওঁক বা অনুসূচিত জনজাতিয়েই হওঁক এই আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্রত সু-ব্যৱস্থা হাতত ল'ব লাগে। জনজাতি আৰু অ-জনজাতিসকলৰ অন্যান্য পিছপৰাসকলৰ বিভিন্ন সামগ্রীসমূহ কেন্দ্রীয়ভাৱে নকৰি স্থানীয়ভাৱে কিছু কম দৰত সামগ্রীসমূহ ক্রয় কৰিব পৰা যায়। নহ'লে ক্রয় কৰোতে সামগ্রীসমূহ চাৰি পাঁচ হাজাৰৰ ঠাইত অধিক দাম দেখুৱায়। মোৰ ৰঙিয়া সমষ্টিত শিপিনীসকলক তাঁতশাল দিয়া হৈছে, তাঁতশালবিলাক অতি নিম্ন খাপৰ হোৱাৰ কাৰণে শিপিনীসকলে ভালদৰে ব্যৱহাৰ কৰিব পৰা নাই। এচাম মধ্যভোগীয়ে এই সুবিধাবিলাক গ্রহণ কৰি আছে। গতিকে পৰীক্ষা কৰি চালে দেখা যাব কিমানখিনি টকা অপা[illegible]ছে। এচ. চি. আৰু এচ. টি সকলে এই সুবিধাবিলাক নাপায়। নন. [illegible]. আৰু নন এচ.চিয়ে পায়। চিলেকশ্যন কেনেকৈ কৰিছে সেইটো চাব লাগে। কাৰণ পাছ চার্টিফিকেট বিলাক আজিকালি টকা দিলেই পায়। গতিকে নন এচ. টি আৰ নন এচ. চিসকলে জালিঁয়াটি কৰি সেইবিলাক উলিয়াই লয়। বিভিন্ন বিভাগে কামৰ কাৰণে এই শিতানত টকা দিছে কেতিয়াবা দেখা পাওঁ এচ. চি, এচ. টি এলেকাবিলাক বাদ পৰি গৈছে। [illegible] এলেকাতে হৈছে। মাননীয় সদস্য হীৰেন দাস ডাঙৰীয়াই কৈছে যে স্কলাৰশ্বিপবিলাক ল'ৰা-ছোৱালীবিলাক ওলাই, যোৱাৰ পাছতহে পায়। প্রকৃত হিতাধিকাৰীসকল স্কলাৰশ্বিপৰ ধনেৰে উপকৃত হ'ব পৰা নাই। তাৰ এটা উচিত ব্যৱস্থা ল'বৰ কাৰণে চৰকাৰক অনুৰোধ জনালো আৰু কর্তন প্রস্তাৱটো সমর্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

Madam Deputy Speaker : Shri Guneswar Das.

শ্রীগুনেশ্বৰ দাস ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি এই পবিত্র সদনত কর্তন প্রস্তাৱৰ সমর্থন কৰি কওঁ যে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা জাতিসমূহৰ ল'ৰা-ছোৱালী বা ছাত্র-ছাত্রীসকলৰ জলপানি দিওতে প্রকৃত দুখীয়া অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা জাতিৰ ছাত্র-ছাত্রীয়ে এই জলপানি নাপায় বা তেওঁলোকৰ নাম সেই সূচীত অন্তর্ভূক্ত নহয়। এইটোও দেখা যায় কিছু সংখ্যক অন্য জাতিৰ ছাত্র-ছাত্রীয়ে নকল প্রমাণ-পত্রৰ যোগেদি এই জলপানি পোৱাৰ সুবিধা কৰি লয়। মই আশা কৰিছো অনুসূচীত জাতি আৰু জনজাতি তথা পিছপৰা শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে দিয়া এই জলপানী যাতে প্রকৃত আৰু দুখীয়া অনুসূচীত জাতি আৰু জনজাতি তথা অন্যান্য পিছপৰা শ্রেণীৰ ছাত্র-ছাত্রীয়েহে পায় তাৰ ব্যৱস্থা কৰিবনে ? মন্ত্রী মহোদয়ক মই বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো। মাননীয়া উপাধ্যক্ষা মহোদয়া, মোৰ ৰহা সমষ্টিত এজনো অনুসূচীত জাতিৰ ছাত্র -ছাত্রীয়ে জলপানি নাপালে বা তেওঁলোকৰ নাম অন্তর্ভূক্ত নহ'ল। এই গোটেই টকাখিনি অনুসূচীত জাতিৰ ছাত্র-ছাত্রীৰ বাবেই আৱণ্টিত আছিল। কিহৰ বাবে মোৰ সমষ্টিৰ ছাত্র-ছাত্রীয়ে জলপানি নাপালে, ইয়াৰ ৰহস্য কি আমি উলিয়াব নোৱাৰিলো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি SCCP আঁচনিৰ অন্তর্গত পাৱাৰ টিলাৰ বিতৰণৰ বাবে কিছু নিয়ম-নীতি বান্ধি দিয়া হৈছে। পাৱাৰ টিলাৰৰ বাবে আবেদন কৰা কৃষকৰ অতি কমেও চাৰি বিঘাকৈ মাটি থাকিব লাগিব। কিন্তু আমাৰ এই অতি দুখীয়া শ্রেণীটোৰ

অধিক সংখ্যকৰে চাৰি বিঘাতকৈ কমহে মাটি আছে। এওঁলোকে মাটিৰ নথি-পত্ৰ দিব নোৱাৰে। ফলত কি হৈছে অনুসূচীত জাতি আৰু জনজাতিৰ বাবে আৱণ্টিত হোৱা পাৱাৰ টিলাব আজি অন্যই নকল প্ৰমাণ-পত্ৰেৰে এই সুবিধা ভোগ কৰি আছে। এই নীতি-নিয়মবোৰৰ বাবেই আমাৰ প্ৰকৃত অনুসূচিত জাতি আৰু জনজাতিব লোকসকল সুবিধাবোৰৰ পৰা বঞ্চিত হৈছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, বৰ্তমান সদনত মাননীয় মীন মন্ত্ৰী মহোদয় নাই। মীন বিভাগৰ পৰা ৰহা সমষ্টিত মাছমৰীয়া লোকসকলৰ বাবে ৪৩ টা ঘৰ আৱণ্টিত হৈছিল। মই সেই আঁচনিৰ বাবে মাছমৰীয়ালোকে বাস কৰা ৬খন গাঁওৰ নাম উল্লেখ কৰি দিছিলো। কিন্তু এনেকুৱা গাঁৱত আছে য'ত এজনো মাছমৰীয়া লোক নাই। উপৰি উক্ত ঘৰসমূহ এইবোৰ গাঁৱতে [illegible]ত হৈছে য'ত এজনো মাছমৰীয়া লোক নাই। অৰ্থাৎ মাছমৰীয়া [illegible]বে আৱণ্টিত ঘৰ অন্য লোকেও পালে। মই এই বিষয়টো এই কাৰণেই উত্থাপন কৰিছো যে এই বিসংগতিবোৰ কিহৰ কাৰণে হৈছে? কাৰ প্ৰৰোচনাত হৈছে? এনেধৰণৰ বিসংগতিবোৰ দূৰ কৰিবৰ বাবে মই মাননীয়া মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

মাননীয় উপা[illegible] মহোদয়া, এতিয়া মই মোৰ ৰহা সমষ্টিৰ কথা ক'ব বিচাৰিছো। CCP, TSP আদি আঁচনিত বিভিন্ন পথ পকীকৰণ কৰা হে আছে। ৩০-৪৫ লাখ টকা একোটা ৰাস্তা পকীকৰণৰ বাবে আৱণ্টিত হৈছে। এই কামবোৰ অনুসূচিত জাতি বা জনজাতিৰ ঠিকাদাৰৰ জৰিয়তে কৰাব লাগিছিল। মই নিজে অভিযন্তাৰ

দ্বাৰা এষ্টিমেট তৈয়াৰ কৰি, মই মোৰ পেডৰ পাতত লিখি ৰিক'মেণ্ড কৰি দিছিলো। সেইয়া মন্ত্ৰী মহোদয়াৰ হাতত জনাই দিয়া হৈছিল। কিন্তু কাৰ প্ৰৰোচনাত মন্ত্ৰী মহোদয়াই মোৰ অনুৰোধ নাৰাখিলে। অন্য লোকে কি ধৰণে ইয়াৰ পৰা কাম আদায় কৰি কাম কৰিলে আমি নাজানিলো। আমাৰ অনুসূচীত জাতি বা জনজাতিৰ ঠিকাদাৰে কিন্তু কাম নাপালে। অন্য ঠিকাদাৰেহে কাম কৰি আছে। আমাৰ অনুসূচীত জাতি বা জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ঠিকাদাৰে কাম পোৱাহেঁতেন ভাল পালোহেঁতেন। যিবিলাক আঁচনিৰ দ্বাৰা অনুসূচীত জাতি বা জনজাতি আৰু অন্যান্য পিছপৰা জাতিৰ উন্নয়নৰ কাম কৰি থকা হৈছে। প্ৰকৃততে এই আঁচনিসমূহৰ যাতে প্ৰকৃত উন্নয়ন হয়, সেই হিচাপে আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ মাননীয়া মন্ত্ৰী মহোদয়াক অনুৰোধ জনালো। কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মংগলদৈ সমষ্টিৰ মাননীয় বিধায়ক শ্ৰীযুত হীৰেণ দাস ডাঙৰীয়াই এই সংক্ৰান্তত বিতংকৈ কৈছেই। তথাপি উপাধ্যক্ষ মহোদয়া পৰম্পৰাগতভাৱে এই ধনৰাশিৰ পৰা ১০০ টকা কৰ্তনৰ যি প্ৰস্তাৱ সেই প্ৰস্তাৱটো সমৰ্থন কৰি মই বিশেষ নকৈ এইখিনি কৈয়েই সামৰিলো।

শ্ৰীজ্যোতি প্ৰসাদ দাস ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয়া মন্ত্ৰী শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে তেখেতৰ বিভাগৰ অতিৰিক্ত খৰচৰ কাৰণে ১৭৩৩.০৫ লাখ টকা বিচাৰিছে। ইয়াৰ মই প্ৰতিবাদ কৰিছো আৰু ১০০ টকাৰে হ্ৰাস কৰি কৰ্তন প্ৰস্তাৱ আগবঢ়াইছো। আমাৰ অসমত এচ. চি/এচ. টি আৰু অ. বি. চিসকলৰ উন্নতিৰ বাবে তিনিটা বিভাগ একেলগে আছে। এই তিনিটা বিভাগৰ জৰিয়তে কল্যাণৰ কাৰণে এজন

মন্ত্রী যথেষ্ট নহয়। অসমত থকা ৭০ লাখ অনুসূচীত লোকৰ কল্যাণৰ কাৰণে কাম কৰিব লাগে। অসমত অনুসূচীত জাতিৰ উন্নয়নৰ কাৰণে এজন সঞ্চালক আছে, কর্পোৰেচন আছে আৰু চাব ডিভিজনেল ওৱেলফেয়াৰ বর্ড আছে, প্রণালীবদ্ধভাৱে যিবিলাক আঁচনি লোৱা হয়, সেইবিলাক কার্য্যকৰী কৰাত সদইচ্ছা প্রকাশ নকৰে। অসম মীন উদ্যোগ নিগম এটা আছে। তাত মীন মহলবোৰ আছে, সেইবিলাক টেণ্ডাৰ যোগে লিজত দিব পাৰি। এই মীন মহলবিলাক অনুসূচীত জাতিৰ লোকসকলক দিয়াৰ নীতি আছে। কিন্তু আমি দেখিছো বহু ক্ষেত্রত এই মীন মহলবিলাক অনুসূচীত জাতিৰ মানুহৰ নামত বেলেগ মানুহে আৱণ্টন লয় আৰু তেওঁলোকে ব্যৱসায়িক ভিত্তিত চলোৱাৰ ফলত অনুসূচিত জাতিৰ লোকসকল বঞ্চিত হয় আৰু তেওঁলোক উপকৃত নহয়। মহকুমা ওৱেলফেয়াৰ বোর্ড আছে। মন্ত্রী মহোদয়াই কৈছে যে এই মহকুমা ওৱেলফেয়াৰ বোর্ডৰ যোগেদি টকা দিয়া হয়। অনুসূচিত জাতিৰ উন্নতিৰ বাবে এজন চেয়াৰম্যান থাকে। মই কামৰূপ জিলাৰ অন্তর্গত বকো সমষ্টি বিধায়ক হিচাপে আমাৰ চাব ডিভিজনেল ওৱেলফেয়াৰ বোর্ডৰ কার্য্যালয়টো গুৱাহাটীত পাওঁ। কিন্তু তাত আলোচনা-বিলোচনা কৰাৰ কাৰণে আমাক সভালৈ নামাতে। এই ক্ষেত্রত মন্ত্রী মহোদয়াক টানি অনুৰোধ জনাইছো তেখেতে বিশেষভাৱে চকু দিব লাগে। এইসকল চৰকাৰী বিষয়া, সঞ্চালকে জাতিটোৰ উন্নয়নত ব্যাঘাত জন্মাইছে। স্কলাৰশ্বিপৰ কথাটো ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্রীহিৰেন দাস ডাঙৰীয়াই কৈছেই। ওৱেলফেয়াৰ বোর্ড বা আই. টি. ডি. পিৰ জৰিয়তে স্কলাৰশ্বিপ দিয়া হয়। চৰকাৰী বিষয়াৰ গাফিলতিৰ কাৰণে গাঁৱৰ ল'ৰা-ছোৱালীয়ে স্বলাৰশ্বিপৰ পৰা তেওঁলোক বঞ্চিত

হৈছে। ছাত্র-ছাত্রীসকলে বর্তমান ভাবিব নোৱাৰে যে তেওঁলোকে স্কলাৰশ্বিপ পায়। এইবিলাক বিজুতি ঘটি আছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এতিয়া আমি দেখিবলৈ পাইছো যে পঞ্চায়তী ৰাজ ব্যৱস্থাত ব্যক্তিগত জীৱনৰ উন্নতিৰ বাবে শতকৰা ২২.৫ ভাগ সংৰক্ষণ থাকে অনুসূচিত জাতি অনুসূচিত জনজাতি হিচাপে। কিন্তু পঞ্চায়তৰ বডিবিলাকে এইবিলাক চিলেক্ট কৰোতে বৈষম্য কৰে। কেতিয়াবা সেইটো শিতানত অকল এচ. চিৰ মানুহক দিয়ে, এচ. টি বঞ্চিত হয়, এচ. টিক দিলে এচ. চি বঞ্চিত হয়। বর্তমান এন্ৰেগা স্কীমটো অসমত চলিছে আৰু চলিব। কিন্তু মোৰ সন্দেহ হৈছে যে, এই স্কীমটো ST আৰু SC মানুহবিলাক বঞ্চিত হ'ব। পঞ্চায়ত চেক্ৰেটাৰীৰ জৰিয়তে জব কার্ড পোৱাৰ ক্ষেত্রত তেওঁলোক যাতে বঞ্চিত নহয়। গুৱাহাটীত SC মানুহৰ বাবে আম্বেদকাৰ ভৱন আছে, ইংৰাজীত যি জন মানুহে ভাৰতৰ সংবিধান ৰচনা কৰিছিল আৰু সেই সংবিধানৰ গণ্ডিতে আমি চলি আছো, কিন্তু সেই ভৱনটিৰ অৱস্থা বর্তমান ভাল নহয়। সেই ভৱনৰ উন্নতি সাধন কৰিবৰ কাৰণে মই প্রস্তাৱটো ৰাখি বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো। এইখিনি কৈ মই কর্তন প্রস্তাৱক সমর্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Madam Deputy Speaker : Shri Thaneswar Basumatary.

শ্রীথানেশ্বৰ বসুমতাৰী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ কল্যাণ মন্ত্রী মহোদয়াই যি অতিৰিক্ত দাবী মঞ্জুৰী জনাইছে তাক মই পূর্ণ সমর্থন জনাইছো। এই দাবী মঞ্জুৰীৰ ওপৰত আমাৰ মাননীয় সদস্য সকলে বিভিন্ন বক্তব্য ৰাখিছে।

এচ,চি -এচ, টি ওৱেলফাৰ বোর্ডৰ জৰিয়তে অসমৰ বিভিন্ন প্ৰান্তত উন্নতি কৰাৰ কাৰণে ৰাস্তা, B.P.Lসকলৰ কাৰণে চেক দিয়াৰ ব্যবস্থাৰে I.B.S দিয়াৰ ব্যৱস্থা লোৱা হৈছে। এই বিলাক জৰিয়তে আমাৰ উন্নয়ন বহুত আগ বাঢ়িছে আৰু প্ৰকৃত হিতাধিকাৰী লাভান্বিত হৈছে। বিভিন্ন সময়ত দেখিবলৈ পাইছো যে আমাৰ যি প্ৰকৃত আঁচনি সেই আঁচনিবিলাক ৰূপায়ণ কৰোঁতে নিৰ্বাচিত প্ৰতিনিধিসকলক জড়িত নকৰাকৈ কিছুমান বৰ্ডে কাম কৰিব বিচাৰে। যি পুঁজি দিয়া হয় সেই পুঁজিবিলাক ভাল ধৰণে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আমি সহায় সহযোগ আগবঢ়াই যোৱাৰ ফলত পুঁজিবিলাক সদ ব্যৱহাৰ হৈছে। আমাৰ বিষয়াসকলৰ ওপৰত আমি যদি ষ্টিকট্ হঁও তেতিয়া হ'লে কাম হ'ব। মাননীয়া মন্ত্ৰী মহোদয়াই কৰ্মচাৰীসকলৰ বাবে অতিৰিক্ত দাবী জনাইছে। এই দাবী মঞ্জুৰী মই সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীমহেশ্বৰ বড়োঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী যি অতিৰিক্ত দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো। লগতে যি কৰ্তন প্ৰস্তাৱ আগবঢ়াইছে তাৰ বিৰোধিতা কৰিছো। মই এই কাৰণে সমৰ্থন জনাইছো যে এচ.চি আৰু এচ.টি ৰ কাৰণে যি লোৱা হৈছে সেইটো বিভাগৰ ফালৰ পৰা ব্যৱস্থা লৈ থকা হৈছে। মোৰ নিজৰ সমষ্টিত স্কীমবিলাক সুন্দৰভাৱে চলি আছে। এচ.চি বোর্ড, আই. টি. ডি. পিবোর্ড বিলাকৰ যি স্কীম বিতৰণ কৰা হৈছে সেই বিলাক ভাল ধৰণে চলি আছে। মই নিজে এচ, টি বিধায়ক হিচাপে পাবলৈ সক্ষম হৈছো। কিছুমান স্কীমৰ টকা ৰিলিজ কৰিব পৰা নাই। কিছুমান ঠিকাদাৰে কাম কৰিছে, কিন্তু

পইছা পোৱা নাই। টি.এচ. পি. ৰাস্তাকেইটা কৰিছে। আজি যি দাবী উত্থাপন কৰা হৈছে সেইটো যাতে মঞ্জুৰ হয়। আই, বি, এচ, ৰ কাৰণে যি দিয়া হৈছে সেইটো মোৰ সমষ্টিত সঠিকভাৱে বিতৰণ হৈছে। মন্ত্রী মহোদয়াই আজি যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক মই সমর্থন কৰিছো আৰু কর্তন প্রস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* মঃ মহিবুল হক ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা কল্যাণ শ্রেণী বিভাগৰ ওপৰত বিৰোধী পক্ষই যি কর্তন প্রস্তাৱ আনিছে আমি তাৰ সম্পূর্ণ বিৰোধিতা কৰিছো এই কাৰণেই যে বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে যি খিনি কথা উত্থাপন কৰিছে সেইখিনি কথাৰ কোনো যুক্তি আছে বুলি আমি নাভাবো। কাৰণ আমাৰ তৰুণ গগৈৰ কংগ্রেছ চৰকাৰখনে ইতিমধ্যে এচ. চি আৰু এচ. টি সম্প্রদায় মানুহৰ আর্থিক বিকাশৰ বাবে বিভিন্ন উন্নয়নমূলক আঁচনি গ্রহণ কৰিছে। উপাধ্যক্ষা মহোদয়া, অকল সেয়াই নহয়, আমাৰ দৰে দেশ স্বাধীন হোৱাৰ লগে লগে সেই সময়ত সংবিধান ৰচনা কৰাৰ দায়িত্ব ড° বি, আৰ আম্বেদকাৰৰ ওপৰত অর্পণ কৰিছিল। সেই সময়ত আমাৰ দেশ বহুত পণ্ডিত বহু নেতা থকাৰ পিছতো এই সম্প্রদায়ৰ প্রতি যাতে কোনো অন্যায় কৰা নহয় তাৰ প্রতি লক্ষ্য ৰাখি বি. আৰ. আম্বেদকাৰক সংবিধান ৰচনা কৰাৰ বাবে দায়িত্ব অর্পণ কৰা হৈছিল। আৰু তেতিয়াৰ পৰাই আমাৰ ভাৰতীয় সংবিধান প্রণয়ন হৈ আছে। অকল সেয়াই নহয় আমাৰ কংগ্রেছ চৰকাৰে কে. আৰ. নাৰায়ণনদেৱক ভাৰতৰ ৰাষ্ট্রপতি পদ অর্পণ কৰিছিল। এই এচ. চি আৰু এচ.টি সম্প্রদায়ৰ মানুহখিনি

যাতে আর্থিকভাৱে, ৰাজনৈতিকভাৱে আৰু সামাজিকভাৱে আগবাঢ়ি যাব তাৰ বাবে আমাৰ কংগ্ৰেছ চৰকাৰে বিভিন্ন সময়ত বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছে। আজি গোটেই ভাৰতবৰ্ষৰ লগতে আমাৰ অসমতো এম.পি.চিত এচ.চি, এচ. টিৰ বাবে ৰিজাৰ্ভ কৰা হৈছে। এম. এল. এ ছিট ৰিজাৰ্ভ কৰা হৈছে। তাৰ উদাহৰণ হৈছে আমাৰ বকো সমষ্টিৰ বিধায়ক। এই ব্যৱস্থা সম্ভৱ হৈছে কংগ্ৰেছ দলৰ উদাৰ নীতিৰ বাবে। চাকৰিৰ ক্ষেত্ৰতো এচ.চি আৰু এচ. টিৰ পদ সংৰক্ষণ কৰা হৈছে। আমাৰ তৰুণ গগৈ চৰকাৰে যিখিনি বেকলগ শিক্ষা বিভাগ আছিল সেইখিনি পূৰণ কৰাৰ বাবে এচ. চি, এচ.টি সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীক মাতি আনি এই গুৱাহাটী মহানগৰীত নিয়োগ-পত্ৰ দিয়া হৈছে। মোৰ সমষ্টিৰ এজন এচ. চি সম্প্ৰদায়ৰ ল'ৰা আছিল তেওঁক মাতি আনি গুৱাহাটীত শিক্ষা বিভাগত চাকৰি দিয়া হৈছে। আৰু এতিয়া এখন হাইস্কুলত চাকৰি কৰি আছে। আজি মীন বিভাগত এই সম্প্ৰদায়ৰ মানুহক বিল আৰণ্টন দিয়া হৈছে। তেওঁলোকে যাতে আর্থিক দিশত আগবাঢ়ি যাব পাৰে আৰু যাতে তেওঁলোকৰ বিকাশ হয় তাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। আমি ইয়াৰ বাবে মুখ্যমন্ত্ৰী, তৰুণ গগৈ দেৱক ধন্যবাদ ও শলাগ ল'ব লাগিব।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি কোকৰাঝাৰত স্বৰ্গীয় উপেন ব্ৰহ্মৰ নামত কংগ্ৰেছ চৰকাৰে মেডিকেল কলেজ স্থাপন কৰিছে। বিষ্ণুৰাম মেধিৰ নামত কলেজ স্থাপন কৰা হৈছে। আজি এচ. জি. আৰ. ওৰাই আচঁনিত ২২ শতাংশ আই.বি.এচ, এচ.চি, এচ. টিৰ বাবে দিয়া হৈছে। তেওঁলোকক আর্থিকভাৱে সকাহ দিয়াৰ বাবে লাখ

লাখ, কোটি কোটি টকাৰ আঁচনি যুগুত কৰা হৈছে। টি. এচ. পি, এচ. চি, চি.পি আঁচনিৰ জৰিয়তে সেইবোৰ অঞ্চলত ৰাস্তা-ঘাট, দলং আদি বনোৱা হৈছে। এই সম্প্রদায়ৰ লোকসকলৰ উন্নয়নৰ কাৰণে আমাৰ চৰকাৰে সকলো সময়তে সচেতন হৈ আছে। মই আৰু বেছি দীঘলীয়া কৰিব বিচৰা নাই। মোৰ গৌৰীপুৰ সমষ্টিত এচ. চি, এচ. টিৰ সংখ্যা ৪০ শতাংশ। গতিকে মই মাননীয় মন্ত্রী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছো আৰু আমাৰ বিৰোধী পক্ষই কৈছে আই.টি.ডি.পিত আমাৰ লোকেল এম.এল.এ সকলক চেয়াৰমেন হিচাপে নাৰাখিলেও সৰু সৰু এজন মেম্বাৰ হিচাপে হ'লেও ৰাখিব লাগে। কাৰণ এই আঁচনিত কেন্দ্রীয় চৰকাৰে বহুত টকা দি আছে আৰু আমাৰ ৰাজ্য চৰকাৰেও ষ্টেট চেয়াৰৰ যোগেদি বহু টকা দিছে। গতিকে টকাবোৰ ক'ত কেনেকৈ খৰছ হয় আমি তাত মেম্বাৰ হিচাপে থাকিলেও জানিব পাৰিম।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এই গোটেই খিনি মনিতৰিং কৰি পঞ্চায়ত বিভাগৰ লগত আলোচনা কৰি এটা ব্যবস্থা কৰিব লাগে। এইদৰে দেখা গৈছে আমাৰ এচ. চি, এচ.টিৰ মানুহ বিলাক বঞ্চিত হৈ আছে। এচাম মধ্যভোগী বা দালাল ইয়াত জড়িত হৈ আছে। কোনোবা বিষয়া বা ঠিকাদাৰো হ'ব পাৰে। তেওঁলোকে আঁচনি পর্য্যন্ত গাইপ কৰিছে। আপোনালোকে এইটো ইনিচিয়েটিভ লৈ ব্যৱস্থা কৰিব লাগে। আমাৰ যিবিলাক আই.টি. ডি. পি বোর্ড আছে, ৰেলফেয়াৰ বোর্ড আছে তাত লোকেল এম. এল. এক সামৰি ল'লে ভাল হয়। এই খিনিকে কৈ মই সকলোলৈকে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

মাননীয়া উপাধ্যক্ষাঃ- শ্রীযুত আদিত্য লাংথাছা। অলপ চমুৰাই ক'ব।

ডাঃ আদিত্য লাংথাছা ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি কর্তন প্রস্তাৱটো সমর্থন কৰি দুটামান কথা মই ক'ব বিচাৰিছো। স্বাধীনতাৰ ৬০ বছৰ পিছতো আমাৰ সংবিধানে প্রদান কৰা সুবিধাসমূহ আমাৰ এচ.টি, এচ.চি আৰু অ.বি.চি মানুহ বিলাকে পোৱা নাই। তেওঁলোক পিছ পৰি আছে। এই ক্ষেত্রত উন্নয়ন আনিব পৰা নাই আপোনালোকে এখন এচ.চি, এচ. টি গাঁওত পদার্পণ কৰিলেই গম পাব। ইয়াৰ ৰাস্তা-ঘাট যেনেদৰে উন্নত হ'ব লাগিছিল তেনেদৰে হোৱা নাই। আমাৰ টোটেল পপুলেচনৰ ২৫ শতাংশ এচ.টি, এচ. চি। গতিকে তেওঁলোকৰ উন্নয়নৰ কথাটো যথেষ্ট গুৰুত্বপূর্ণ। বাজেটত প্রভিজন থাকে, প্রতি বছৰে বাজেটত এচ.চি, এচ.টিৰ কাৰণে টকা ধার্য কৰা হয়। কিন্তু ইম্প্লিমেন্ট কৰোতে যথেষ্ট খেলিমেলি হয়। মোৰ আগতেও বহু কেইজন মাননীয় সদস্যই বিস্তৃতভাৱে কৈ গৈছে। বহুতো পৰামর্শ আগবঢ়াইছে। মই কেইটামান পৰামর্শ আগবঢ়াব খুজিছো। আমাৰ উন্নয়নৰ কাৰণে যি বিলাক বোর্ড আছে সেই বোর্ড বিলাকত পি.ডি আদিৰ পদ খালি হৈ আছে। এই কাৰণে খেলিমেলি হৈ আছে। এচ. চি, এচ. টিৰ যিবিলাক সুবিধা সেই বিলাক অন্যান্য সাধাৰণ শ্রেণীলৈ স্থানান্তৰ কৰে। সেই কাৰণে অসুবিধা হয়। এই বিষয়টো মন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। আমাৰ এচ.টি, এচ.চি মানুহ খিনিৰ আর্থিক, সামাজিক প্রতিটো দিশৰ প্রতি গুৰুত্ব দিব বুলি মই আশা কৰিলো। আজি ৰাভা সকলৰ সমস্যাৰ কথা চৰকাৰে গুৰুত্ব দিয়া উচিত। দেউৰী স্বায়ত্ব পৰিষদ লোকসকলে আজি লাষ্টগেটত অনশন কৰিব লগা হৈছে। তেওঁলোকৰ সমস্যাৰ প্রতি সোনকালে

সমাধান কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। আমাৰ যি বেক্‌লগ আছে, সেই পষ্টবিলাক হাজাৰ হাজাৰ খালী হৈ আছে। এই পদবিলাক পূৰণ কৰিলে আমাৰ নিবনুৱাৰ সংস্থাপন হ'ব। যিবিলাক প্ৰমোচন পষ্ট আছে তাত এচ.চি, এচ.টি, অ.বি.চিৰ কাৰণে যিবোৰ ৰুলচ অৱ ৰিজাভেশ্বন আছে সেইবোৰ 'ফল' কৰা হয় নে নহয়? এ.চি.এচৰ পৰা আই.এ.এচলৈ নমিনেচনৰ ক্ষেত্ৰত বিসংগতি আছে। এ.পি. এচৰ পৰা আই.পি.এচলৈ প্ৰমোচনৰ ক্ষেত্ৰতো বিসংগতিয়ে দেখা দিছে। ৰুলচ মানি চলা উচিত। প্ৰমোচনৰ ক্ষেত্ৰত চিনিয়ৰিটি মানি চলিব লাগে। ১৭.৩৩ কোটি টকাৰ মঞ্জুৰী বিচাৰিছে পিছ পৰা শ্ৰেণীৰ উন্নয়নৰ কাৰণে। আজি যি ধৰণে কাম হ'ব লাগিছিল সেই ধৰণে হোৱা নাই! আমাৰ পৰামৰ্শসমূহৰ প্ৰতি বিশেষ তৎপৰতা ল'ব বুলি মই আশা কৰিছো। ইয়াকে কৈ মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয়া উপাধ্যক্ষা ঃ শ্ৰীৰামেশ্বৰ তেলী। একমিনিট কওক।

*শ্ৰীৰামেশ্বৰ তেলীঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি মাননীয় সদস্যসকলে যি পৰামৰ্শ দিছে, তাত এচ.চি, এচ.টিৰ কথা কৈছে কিন্তু আমাৰ অ.বি.চিৰ কথা নক'লে। মই অ.বি.চিৰ। ৭ বছৰ হৈছে মই বিধায়ক হোৱা। কিন্তু অ.বি.চি মানুহে তেওঁলোকৰ সুবিধা পোৱা বুলি দেখা নাই। এচ.চি, এচ. টিৰ কাৰণে যেনে ধৰণে সুবিধা বিচাৰিছে তেনেদৰে আমাৰ অ.বি.চিৰ কাৰণে বিচৰা নাই। তেওঁলোকৰ সমস্যাৰ প্ৰতি চকু দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আমাৰ চাহ জনগোষ্ঠীৰ মানুহৰ বহুত সমস্যা আছে। তেওঁলোকে চাৰ্টিফিকেট পোৱাৰ ক্ষেত্ৰতো বহুত খেলিমেলি হৈছে। পইচা দিলে চাৰ্টিফিকেট পায়। বহুতে ভুৱা চাৰ্টিফিকেট লৈ তেওঁলোকক বঞ্চিত কৰি আছে। মই মন্ত্ৰী মহোদয়ক চাহ জনগোষ্ঠীৰ

*Speech not corrected

কাষ্ট চার্টিফিকেটৰ ওপৰত গুৰুত্ব দিবলৈ অনুৰোধ জনালো। মই আপোনাৰ যোগেদি তেখেতক অনুৰোধ জনাইছো।

মাননীয়া উপাধ্যক্ষা ঃ শ্রীবিনোদ গোৱালা ।

*শ্রীবিনোদ গোৱালাঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, মই মাত্র কেইটামান পৰামর্শ দিব বিচাৰিছো। আজি আমাৰ এচ.টি, এচ. চি মানুহৰ কাৰণে তেওঁলোকৰ উন্নয়নৰ কাৰণে বেজ্ঞাৰে ব্যৱস্থা লৈছে। আমাৰ অ. বি. চি মানুহৰ ক্ষেত্রতো ঠিক তেনেদৰে ব্যৱস্থা ল'বলৈ আগবাঢ়ি আহিব লাগে। আজি অসমত কিমান অ.বি.চি মানুহ আছে, তাৰ সংখ্যা আমি বিধায়ক সকলে বিচাৰি পোৱা নাই। আমাৰ মানুহ অর্থনৈতিকভাৱে অতি পিছপৰা। তেওঁলোকৰ যেনেদৰে উন্নতি হ'ব লাগিছিল তেনেদৰে হোৱা নাই । আমি দেখিছো ৰেলফেয়াৰ বোর্ডসমূহত এচ.চি, এচ. টি মানুহে যি সুবিধা পায় সেয়া আমাৰ অ. বি. চি মানুহ বিলাকে পোৱা নাই।

মাননীয়া অধ্যক্ষ মহোদয়, অ.বি.চি সকলে এচ. চি, এচ. টিৰ সমানে সুবিধা পাব বুলি আমি আশা কৰিলো। অ.বি.চি কর্পৰেশ্যন অফিচ আছে। আগতে অ.বি.চি সকলক চাবচিডি ল'ন দিয়া হৈছিল, কিন্তু এতিয়া চাবচিডি ল'ন বন্ধ কৰি দিছে। আমি দেখিছো ৰেলফেয়াৰ বর্ড বিলাকত এচ.চি, এচ.টি ৰ মানুহে সুবিধা পাই আহিছে। কিন্তু অ.বি. চি ৰ মানুহখিনিয়ে এতিয়ালৈ সুবিধা পোৱা নাই। মই ভাবো অ.বি.চিৰ লোকসকলক আগুৱাই নিয়াৰ ক্ষেত্রত এচ.চি, এচ.টি লোকসকলৰ নিচিনাকৈ আগুৱাই নিয়াত মাননীয় মন্ত্রী মহোদয়াই গুৰুত্ব দিয়ে। মাননীয়া উপাধ্যক্ষা মহোদয়া, এচ.টি, এচ.চি ৰ বাস্তা-ঘাটৰ ক্ষেত্রত যেনে ধৰণৰ আগুৱাই নিয়াৰ ব্যৱস্থা কৰিছে, অর্থাৎ বাস্তা-পদুলি বিলাক বহুত উন্নত কৰিছে। ঠিক তেনেধৰণে অ.বি.চি লোক সকল থকা গাঁও

*Speech not corrected

সমূহৰ উন্নত ৰাস্তা-ঘাট বনোৱাৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব বুলি আশা কৰিলো। এই কেইটা পৰামৰ্শ দি মই মাননীয় মন্ত্ৰী মহোদয়াক ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয়া উপাধ্যক্ষা : এতিয়া আমাৰ অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ মন্ত্ৰী মহোদয়াই সদনত উত্তৰ দাঙি ধৰিব।

***শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)ঃ-** মাননীয়া উপাধ্যক্ষা মহোদয়া, ইয়াত ধন বিচৰা হৈছে, ১৭ কোটি ৩৩ লাখ ৫ হাজাৰ টকা। মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ মাননীয় বিধায়কসকলে যথেষ্ট পৰামৰ্শ দিছে. সেই কাৰণে মই তেওঁলোকক আন্তৰিক ধন্যবাদ জনাইছো। দৰাচলতে চাপ্লিমেণ্টেৰী গ্ৰাণ্ট আমি বিচাৰিছো, কিন্তু সেইটো আমাৰ বিভাগৰ নহয়, সেইটো আমাৰ কল্যাণ বিভাগৰ ধন হয়। সমাজকল্যাণ বিভাগৰ যোৱা বাজেটত এই বাৰ চাপ্লিমেণ্টেৰীৰ যোগেদি আমি এই ধনখিনি বিচাৰিছো। এইটো আমাৰ ডব্লিউ, পি.টি.বি.চি ৰ নহয়। মাননীয় বিধায়ক সকলে দিহা পৰামৰ্শ দিছে, মই ভাল পাইছো। আমাৰ বিভাগে কেনেকুৱা ধৰণে কাম কৰিছে, ক'ৰবাত ব্যাঘাত হৈছে নেকি? বিষয়া সকলে ক'ৰবাত ভুল কৰিছে নেকি।

মাননীয়া উপাধ্যক্ষা মহোদয়া, সমাজকল্যাণ বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা যি পইচা বিচাৰিছিল, বি.টি.চি ক চেয়াৰ দিবৰ কাৰণে অনুমোদন বিচাৰিছিল। আমাৰ এই পইচা বি.টি.চি ৰ হয়। চি, এফৰ যোগেদি এই পইচা লৈ যোৱা হ'ল আৰু ইতিমধ্যে খৰচ কৰা হ'ল। এতিয়া আমাৰ ৬০ বছৰৰ ওপৰৰ লোকসকলৰ কাৰণে বৃদ্ধ পেঞ্চন আঁচনিৰ কাৰণে ৫ কোটি টকা ধৰা হৈছে। ১৭ কোটি ৩৪ লাখ ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ আঁচনিৰ কাৰণে আৰু প্ৰসূতি কল্যাণ আঁচনিৰ কাৰণে ৫ কোটি আৰণ্টন

**Speech not corrected*

বিচাৰা হৈছে। এতিয়া বাজেট অনুমোদন পাৰ্ব্বাৰ্থে চাপ্লিমেণ্টেৰী গ্ৰাণ্ট হিচাপে আমি থৈছোঁ। বৃদ্ধ পেঞ্চন আঁচনিৰ যোগেদি প্ৰতিটো বেনিফিচাৰীয়ে ৩৫ টকাকৈ পাৰ মান্থ পাব। ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ আঁচনিৰ কাৰণে ১০,০০০ টকা আৰু প্ৰসূতি মাতৃসকলৰ কাৰণে হস্পিটালত থাকে ৫০০ টকাকৈ দিয়া হ'ব। কিটি চিয়ে এখন চেয়াৰ পাৰৰ কাৰণে চাপ্লিমেণ্টেৰী আমাক দিছে। তথাপিও মই চমুকৈ মাননীয় বিধায়কসকলক উত্তৰ দিব বিচাৰিছো। আজি এচ.টি, এচ.চিৰ নিচিনাকৈ অ'বি চিসকলৰ ক্ষেত্ৰত উন্নতি হোৱা নাই। সেই কথাটো সঁচা। এচ.চি, এচ.টিৰ ক্ষেত্ৰত যেনে ধৰণে আমি এতিয়া সম্পূৰ্ণ উন্নতিৰ পথত আহিছে। আমাৰ চৰকাৰে এচ.চি, এচ.টিৰ কাৰণে দায়িত্ব সহকাৰে কাম কৰি আহিছে। এই ক্ষেত্ৰত আমি অৱহেলা কৰা নাই। মাননীয় বিধায়কসকলে কৈছে। অন্যান্য ডেকা ডাঙৰীয়াই কৈছে পলিচি মেকিঙত কেনা লাগিছে নেকি? জিলা পৰ্য্যায়ত কাম কৰোতে কিবা গাফিলতি থাকিলে আপোনালোকে পৰামৰ্শ দিব পাৰে। আমাৰ এচ. টি, এচ.চি ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা পইচা আহি আছে। আমাৰ বৰ্ডবিলাকে এইবিলাক কথা চাব লাগে। এচ. টি, এচ. চিৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে নিয়মিত স্কলাৰশ্বিপৰ পইচা পায় তাৰ কাৰণে গাইড লাইন বনাই দিয়া হৈছে। জিলা পৰ্য্যায়ত প্ৰপ'জেল আহিলে কেন্দ্ৰীয় চৰকাৰৰ পৰা বেছিকৈ পইচা লৈ আহিব পাৰি। অ' বি চিৰ ছাত্ৰ-ছাত্ৰীসকলে আজি সময়মতে স্কলাৰশ্বিপ পোৱা নাই। যোৱা বছৰ ১২ কোটি টকা পাইছো। আজি অ'বি চিৰ এম.এল.এ সকল আছে, জিলা পৰ্য্যায়ত বিষয়াসকল আছে তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ নামবিলাক পঠিয়াব লাগে। তেওঁলোকে এই ক্ষেত্ৰত গুৰুত্ব দিলে ভাল। সকলোৱে যদি এই কথাবিলাক গুৰুত্ব

সহকাৰে লয় তেতিয়াহ'লে আমি কেন্দ্রীয় চৰকাৰৰ পৰা বেছিকৈ পইচা আনিব পাৰিম। পোষ্ট গ্রেজুৱেট স্কলাৰশ্বিপ আমি দিছো। কিছুমান জিলাত কার্য্যকৰী কৰা হৈছে আৰু কিছুমান জিলাৰ পৰা আমি সেই স্কলাৰশ্বিপৰ ক্ষেত্রত প্রপ'জেল পোৱা নাই। ডব্লিউ. পি.টি এণ্ড, বি. চি বা আমাৰ কোনো বিভাগে কোনো বস্তু পার্চেজ কৰা নাই। আমি গড়কাপ্তানি, হেণ্ডলুম এণ্ড চেৰিকালচাৰ, ছোচিয়েল ফৰেষ্ট্রি আদি বিভিন্ন বিভাগ ষ্টেট বাজেটৰ পইচাটো এলোকেচন দিও। সেই বিভাগৰ যিসকল চীফ ইঞ্জিনীয়াৰ, ডাইৰেক্টৰ আছে তেওঁলোকে সকলো বস্তু কিনিছে। বস্তু কিনাৰ বাবে পইচা লোৱাৰ ক্ষেত্রত আমিও আপত্তি কৰিছো। আপোনালোকে বিচৰা ধৰণে ডিপার্টমেণ্ট ৰিলেটেড ষ্টেণ্ডিং কমিটিৰ মিটিং হ'ব তেতিয়া তাত আপোনালোকে কি কৰিলে ভাল হ'ব সেই কথাবিলাক আলোচনা কৰিব। অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি এলেকাত যাতে ভালকৈ কামবিলাক কৰে আৰু আপোনালোকে যিখিনি পৰামর্শ দিয়ে সেই মতে যাতে কাম বিলাক কৰে তাৰ কাৰণে অনুৰোধ জনাইছো। আপোনালোকে যদি ভালকৈ আলোচনা কৰি পৰামর্শ দিয়ে তেতিয়া হ'লে তেওঁলোকে ফলোআপ কৰিবলৈ অবহেলা কৰে। মাননীয় সদস্য, জ্যোতি প্রসাদ ডাঙৰিয়াই মীন আৰণ্টন ক্ষেত্রত যিটো কথা উত্থাপন কৰিছে সেইটো আমাৰ বিভাগত নপৰে। এইটো মীন বিভাগৰ কথা। মীন মহলবিলাক যাতে অনুসূচিত জাতিৰ লোকে পায় তাৰ কাৰণে আমি সজাগ। গড়কাপ্তানি বিভাগৰ জৰিয়তে ৰাস্তা-ঘাটৰ কাম কৰিবলৈ যথেষ্ট সুবিধা আছে। আমাৰ অনুসূচীত জনজাতি আৰু অনুসূচিত জাতি এলেকাত জৰাজীৰ হৈ থকা বাস্তাৰ কামবিলাকৰ কাৰণে অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ লোকসকলে এলাই

আহিব লাগিব। ঠিকাদাৰসকলে আহি জৰাজীৰ্ণ বাস্তাৰ কাম কৰিম বুলি গ্ৰেণ্ট বিচাৰে। মই তেতিয়া তেওঁলোকৰ এলেকাৰ মানুহৰ দ্বাৰা কামখিনি কৰাৰ কথা কওঁ। ঠিকাদাৰক গুৰুত্ব দিয়াতকৈ যি এলেকাত কাম হ'ব সেই এলেকাৰ মানুহ আহি কাম কৰিব বুলি ক'লে মই বেছি গুৰুত্ব দিওঁ আৰু সেই ৰাস্তাটো কৰাৰ কাৰণে অনুমোদন দি দিওঁ। ঠিকাদাৰসকল আহিলে মই তেখেতসকলক বাধা দিও। কিন্তু অনুসূচিত জাতিৰ লোক এই কামবিলাক কৰিবলৈ আগবাঢ়ি অহা নাই। আমাৰ অনুসূচিত জাতি মাননীয় বিধায়ক সকলে নিজৰ এলেকাৰ ৰাইজক সচেতন কৰি তুলিব পৰা নাই। মাননীয় বিধায়ক সকলে দায়িত্ব লৈ তেখেত সকলক আগুৱাই লৈ আহিব লাগিব। অনুসূচিত জাতিৰ লোকৰ উন্নয়নৰ কাৰণে টকা দিলে সেই টকাৰে জাল আৰু সূতা কিনি অনুসূচিত জাতিৰ লোকে উন্নতি সাধন কৰিব নোৱাৰিব। তেওঁলোকে তেওঁলোকৰ উন্নতি নিজে কৰিব লাগিব। আমি কেচ টকা হিতাধিকাৰীসকলক দিবলৈ দিয়া নাই, আমি সকলোৱে যাতে চেক পায় তাৰ ব্যৱস্থা কৰি দিছো। মাননীয় বিধায়কসকলক থাৰটি পাৰ্চেণ্ট বিটো দিয়া হৈছে তাৰ কাৰণে আমাৰ বিভাগৰ পৰা জিলা বিলাকলৈ লিখা হৈছে। যদি তেওঁলোকে সেই মতে নকৰে আমি আকৌ চিঠি লিখিম। আমাৰ মাননীয় সদস্য সকলে বিভাগটো ফলো আপ কৰাৰ কথা কৈছে। আমি কিন্তু কোনো ঠেলা, তাঁতশাল, চিলাই মেচিন আদি কিনা নাই। আমাৰ হিতাধিকাৰীসকলৰ কোনোবাই যদি নিজে ইনকাম কৰিম বুলি কিবা এটা বস্তু কিনিব বিচাৰে তেতিয়াহ'লে আমি তাৰ কাৰণে ১০ টকা দিও। অ.বি.চিৰ ক্ষেত্ৰত আমি চেণ্ট্ৰেল গ্ৰেণ্ট নাপাও। অ.বি.চিৰ শিতানত আমাৰ ষ্টেট বাজেটৰ টকা যদি অলপমান বঢ়াই দিয়া হয় তেতিয়াহ'লে

অনুসূচিত জাতি আৰু অনুসূচিত লোকসকলৰ নিচিনাকৈ তেওঁলোককো তেনেকুৱা ধৰণৰ সুবিধা দিব লাগিব। ইয়াৰ কাৰণে আমি পি এণ্ড ডি আৰু বিত্ত বিভাগৰ লগত আলোচনা কৰিছো।

(মাননীয় অধ্যক্ষই আসন গ্ৰহণ কৰে।)

মাননীয়া অধ্যক্ষঃ- এতিয়া ১/ শ্ৰীমিছন ৰঞ্জন দাস, শ্ৰীপ্ৰশান্ত ফুকন, শ্ৰীৰঞ্জিত দত্ত, ডাঃ ৰুমী নাথ, শ্ৰীঅভিজিৎ হাজৰিকা, শ্ৰীসুশীল দত্ত, শ্ৰীকাৰ্তিক সেনা সিন্‌হা, শ্ৰীৰামেশ্বৰ তেলী ২/শ্ৰীঅনন্ত ডেকা, শ্ৰীউদ্ধৱ বৰ্মণ ৩/শ্ৰীবদৰুদ্দিন আজমল, শ্ৰীগুণেশ্বৰ দাস, শ্ৰীআনোৱাৰুল হুক, শ্ৰীহাফিজ বছিৰ আহমেদ, ডাঃ আদিত্য লাংথাছা, শ্ৰীচিৰাজুদ্দিন আজমল ৪/শ্ৰীনুৰুল হুচেইন, শ্ৰীযোছেফ টপ্পো, শ্ৰীহিৰেন দাস, শ্ৰীৰবীন বনিক্য, শ্ৰীঅনুপ ফুকন, শ্ৰীকেশৰ মহন্ত, শ্ৰীপ্ৰবীন গগৈ, শ্ৰী প্ৰদীপ হাজৰিকা, শ্ৰীপ্ৰশান্ত বৰুৱা, শ্ৰীপদ্ম হাজৰিকা, শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা, শ্ৰীপ্ৰণৱ কলিতা, আপোনালোকে কৰ্তন প্ৰস্তাৱসমূহ প্ৰত্যাহাৰ কৰিব নেকি ?

শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ- ছাৰ, মই কৰ্তন প্ৰস্তাৱটো উঠাই লৈছো ।

অধ্যক্ষ ঃ- সদনৰ সন্মতি সাপেক্ষে কৰ্তন প্ৰস্তাৱসমূহ প্ৰত্যাহাৰ কৰা হ'ল।

মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে দাঙি ধৰিলো ।

প্ৰস্তাৱটো হ'ল:

" ২০০৮ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ সম্পৰ্কীয় কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰী অতিৰিক্ত সোতৰ কোটি তেত্ৰিছ লাখ পাঁচ হাজাৰ টকা মঞ্জুৰ কৰিব লাগে।"

যি সকল প্ৰস্তাৱটোৰ সপক্ষে, তেখেত সকলে কওক "হয়" বুলি।

যি সকল প্রস্তাৱটোৰ বিপক্ষে, তেখেত সকলে কওক "নহয়" বুলি।

মই ভাৱো "হয় সপক্ষে", "হয় সপক্ষে", "হয় সপক্ষে"।

প্রস্তাৱটো গৃহীত হ'ল।

দাবী মঞ্জুৰী নং ৩৮ টো গৃহীত হ'ল।

এতিয়া মঞ্জুৰী নং ৫৯, মই মন্ত্রী মহোদয়ক দাবীটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

শ্রীপ্রণব গগৈ (হস্ত তাত বস্ত্রশিল্প আৰু ৰেছম)ঃ- মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদনক্রমে মই প্রস্তাৱ কৰিব খোজো যে ২০০৮ চনৰ ৩১ মার্চত শেষ হ'ব লগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ "হস্ততাত বস্ত্র আৰু ৰেচমৰ" ক্ষেত্রত ভাৱপ্রাপ্ত মন্ত্রীক অতিৰিক্ত ২৩৭.৫৩ লাখ টকা মঞ্জুৰ কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ- এই দাবী মঞ্জুৰীটোৰ ওপৰত ৫টা কর্তন প্রস্তাৱ আছে। প্রস্তাৱ কেইটা হ'লঃ

১নং- শ্রীমিশ্বন ৰঞ্জন দাস, শ্রীপ্রশান্ত ফুকন, শ্রীৰঞ্জিৎ দত্ত, ডা: ৰুমী নাথ, শ্রীৰামেশ্বৰ তেলী, শ্রীসুশীল দত্ত, শ্রীকার্তিকসেনা সিন্‌হা, শ্রীঅভিজিৎ হাজৰিকা

২নং- শ্রীঅনন্ত ডেকা, শ্রীউদ্ধৱ বর্ম্মন

৩নং- শ্রীবদৰুদ্দিন আজমল, শ্রীগুনেশ্বৰ দাস, শ্রীআনোৱাৰুল হক, শ্রীহাবজ বহিৰ আহমেদ, ডাঃ আদিত্য লাংথাছা, শ্রীতিৰাজুদ্দিন আজমল

৪নং- শ্রীনুৰুল হুছেইন, শ্রীযোচেফ টপ্পো, শ্রীহিৰেন কুমাৰ দাস, শ্রীৰবীন বনিকা, শ্রীঅনূপ ফুকন, শ্রীকেশৰ মহন্ত, শ্রীপ্রবীন গগৈ, শ্রীপ্রদীপ হাজৰিকা, শ্রীপ্রশান্ত [illegible]

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা

৫নং- শ্রীপ্রণৱ কলিতা।

এতিয়া কর্তন প্রস্তাৱসমূহ একাদিক্রমে উত্থাপন কৰিবলৈ অনুৰোধ জনালো। আগৰ নিচিনাকৈ মোৰ বোধেৰে কোনোবা এজনে উত্থাপন কৰিলে গোটেইখিনি উত্থাপন হোৱা বুলি ধৰি লওঁ।

*শ্রীঅনুপ ফুকন ঃ- মাননীয় অধ্যক্ষ মহোদয়, ২০০৭-২০০৮ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকা ২৯-৩০ পৃষ্ঠাত থকা "হস্ততাত, বস্ত্র আৰু ৰেছম" শিতানৰ ৫৯নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধার্য কৰা সমগ্র ২৩৭.৫৩ লাখ টকাৰ পৰা ১০০ টকা হ্রাস কৰা হওক অর্থাৎ সমুদায় পৰীপূৰক দাবী মঞ্জুৰীৰ ২৩৭.৫৩ লাখ টকা ১০০ টকাৰে হ্রাস কৰা হওক।

অধ্যক্ষ মহোদয়, এই দাবী মঞ্জুৰীৰ ওপৰত কর্তন প্রস্তাৱ উত্থাপন কৰি ক'ব বিচাৰিছো যে এই বিভাগৰ ওপৰতে গুৰুত্ব নাই, বাজেট এলোকেচনও বেছি নহয়। আলোচনা কৰাৰ কাৰণেও কম সময় আছে। এটা কথা আমি সকলোৱে জানো যে এই বিভাগৰ অনুদানে কিন্তু অসমত তোলপাৰ লগাই দিয়ে। কৃষিৰ পিছতে হস্ত তাঁত বস্ত্র শিল্পই দ্বিতীয় স্থান লাভ কৰিছে। সেই হিচাপে এই বিভাগটোৱে গুৰুত্ব লাভ কৰিব লাগিছিল। সমাজৰ উন্নয়নত এই বিভাগটোৱে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সেই হিচাপে কিন্তু আমি বিভাগটোক গুৰুত্ব নিদিও। সংখ্যাগত মানত মহাত্মা গান্ধীয়ে অসমৰ শিপিনীক প্রশংসা কৰি গৈছে। এটা সময়ত বিয়াৰ কাৰণে ছোৱালী চাব গ'লে তেওঁ বয়ন শিল্পত পাৰ্গত হয়নে নহয় তাক দক্ষতা হিচাপে গণ্য কৰা হৈছিল। আজিকালি অৱশ্যে সেইবিলাক কোৱা নহয়। কাৰণ হস্ততাতক পাৰাৰলুমত

*Speech not corrected.

গুৰুত্ব দিয়া হৈছে। এই বিভাগৰ জৰিয়তে সমাজখনক বিভিন্ন পন্থাত ৰূপান্তৰ কৰিব পাৰি। মাষ্টাৰৰোল ওৱাৰকাৰৰ নিয়মীয়া কৰিবৰ কাৰণে যিখিনি টকা আৱণ্টন বিচাৰিছে সেইটো যুক্তি সংগত যিখিনি কাম কৰিছে বা কৰিব বিচাৰিছে সেইখিনি কিন্তু প্ৰতিফলিত হোৱা নাই। মই জিলাত থকা সহকাৰী সঞ্চালক হস্ততাঁত আৰু সহকাৰী সঞ্চালক ৰেচম বিভাগত তেওঁলোকৰ পৰিকল্পনা কথা বিস্তৃতভাৱে আলোচনা কৰিছো কিন্তু পৰিকল্পনামতে কাম হোৱা নাই। আজি অসমৰ কিমান মূগা পালক আছে, কিমান অনুদান দিয়া হৈছে তাৰে কোনো হিচাপ বা জৰিপ হোৱা নাই। গুৱাহাটীত মূগা পালকৰ প্ৰকৃত হিচাপ নাই। মই আগতে কৈছো যে কৃষি হিচাপে ইয়াক দ্বিতীয় বিভাগত ল'ব লাগে। কিন্তু এই ধৰণৰ কোনো উৎপাদনমুখী আঁচনি ল'ব পৰা নাই। বিপন্নৰ কাৰণে শুদ্ধ পৰিকল্পনা ল'লে বিভাগটো নিশ্চয় সুফল হ'ব। বি.পি.এল. দিনদয়াল এই বিলাক আঁচনি নিশ্চয় চলি থকা নাই অৰ্থাৎ স্থানীয় শিপিনী নিশ্চয় উপকৃত হোৱা নাই। এটা সময়ত পাৱাৰ লুমৰ গামোচা বেন্দ কৰি স্থানীয় শিপিনীক উৎসাহ যোগাইছিল। এতিয়া বোধকৰো সেই বেন্দ নাই। আজিকালি পাৱাৰলুমৰ গামোচা আৰু শিপিনীয়ে হাতে বোৱা গামোচাৰ পাৰ্থক্য বুজা হৈছে। শিপিনীৰ গামোচাই বেছি সমাদৰ লাভ কৰা দেখা যায়। গতিকে বিভাগে সুচিন্তিত পৰিকল্পনা কৰা উচিত। আমি শুনিছো প্ৰতি গৰাকী শিপিনীক এক বান্দিলকৈ সূতা দিব। এই ব্যৱস্থা নিৰ্বাচনৰ আগতে কৰিছিল। আমিও উপভোক্তাৰ তালিকা প্ৰস্তুত কৰিছিলো কিন্তু তাতে ৰাজনীতি সোমাল। বিৰোধী পক্ষৰ চিটিং এম. এল.এ বিলাকে বোলে শতকৰা বিশ ভাগহে পাব।

সীয় অধ্যক্ষ ঃ- মন্ত্ৰী মহোদয়ক কমেও ৫ মিনিটৰ কাৰণে উত্তৰৰ সময় দিব

লাগিব গতিকে আপুনি শেষ কৰক।

অনুপ ফুকন ঃ- হ'ব ছাৰ, এনে ধৰণে ৰাজনীতি কৰা উচিত নহয়। এই বিলাক আছিল নিৰ্বাচনমুখী আঁচনি। আমাক তেনে আঁচনি নালাগে। আমাক লাগে জনমুখী আঁচনি। জনমুখী আঁচনি নলয় এইবিলাক টোপ দি থকা হৈছে। প্ৰকৃততে স্থানীয় শিপিনীসকল মুঠেও উপকৃত হোৱা নাই। এই বিভাগটোৰ লগত বিভিন্ন শ্ৰেণীৰ লোক জড়িত হৈ আছে। আমাৰ জিলা বিলাকত যিবিলাক ফাৰ্ম্ম আছে সেই ফাৰ্ম্মবিলাকৰ ঘৰ-দুৱাৰ সকলো জহি খহি গৈছে। সেই বিলাকৰ মেৰামতি কোনো ব্যৱস্থা চৰকাৰে কৰা নাই বা তেনে কোনো আঁচনিৰ পৰিকল্পনাও আমি দেখা নাই। এনে অৱস্থাত এই বিভাগে মাত্ৰ বোৱনীক একো বান্দিল সূতা দি ৰাজনীতিৰ মুনাফা আদায় কৰিব বিচাৰিছে। ইয়াৰ দ্বাৰা ৰাইজ কোনো প্ৰকাৰে লাভান্বিত নহয়। বয়ন শিল্পই আজি বিশ্বৰ দৰবাৰত সমাদৰ লাভ কৰিছে। আমাৰ বয়ন শিল্পকো সেই পৰ্য্যায়ত লৈ যোৱাৰ চেষ্টা কৰিব লাগিব। আজি মণিপুৰৰ বস্ত্ৰ শিল্পই আন্তৰ্জাতিক বজাৰত সমাদৰ লাভ কৰিছে। আমাৰ অসমতো বড়ো, মিছিং, তিৰা, কাৰ্বি সকলে কালাৰফুল ড্ৰেচ বনায়। সেইবিলাকক আন্তৰ্জাতিক বজাৰত লৈ যোৱাৰ চেষ্টা কৰিব লাগিব। মই আজি যিটো চোলা পিন্ধি আহিছো সেইটো দেখি প্ৰথমে হাঁহিছিল আৰু বিধান সভাত আজি এই বিষয়ত আলোচনা হ'বৰ কাৰণে পিন্ধি অহা বুলি কৈছিল। কিন্তু এৰী, মূগা মিহলি—— প্ৰস্তুত কৰা চোলাটো সকলোৰে সমাদৃত। আমি শুনিছো যে বোৱনীসকলক একোখন কম্বল দিব বিচৰা হৈছে বা তেনে আঁচনি লৈছে। কিন্তু কম্বল বোলা বস্তুটো হস্ততাঁত বয়ন শিল্পত কিয় আহিল? এই বস্তুবিলাক দিব লাগিছিল হয় সমাজ কল্যাণ বা ডি.আৰ.ডিএ বিভাগে। তাকে নকৰি এই বিভাগৰ টকা এনেকৈ আৱণ্টন কৰাৰ কি

*Speech not corrected

যুক্তি আছে? ইয়াৰ দ্বাৰা ৰাজনীতি কৰা হৈছে। এইবিলাক জনমুখী বাজেট নহয়। বয়ন শিল্পক জনগোষ্ঠীৰ লগত খাপ খোৱাকৈ আঁচনি প্ৰস্তুত কৰিব লাগে। আমাৰ আজি আঁচনিবিলাকত চৰ অঞ্চলৰ মুছলমানসকলক জৰিত কৰিব লাগে। চাহ বাগিচাৰ কাম আজি কালি বেছি নাই। গতিকে সেই মহিলাসকলকো ইয়াত জৰিত কৰিব লাগে। সূতা, কম্বল বিতৰণ কৰাতকৈ এনে ধৰণৰ আঁচনি লওঁক। শুৱালকুছিক আজি অসমৰ মানচেষ্টাৰ বুলি কোৱা হয়। এন.আৰ.এইটচৰ আঁচনি নিচিনা আমাৰ মন্ত্ৰী ডাঙৰীয়াই তাত ৰিনোভেটিভ আঁচনি নলয় কিয়? এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

শ্ৰীপ্ৰণৰ গগৈ(হস্ততাতঁ ও ৰেচম মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি আমাৰ বিভাগৰ ফালৰ পৰা যিটো দাবী মঞ্জুৰী দাঙি ধৰা হৈছে সেইটোত দুটা ভাগ সন্নিৱিষ্ট হৈ আছে। দুটা বিষয়ত আমি মঞ্জুৰীটো বিচাৰিছো। তাৰে প্ৰথমটো ১৭৭ লাখ টকা ৰেচম সঞ্চালকালয়ৰ যোগেদি কেন্দ্ৰীয় ৰেচম বোৰ্ডে Catalytic Dev. Programme (CDP) ৰূপায়ণ কৰিবলৈ লোৱা আঁচনিখনৰ বাবে ৰাজ্য চৰকাৰে দিবলগীয়া ১০ শতাংশ পুঁজি আৰু বাকী ৬০.৫৩ লাখ টকা ৰেচম সঞ্চালকালয়ৰ অধিনস্থ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাৰ ৭৬৬ জন মাষ্টাৰৰোল কৰ্ম্মচাৰিক চাকৰিত নিয়মীয়াকৰণ কৰাৰ বাবদ দিবলগীয়া হোৱা সংশোধিত নিৰিখৰ দৰমহা পুঁজি। বিত্ত বিভাগে এই পুঁজিৰ বাবে অনুমোদন জনাইছে। এই ১৭৭ লাখ টকা আমাৰ ৰাজ্য চৰকাৰৰ অংশ হিচাপে ধৰিলে আমি কেন্দ্ৰৰ পৰা পোৱা টকা মিলি ১৮৯২.৮৫ লাখ টকা অসমৰ ৰেচম শিল্পৰ বিকাশৰ বাবে খৰচ কৰিব পাৰিম। এই পুঁজিৰে আমি ব্যক্তিগত খণ্ডুৱা মূগা, এৰী আৰু পাট যি সকলে উৎপাদন কৰে আৰু যি সকলৰ

এই ধৰণৰ ফাৰ্ম আছে এই বিলাকক ৰক্ষণা বেক্ষণ দিয়াৰ লগতে আৰু অন্যান্য খৰচৰ লগতে আৰু অধিক মাটি যাতে এই খেতি কৰি উৎপাদন বঢ়াব পাৰে তাৰ বাবে কার্যকৰী ব্যৱস্থা ল'ব পৰা যাব। গতিকে এইখিনি টকাৰে এই বিভাগে যথেষ্ট কাম অগ্রগতি লাভ কৰিব পাৰিব। এতিয়া এই কর্তন প্রস্তাৱৰ যোগেদি এই মঞ্জুৰী দাবীৰ বিৰোধিতা কৰা হৈছে। আনহাতে মাননীয় সদস্য গৰাকীয়ে কৈছে যে ফার্মবিলাক জহি খহি গৈছে। আমাৰ এৰী, মূগা পাটৰ উৎপাদন অৱস্থা বেয়া হৈছে, দুখ লগা হৈছে। গতিকে এনে দুমুখীয়া কথা ক'লে আমি নিৰূপায়। ৰাজ্য চৰকাৰৰ পুঁজি, কেন্দ্রীয় চৰকাৰৰ পুঁজি আৰু আমাৰ হাতত থকা পুঁজিৰ সৈতে আমি আৰু কি কি নতুন কাম কৰিব পাৰো তাৰ বাবে চিন্তা চর্চ্চা কৰিব পাৰিম। আমাৰ ফার্ম্মবিলাকত আমি আধুনিক যন্ত্রপাতি আদিৰে সজাই পৰাই তুলিব পাৰিলেহে আমাৰ উৎপাদন বাঢ়িব পাৰিব। তাৰ বাবে আমি চেষ্টা কৰি আছো যাতে আমি ভাৰতবর্ষৰ বজাৰত আৰু আনকি বিদেশৰ বজাৰতো স্থান দখল কৰিব পাৰো। আমাৰ কাৰণে সৌভাগ্যৰ কথা যে মূগা উৎপাদনত অসমৰ স্থান বহু ওপৰত। ভাৰতবর্ষৰ সমস্ত মূগা উৎপাদন শতকৰা ৯৯ ভাগ অসমেই উৎপাদন কৰে। গতিকে অসমৰ অর্থনৈতিক বিকাশৰ ক্ষেত্রত মূগাও সোমাই আছে। এৰীৰ ক্ষেত্রত গোটেই ভাবতবর্ষত যিমান উৎপাদন তাৰ শতকৰা ৬৫ ভাগ অসমেই উৎপাদন কৰে। সেয়ে আমি এই এৰী, মূগা পাট আদি উন্নতভাৱে খেতি কৰি বিজ্ঞানসন্মতভাৱে আধুনিক পদ্ধতিত যদি উৎপাদন কৰিব পৰা যায় তেন্তে বিশ্বৰ দৰবাৰতে অসমৰ এখন ছৱি উজলি উঠিব। সেই কাৰণে মই এই ক্ষেত্রত মাননীয় সদনত এইটো অনুৰোধ কৰিব খোজো যে আজি যি কর্তন প্রস্তাৱ আনিছে সেইটো উঠাই লৈ আমি যিমান টকা বিচাৰিছো সেইটো দি হস্ততাঁত আৰু ৰেচম বিভাগক উন্নত

কৰিবৰ সুবিধা দিয়ে যেন।

মাননীয় অধ্যক্ষ ঃ- এতিয়া পুৱা ১১ বাজি ৩০ মিনিট হৈছে। মই বাকী সকলো কর্তন প্রস্তাৱ গিলেটাইনত দিলো।

এতিয়া মই বাকী থকা সকলোবোৰ দাবী মঞ্জুৰী নং- ৫৯,৩,৬,১১,১৭, ২২, ২৯, ৩৬, ৩৭, ৩৯, ৪৩, ৪৪, ৫০, ৫৬,৬১,৬২,৬৩,৬৪,৬৫,৬৯,৭৪,আৰু ৭৫ সদনত অনুমোদনৰ বাবে আগবঢ়ালো।

যিসকল প্রস্তাৱটোৰ সপক্ষে- তেখেত সকলে কওক "হয়" বুলি।

যি সকল প্রস্তাৱটোৰ বিপক্ষে - তেখেত সকলে কওক "নহয়" বুলি।

মই ভাৱো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে' ।

দাবী মঞ্জুৰী নং ৫৯, ৩, ৬, ১১, ১৭, ২২, ২৯, ৩৬, ৩৭, ৩৮, ৩৯, ৪৩, ৪৪, ৪৯, ৫০, ৫৬, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৯, ৭৪, আৰু ৭৫ গৃহীত হ'ল।

মাননীয় অধ্যক্ষ ঃ- কার্য্যসূচী নং ৪ (ক), "অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০০৮" (সদনৰ মজিয়াত সদস্যসকলৰ মাজত বিতৰণ কৰা হয়।)

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্রস্তাৱ আগবঢ়াব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ হৈ "অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০০৮" খন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ- সদনৰ অনুমতি আছেনে?

(ভইচ: আছে ।)

অনুমতি দিয়া হ'ল ।

ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ কাৰণে অসমৰ ৰাজ্যপাল মহোদয়ে ২০০৮ চনৰ ৫ মার্চ তাৰিখত এটা বাণী পঠাইছে। বাণীটো মই পঢ়ি দিছো

ৰাজভৱন,
গুৱাহাটী,
তাৰিখ ০৫/০৩/২০০৮

আদেশ

"ভাৰতৰ সংবিধান ২০৭ (১) অনুচ্ছেদৰ চর্ত্ত অনুসৰি মই, লে. জেনেৰেল (অৱসৰপ্রাপ্ত) অজয় সিংহা, পি.ভি.এস.এম, এ.ভি.এস.এম, অসমৰ ৰাজ্যপাল হিচাপে ২০০৮ চনৰ অসম বিনিয়োজন (নং ১) বিধায়কখন অসম বিধান সভাত উত্থাপন কৰিবৰ বাবে অনুমোদন জনালো।

স্বাক্ষৰ

লেঃ জেনেৰেল (অৱসৰপ্রাপ্ত) অজয় সিং পি. ভি. এস. এম, এ. ভি. এস. এম) ৰাজ্যপাল অসম।"

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ হৈ ২০০৮ চনৰ অসম বিনিয়োজন (নং ১) বিধেয়কখন উপস্থাপন কৰিলো।

সচিব, অসম বিধান সভা ঃ- বিধেয়কখনৰ শিৰোনামা হ'ল-"অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০০৮।"

মাননীয় অধ্যক্ষ ঃ- কার্য্যসূচী নং ৪(খ)। ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়েকখন

সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০০৮ চনৰ ৫ মাৰ্চ তাৰিখত এটা বাণী পঠিয়াইছে, মই বাণীটো পঢ়ি দিছো –

ৰাজভৱন

গুৱাহাটী

তাৰিখ ০৫/০৩/২০০৮

আদেশ

"ভাৰতৰ সংবিধানৰ ২০৭(৩) অনুচ্ছেদৰ চর্ত্ত অনুসৰি মই, লেঃ জেনেৰেল (অৱসৰপ্ৰাপ্ত) অজয় সিংহ, পি.ভি.এস.এম, এ.ভি.এস.এম, অসমৰ ৰাজ্যপাল হিচাপে ২০০৮ চনৰ অসম বিনিয়োজন (নং ১) বিধেয়কখন অসম বিধান সভাই বিবেচনা কৰিবৰ বাবে অনুমোদন জনালো।

স্বাক্ষৰ

(লেঃ জেনেৰেল (অৱসৰপ্ৰাপ্ত) অজয় সিংহ, পি.ভি.এস.এম, এ.ভি.এস.এম) ৰাজ্যপাল, অসম"

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ হৈ "অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০০৮"খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ- মই এতিয়া প্ৰস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো, প্ৰস্তাৱটো হ'ল– "অসম বিনিয়োজন (নং ১) বিধেয়ক ২০০৮ খন বিবেচনাৰ বাবে লোৱা হওক।

যিসকল মাননীয় সদস্য - সদস্যাই প্রস্তাৱৰ সপক্ষে আছে তেখেতসকলে কওক, "হয়", যি সকল বিপক্ষে আছে, তেখেতসকলে কওক "নহয়". মই ভাৱো, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, " হয়"ৰ সপক্ষে, প্রস্তাৱটো গৃহীত হ'ল।

কার্য্যসূচী নং ৪ (গ)।

এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রশ্নটো হ'ল-

বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যাই

প্রস্তাৱৰ সপক্ষে আছে তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম সদনৰ মজিয়াত দাঙি ধৰিলো। প্রশ্নটো হ'ল- বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়', যিসকল প্রস্তাৱৰ বিপক্ষে আছে তেখেতসকলে কওঁক ,'নহয়'। মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ব।

ADJOURNMENT

The House then stood adjourned at 11.41 A.M till 9 A.M. on Monday, the 10th March, 2008.

DISPUR :
The 7th March, 2008

G.P. Das
Secretary,
Assam Legislative Assembly.

Annexure-I

চিকাৰীৰ হাতত মৃত্যু হোৱা গঁড়ৰ সংখ্যা	কাজিৰঙা	ওৰাং	পবিতৰা	মুঠ
২০০১	৮টা	১টা	০	৯টা
২০০২	৪টা	০	১টা	৫টা
২০০৩	৩টা	১টা	২টা	৬টা
২০০৪	৪টা	০টা	১টা	৫টা
২০০৫	৭টা	৩টা	২টা	১২টা
২০০৬	৫টা	৩টা	১টা	৯টা
২০০৭	১৮টা	৩টা	০	২১টা
২০০৮	৪টা	১টা	০	৫টা
			মুঠ-	৭২টা

চিকাৰীৰ হাতত মৃত্যু হোৱা গঁড়ৰ সংখ্যা	কাজিৰঙা	ওৰাং	পবিতৰা	মুঠ
২০০১	৩৫টা	২টা	১টা	৩৮টা
২০০২	৬২টা	১টা	২টা	৬৫টা
২০০৩	৬৩টা	১টা	২টা	৬৬টা
২০০৪	১০০টা	২টা	৫টা	১০৭টা
২০০৫	৭৩টা	১টা	৩টা	৭৭টা
২০০৬	৫৩টা	৭টা	৩টা	৬৩টা
২০০৭	৭৯টা	৫টা	২টা	৮৬টা
২০০৮	২৯টা	০	০	২৯টা
			মুঠ-	৫৩১টা

বেমাৰত মৃত্যু হোৱা গঁড়ৰ সংখ্যা	কাজিৰঙা	ওৰাং	পবিতৰা	মুঠ
২০০১ৰ পৰা ২০০৮লৈ	নাই	নাই	নাই	নাই

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৰাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
(১) শ্রীদয়াৰাম পাটগিৰি পিঃ- লাটুকা পাটগিৰি বোকাখাত	গোলাঘাট আদালতলৈ প্রেৰণ কৰা হ'ল।
(২) „ মঙলা পাটগিৰি পিঃ- মইনা পাটগিৰি ধোৱা গাঁও, বোকাখাত	ঐ
(৩) „ মানিক কিলিং	ঐ
(৪) „ ৰতিৰাম শর্মা গাঁওঃ- ক্লাচিক, থানাঃ জয়গাঁও জলপাইগুৰি,	ঐ
(৫) „ জগমোহন শর্মা, ঐ	ঐ
(৬) „ মতী মায়া দেৱী পিঃ- লক্ষ্মী নাৰায়ণ শর্মা ঐ	ঐ
(৭) „ গণেশ গুৰুং নিউ লেবৰযাৰী ৰঙাপাৰা, চাৰিদুৱাৰ, শোণিতপুৰ	ঐ
(৮) „ ৰিল' চিংফাৰ পিঃ- মৃত চিনিৰাম চিংফাৰ ২ নং লং তলেৰী, হাওৰাঘাট কার্বি আংলং	ঐ
(৯) „ বাবাচু টেৰণ পিঃ- মৃত চন্দ্র সিং টেৰণ ঐ	ঐ

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
(১০) „ জোনাৰাম ফাংচু পিঃ- মৃত বুৰহা ফাংচু ঐ	ঐ
(১১) „ ৰবাচিং ৰংফাৰ পিঃ- মৃত কাৰা ৰংফাৰ ঐ	ঐ
(১২) „ তেৰ ইংতি পিঃ- মৃত লাংজিং, ইংতি চৰচৰে গাঁও, ঐ	ঐ
(১৩) „ লতিভ আলি পিঃ- মৃত মাকৈ মিঞা মেৰাপানী	ঐ
(১৪) „ সোনাধৰ শইকীয়া	ঐ
(১৫) „ খিৰেশ্বৰ শইকীয়া পিঃ- মৃত লীলাধৰ শইকীয়া মেৰাপানী	গোলাঘাট আদালতলৈ প্ৰেৰণ কৰা হ'ল
(১৬) মঃ নজিবুৰ ৰহমান পিঃ- নাজিমুদ্দিন ৰহমান বিশ্বনাথ চাৰিআলি	ঐ
(১৭) মঃ চাইবুৰ ৰহমান ঐ	ঐ
(১৮) মঃ মুৰাদ আলি পিঃ- মঃ আলি ইছলাম ঐ	ঐ

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
(১৯) মঃ হুছেইন আলি পিঃ- আব্বাচ আলি বিশ্বনাথ ঘাট, মটকগাঁও ঐ	ঐ
(২০) শ্রীকৃষ্ণ ৰাম দাস পিঃ- মৃত ৰামচৰণ দাস তাৰাপট্টি, পলাশবাৰী	ঐ
(২১) ,, অমিত বড়ো পিঃ- মৃত যোগেন বড়ো আনধেৰী, ঐ	ঐ
(২২) ,, ৰমেন চৌধুৰী পিঃ- মৃত জিতেন চৌধুৰী ৰাণী, মির্জা	ঐ
(২৩) ,, হৰকান্ত তালুকদাৰ পিঃ- মৃত নবীন তালুকদাৰ পলাশবাৰী	ঐ
(২৪) ,, বিমান টেৰণ হাওৰাঘাট, কার্বি আংলং	ঐ
(২৫) ,, ৰঞ্জিত শর্মা তিতাবৰ, দাংধৰা, যোৰহাট	ঐ
(২৬) ,, মহেন টেৰণ, হাওৰাঘাট কার্বি আংলং,	ঐ
(২৭) ,, অতুল গগৈ	ঐ

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
পিঃ- মৃত গেৰেলা গগৈ পলাশগুৰি মুখ, বোকাখাত	
(২৮)„ বলো ওৰাং পিঃ- মৃত তুকালী ওৰাং ঐ	ঐ
(২৯) „ ৰমেন দলে পিঃ- মৃত সুমলি দলে তিমুৱাতি বোকাখাত	গোলাঘাট আদালতলৈ প্রেৰণ কৰা হ'ল
(৩০) „ দিলিপ বসুমতাৰী	ঐ
(৩১) „ সৰু পেগু পিঃ- শ্রীচিতা মিৰি বোকাখাত	ঐ
(৩২) „ যদু কাৰদং, বোকাখাত	ঐ
(৩৩) „ ভক্ত বাহাদুৰ ছেত্রী, বোকাখাত	ঐ
(৩৪) „ দিলিপ দলে, ঐ	ঐ
(৩৫) „ চিপেৰা কাৰদং পিঃ- মৃত নাদুৰাম কাৰদং	ঐ
(৩৬) „ অজয় কুটুম পিঃ- শ্রীবানুৰ কুটুম	ঐ
(৩৭) মঃ আব্দুল ছাট্টাৰ পিঃ- মঃ চিদ্দিক আলি পশ্চিম কাৱাজমনি, নগাঁও	কলিয়াবৰ আদালতলৈ প্রেৰণ কৰা হ'ল।
(৩৮) মঃ বাহাৰুল ইছলাম	ঐ

Annexure-II

7th March

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৰাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
পিঃ- মঃ নুৰুল আমিন যুৰিয়া নগাঁও	
(৩৯) „ দিলিপ সিংহাৰ, শিলডুবি, গোলাঘাট	ঐ
(৪০) „ বিষ্ণু ওৰাং, ঐ	গোলাঘাট আদালতলৈ প্ৰেৰণ কৰা হ'ল
(৪১) „ বিৰচা ওৰাং, ঐ	ঐ
(৪২) „ ইচাক টিচু, ঐ	ঐ
(৪৩) „ বুৰা ওৰাং, ঐ	ঐ
(৪৪) „ ভীম বাচফাৰ পিঃ- মৃত নাথনি বাচফাৰ হাতীখুলী	কলিয়াবৰ আদালতলৈ প্ৰেৰণ কৰা হ'ল
(৪৫) „ সঞ্জীৱ চৌধুৰী, শিলডুবি	ঐ
(৪৬) „ যুগল সিং, বাগুৰী	ঐ
(৪৭) „ দীনেশ তাঁতী বাগুৰী	ঐ
(৪৮) মঃ চিৰাজ আলি. পিঃ- স্বৰ্গীয় নাছেৰ আলি হ'ল। গাঁওঃ বান্দৰডুবি থানাঃ জখলাবন্ধা	বিহীত ব্যৱস্থাৰ বাবে জখলাবন্ধা আৰক্ষী চকীত চমজাই দিয়া
(৪৯) মঃ আকবৰ আলি পিঃ- আকতাৰ আলি গাঁওঃ- বান্দৰডুবি থানাঃ- জখলাবন্ধা	ঐ

Annexure-II

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
(৫০) মঃ ৰেকাট আলি পিঃ- হাচেন আলি গাঁওঃ- বান্দৰডুবি থানাঃ- জখলাবন্ধা	ঐ
(৫১) মঃ আব্দুল আলি পিঃ- হাছেন আলি গাঁওঃ- বান্দৰডুবি থানাঃ- জখলাবন্ধা	ঐ
(৫২) মঃ কাচেম আলি পিঃ- তইয়ব আলি গাঁওঃ- বান্দৰডুবি থানাঃ- জখলাবন্ধা	ঐ
(৫৩) মঃ হাছিম আলি পিঃ- আৱালী আলি গাঁওঃ- বান্দৰডুবি থানাঃ- জখলাবন্ধা	ঐ
(৫৪) মঃ নুৰ মহম্মদ পিঃ- স্বৰ্গীয় ৰাজব গাঁওঃ- বান্দৰডুবি থানাঃ- জখলাবন্ধা	ঐ
(৫৫) মঃ তাহৰ আলি পিঃ- স্বৰ্গীয় খলিল আলি গাঁওঃ- বান্দৰডুবি	ঐ

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৰাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
থানাঃ- জখলাবন্ধা	
(৫৬) শ্রীমুনলাল কিশান	ঐ
পিঃ- স্বর্গীয় লালচাই কিশাল	
গাঁওঃ- জগদম্বা চাহ-বাগিচা	
থানাঃ- জখলাবন্ধা	
(৫৭) শ্রীবিদুৰ সিং বি	ঐ
পিঃ- শ্রী চিংফু বি	
গাঁওঃ- বৰডেকা গাঁও	
থানাঃ- হাউৰাঘাট	
(৫৮) মঃ জাকিৰ হুচেইন	ঐ
পিঃ- মঃ ৰফিক আলি	
গাঁওঃ- ন-জান (কুঠৰী)	
থানাঃ- জখলাবন্ধা	
(৫৯) মঃ নাছিৰ আলি	ঐ
পিঃ- সৰুজ জামাল আলি	
গাঁওঃ- ন-জান	
থানাঃ- জখলাবন্ধা	
(৬০) মঃ ইচলাম আলি	বিহিত ব্যৱস্থাৰ বাবে জখলাবন্ধা
থানাত	
পিঃ- আব্দুল হাই	চমজাই দিয়া হ'ল
গাঁওঃ- বান্দৰডুবি	
থানাঃ- জখলাবন্ধা	
(৬১) শ্রীবিমল দেৱ	ঐ
পিঃ- স্বর্গীয় সুশীল দেৱ	

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
গাঁওঃ- বেঙেনা খোৱা থানাঃ- বেঙেনা খোৱা	
(৬২) শ্রীনৱী সিং পিঃ- শ্রীকুঞ্জমোহন সিং গাঁওঃ- বিদ্যা নাহৰ থানাঃ- হোজাই	ঐ
(৬৩) শ্রীমাইবা সিং পিঃ- শ্রীৰাজকুমাৰ সিং গাঁওঃ- কালিনগৰ	ঐ
(৬৪) শ্রীলক্ষী দাস পিঃ- কালা সিং দাস গাঁওঃ- ৰাংঢালি, বিহালী থানাঃ- বিহাল	ঐ
(৬৫) শ্রীচাহেদ আলি পিঃ- স্বর্গীয় আব্দুল ৰছিদ গাঁওঃ- ৫ নং বটিয়ামাৰী থানাঃ- বিহালী	ঐ
(৬৬) মঃ মইনুদ্দিন আহমেদ পিঃ- মঃ আব্দুল কাদিৰ গাঁওঃ- কলিয়া দিংগা থানাঃ- যুৰীয়া	ঐ
(৬৭) শ্রীনৰেন টকৰী, গাঁওঃ ফুলগুৰি চাং ডাকঃ- আমগুৰি থানাঃ- জখলাবন্ধা	ঐ

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৰাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
(৬৮) শ্রী কুমুদ ৰাংফাৰ পিঃ- শ্রীখনাৰী ৰাংফাৰ গাঁওঃ- ডেবেৰা চাং ডাকঃ আমগুৰি থানাঃ- জখলাবন্ধা	ঐ
(৬৯) শ্রীমনচিং ইংতি পিঃ- কানিয়া ইংতি গাঁওঃ- ফুলগুৰি খ্রীষ্টান বস্তি থানাঃ- জখলাবন্ধা	ঐ
(৭০) শ্রীচিকাৰী চিগনাৰ পিঃ- কানিয়া চিগনাৰ গাঁওঃ- ফুলগুৰি খ্রীষ্টান বস্তি থানাঃ- জখলাবন্ধা	বিহীত ব্যৱস্থাৰ বাবে জখলাবন্ধা আৰক্ষীক চমজাই দিয়া হ'ল।
(৭১) শ্রীলংচিং লেকথে পিঃ- শ্রীমনপুৰাল লেক্থে গাঁওঃ- ফুলগুৰি থানাঃ- জখলাবন্ধা	ঐ
(৭২) শ্রীজুৱলী ৰংপি পিঃ- শ্রীহেংলং ৰংপী গাঁওঃ- ফুলগুৰি থানাঃ- জখলাবন্ধা	ঐ
(৭৩) শ্রীৰংবং ইংতি পিঃ- চিমন ইংতি গাঁওঃ- দেবেৰা চাং	ঐ

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
থানাঃ- জখলাবন্ধা	
(৭৪) শ্রীৰাজু তেৰং ওৰফে শ্রীকমল তেৰং পিঃ- শ্রীচাৰথে তেৰং গাঁওঃ- বালিজৰি বে-গাঁও থানাঃ- হাওৰাঘাট	ঐ
(৭৫) শ্রীশনিধৰ পেগু পিঃ- সৰুকান পেগু গাঁওঃ- বহিখোৱা থানাঃ- বোকাখাত	বিহিত ব্যৱস্থাৰ বাবে বোকাখাট থানাত চম্‌জাই দিয়া হয়।
(৭৬) শ্রীশান্তি পাটগিৰি পিঃ- শ্রীমতিলাল পাটগিৰি গাঁওঃ- বহিখোৱা থানাঃ- বোকাখাত	ঐ
(৭৭) শ্রীঅৰুণ পেগু পিঃ- শ্রীঅজয় পেগু গাঁওঃ- বহিখোৱা থানাঃ- বোকাখাত	ঐ
(৭৮) শ্রীবিদু পেগু পিঃ- গাঁওঃ- বহিখোৱা থানাঃ- বোকাখাত	ঐ
(৭৯) শ্রীপ্রভাত শইকীয়া পিঃ- শ্রীৰত্নেশ্বৰ শইকীয়া	ঐ

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
গাঁওঃ- তামুলীপথাৰ থানাঃ- বোকাখাত	
(৮০) শ্রীলংমং টিমুং ওৰফে বাবু টিমুং ওৰফে হ'ল। লম্বু চিকাৰী পিঃ- স্বৰ্গীয় কালিৰাম টিমুং গাঁওঃ- চিলিম ইংতি গাঁও থানাঃ- হাওৰাঘাট	বিহিত ব্যৱস্থাৰ বাবে বাগৰি আৰক্ষী চকীত চম্‌জাই দিয়া
(৮১) শ্রীপ্রকাশ মাঝি পিঃ- শ্রীপান্নালাল মাঝি গাঁওঃ- আমগুৰি গাঁও, কইৰা থানাঃ- বোকাখাত	বিহিত ব্যৱস্থাৰ বাবে বোকাখাত থানাত চম্‌জাই দিয়া হয়।
(৮২) শ্রীৰঞ্জিত কুৰ্ম্মী পিঃ- ৰবি কুৰ্ম্মী গাঁওঃ- ২ নং বৰজুৰি থানাঃ- বোকাখাত	ঐ
(৮৩) শ্রীবুধন ভূঞা পিঃ- শ্রীযোগেশ্বৰ ভূঞা গাঁওঃ- ২ নং বৰজুৰি থানাঃ- বোকাখাত	ঐ
(৮৪) শ্রীচামু মুড়া পিঃ- স্বৰ্গীয় বুধু মুড়া গাঁওঃ- মেথনী চাহ-বাগিচা	ঐ

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
থানাঃ- বোকাখাত	
(৮৫) শ্রীদিলীপ দাস পিঃ- শ্রীতিলেশ্বৰ দাস গাঁওঃ- বৰুৱা পথাৰ দাইনী গাঁও থানাঃ- হেলেম	ঐ
(৮৬) মঃ মনিৰ খান পিঃ- স্বৰ্গীয় চানমিয়া খান গাঁওঃ- গৰুমৰা থানাঃ- জখলাবন্ধা	বিহীত ব্যৱস্থাৰ বাবে বোকাখাত থানাত চম্‌জাই দিয়া হ'ল।
(৮৭) মঃ নুৰুল ইছলাম পিঃ- মেহেৰ আলি গাঁওঃ- গৰুমৰা থানাঃ- চামগুৰি	ঐ
(৮৮) শ্রীখামখান চোৱান পিঃ- স্বৰ্গীয় জিং খালাম গাঁওঃ- ৰং খেলাম থানাঃ- দিফু	ঐ
(৮৯) শ্রীগউপু পাইটে পিঃ- পামলেট পাইটে গাঁওঃ- ৰংগা পাহাৰ তিনিআলি থানাঃ- ডিমাপুৰ, নগালেণ্ড	ঐ
(৯০) শ্রীনৰেন বৰা পিঃ- স্বৰ্গীয় বাপুকন বৰা গাঁওঃ- কল্যাণ পুৰ,	বিহিত ব্যৱস্থাৰ বাবে মাননীয় গোলাঘাট আদালতত চম্‌জাই দিয়া হয়।

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
থানাঃ- বোকাখাত	
(৯১) শ্রীঅধীৰ দত্ত পিঃ- স্বর্গীয় পদ্মকান্ত দত্ত গাঁওঃ- জোনাকী নগৰ থানাঃ- গোলাঘাট	ঐ
(৯২) শ্রীচুনু গগৈ পিঃ- শ্রীগোবিন গগৈ গাঁওঃ- কাজিৰঙা থানাঃ- বোকাখাত	ঐ
(৯৩) শ্রীপৱন গগৈ পিঃ- গাঁওঃ- চেপেনা কোবোৱা, কাজিৰঙা থানাঃ- বোকাখাত	বোকাখাত থানাই গোলাঘাট আদালতলৈ প্রেৰণ কৰে।
(৯৪) শ্রীদুর্লভ শইকীয়া গাঁওঃ- বেজগাঁও, কাজিৰঙা থানাঃ- বোকাখাত	ঐ
(৯৫) শ্রীমটকা গগৈ গাঁওঃ- দ-গাঁও, কাজিৰঙা থানাঃ- বোকাখাত	ঐ
(৯৬) শ্রীতাৰা তেৰং গাঁওঃ- ৰংবংৰে থানাঃ- হাওৰাঘাট,কার্বি আংলং	বিহীত ব্যৱস্থাৰ বাবে গোলাঘাট আদালতলৈ প্রেৰণ কৰা হ'ব।
(৯৭) শ্রীচুৰেচ চাউৰা গাঁওঃ- ৰঙাজান	ঐ

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
থানাঃ- বোকাখাত	
(৯৮) শ্রীচন ফাংচু গাঁওঃ- ভলামৰা থানাঃ- হাওৰাঘাট	গোলাঘাট আদালতলৈ প্রেৰণ কৰা হ'ল।
(৯৯) শ্রীমন নাচি মুণ্ডা গাঁওঃ- ভলামৰা থানাঃ- হাওৰাঘাট	ঐ
(১০০) শ্রীহৰি মুড়া গাঁওঃ- বেজগাঁও, কাজিৰঙা থানাঃ- বোকাখাত	ঐ
(১০১) শ্রীকৃষ্ণ মুড়া, ঐ	ঐ
(১০২) শ্রীভূপেন মুড়া, ঐ	ঐ
(১০৩) শ্রীভণ্ডা মুড়া, ঐ	ঐ
(১০৪) শ্রীঅন্দা মুড়া, ঐ	ঐ
(১০৫) শ্রীচান্দমল নিমুদিয়া গাঁওঃ- দিৰিং থানাঃ- বোকাখাত জিলাঃ- গোলাঘাট	ঐ
(১০৬) শ্রীসুনীল ৰায় গাঁওঃ- কাছৰা, নগাঁও থানাঃ- কানপুৰ	ঐ
(১০৭) শ্রীকামাখ্যা মুখীয়া গাঁওঃ- টোঁ ভঙ্গা বিশ্বনাথ চাৰিআলি থানাঃ- বিশ্বনাথ চাৰিআলি	ঐ

Annexure-II

7th March

২০০১ চনৰ পৰা ২০০৮ চনৰ ফেব্রুৱাৰী মাহলৈ

কৰায়ত্ব হোৱা চোৱাং চিকাৰীৰ নাম ও ঠিকনা	শাস্তিৰ বাবে ব্যৱস্থা
(১০৮) শ্রীগুলনা মুখীয়া গাঁওঃ- টোঁ ভঙ্গা, বিশ্বনাথ চাৰিআলি	ঐ
(১০৯) শ্রীনুৰ আলি গাঁওঃ- কাঠনীবাৰী থানাঃ- বিশ্বনাথ চাৰিআলি	ঐ
(১১০) শ্রীখেম বাহাদুৰ থাপ্পা গাঁওঃ- ৰঙাচকুৰা, জামুগুৰি থানাঃ- জামুগুৰি	ঐ
(১১১) শ্রীনাৰায়ণ শর্মা গাঁওঃ- গমিৰিঘাট, মেইল বজাৰ থানাঃ- গহপুৰ	ঐ
(১১২) শ্রীলাল কুর্ম্মী, ঐ	ঐ
(১১৩) শ্রীবিমল তেৱং গাঁওঃ- বকলীয়া থানাঃ- বকলীয়াঘাট	ঐ
(১১৪) মঃ বিলালুদ্দিন গাঁওঃ- ফুণ্টলজানস ৰূপহী, নগাঁও থানাঃ- ৰূপহী	ঐ
(১১৫) মঃ উকালুদ্দিন গাঁওঃ- ঐ থানাঃ- ঐ	ঐ

দাখিল কৰা হ'ল।

Name of division	Year	Name and address of the arrested person
D.F.O.Guwahati WL Division	2001	1.Md.Abdul Khalek S/o Abdul Kuddush Vill-Kukari P.O. - Mayong 2.Md. Haraj Ali S/o. Karim Ali Vill–Sidegeni P.O.-Mayong
	2002	Nil
	2003	1. Govind Das S/o. Tulakhi Das Vill-Sugertari Jagirod 2. Harun Ali S/o Kuddus Ali Vill -Gasbari Mangaldoi 3. Md. Matleb Ali S/o Jallaluddin Dewan Vill -Gasbari, Mangaldoi 4.Md. Matleb Ali S/o Ajimuddin Vill -Gasbari, Mangaldoi

Annexure-II

Name of division	Year	Name and address of the arrested person
	2004	Nil
	2005	1. Abbar Ali S/o Giasuddin Vill -Mekarahati P.O- Mayong
	2006	1. Abdul Khalek S/o Hajrat Ali Vill -Mekarahati P.O- Mayong 2. Mubarak Ali S/o Abdul Ali Vill -Mekarahati P.O- Mayong 3. Sukur Ali S/o Matled Ali Vill -Kukari Mayong 4. Md. Dulal Ahmed S/o Bariuddin Vill.-Kushioni Mayong 5. Mafidul Islam S/o Sarofal Ali Vill -Kushioni Mayong

Name of division	Year	Name and address of the arrested person
		6.Nur Islam S/o. Rohit Mia Vill.-Kushioni
	2007	1. Langkhango S/o Khailango Vill.-Chilanijan P.O.-Chilanijan Karbi-Anglong
	2008	1. Abedur Rahman S/o Janab Ali Vill.-Garumara Doloni P.O. Mayong 2. Motidul Islam S/o Rustam Ali Vill.-Garumara Doloni P.O. Mayong
D.F.O. Mangaldoi WL.Divn	2001-02	Nil
	2003	1.Md.Abdul Jalil S/o Late Kader Ali Vill.-Bhelapara Dalgaon

Name of division	Year	Name and address of the arrested person
	2004	1. Md. Rashid S/o-Nil Vill.-Rangagora Dalgaon 2. Md. Abdul Hussain S/o Rangagora Vill.-Dalgaon
	2005	1. Md. Nuree Nagaon 2. Md. Raful Hussain Lalpani,Udalguri 3. Md. Raisuddin Vill.-Malbari, Dalgaon
	2006	1. Md. Junu Vill-Hamochar Dalgaon 2. Md. Nurul, Nagaon 3. Md. Ratul Hussain Lalpani,Udalguri 4. Md. Abeel Vill.-Hamochar Dolgaon

Name of division	Year	Name and address of the arrested person
	2007	1. Md. Maqbul Hussain Vill.-Hamochar Dolgaon 2. Md. Abul Hussain Vill-Hamochar Dolgaon
	2008	Nil

ANNEXURE-III

Fund under Centrally Sponsored Scheme

Year	Head of A/C	Development	Protection		
			Salary & Other allowances	Wages	Maintenence of live stock
2001-02	Development of National Park of Sanctuaries	63,02,000			
2002-03	Developmentmof N.P and Sanctuaries	35,00,000			
2003-04	Development of N.P and Sanctuaries	1,04,15,359			
2004-05	Development of N.P and Sanctuaries	1,43,71,387			
2005-06	Development of N.P and.Sanctuaries	67,77,000			
2006-07	Development of N.P and Sanctuaries	38,10,000 + 5Crores under ACA Acheme			
2007-08	Development of N.P and Sanctuaries	46,15,000			

Submitted–
Divisional Forest Officer
E.A.Widlife Division, Bokakhat

Annexure-III

Government of Assam
Environment and Forest Department

NO. FRW.22/2005/88 Dated: Dispur, 9th January, 2007.

From : Smti M. Goswami, ACS
Deputy Secy. to the Govt. of Assam,
To, The Accountant General, Assam, Maidamgaon,
Beltola, Guwahati-29
Sub : Proposal for ACA for developement of Kaziranga National Park during 2006-07.

Sir,

I am directed to convey the accord administrative approval for an amount of Rs. 4,81,25,750/-(Rupees four crores eighty one lakhs twenty six thousand seven hundred fifty) only to the project of Kaziranga National Park after deducting the A.G.S.T. at 8.33% and adding 4% tax under VAT and 1% contingency as details below:--

Total cost	Rs.	5,00,00.000.00
(+) 8.33% AGST	Rs.	4,45,000.00
Work cost	Rs.	4,58,35,000.00
(+) 4% VAT	Rs.	18,33,400.00
(+) 1% Contingency	Rs.	4,58,350.00
Actual administrative Approval	Rs.	4,81,26,750.00

The above concurrance is subject to the following conditions:-

1. VAT should be deducted at source and deposited to the State Exchequre through Treasury Challan.
2. The work should be completed within this estimated amount

Government of Assam
Environment and Forest Department

and no cost escalation will be entertained on the project in future.

3. The same project will not be submitted to any other agency and the expenditure will be met from the amount sanctioned by the Government.

The expenditure is dabitable to the head of account "2406 Forestry & Wildlife, (Plan) -02-Environmental Forestry & Wildlife-110-Wildlife-1268-Development of Other Wildlife Areas-Additional Central Assistance" during 2006-07. Suplementary Demand proposal as agreed by Finance (Bt.) Deptt. vide their U/O. No. BB. 4135/06 dated 12-12-06.

This has been issued with concurrence Finance (EC-I) Deptt, Vide their U/O No. FEC.I/1185/06. Dt.23-10-06

Yours faithfully.

Deputy Secy. to the Govt. of Assam,
Environment and Forests Department.

Mamo No. FRW, 22/2005/88-A, Dated Dispur, the 9th January, 2007.

Copy to :-

1. The Principal Chief Conservator of Forests, Assam, Guwahati-8 vide his letter No, FDG, 473/Dev. KNP/2006-07 dated 29-12-06.
2. The Deputy Director, Government of India, Ministry of Finance, Department of Expenditure Plan Finance-I Division, New Delhi- vide their No. FN.44 (1) PF-I/2005-138 dated 23rd Dec./ 2005.
3. The Director, Kaziranga National Park, Bokakhat.
4. The Planning & Development Department, Dispur, Guwahati-
5. The Finance (Budget) Department, Dispur Guwahati-6.

Government of Assam
Environment and Forest Department

6. The Finance (EC-I) Department, Dispur, Guwahati-6.
7. The Treasury Officer, Kamrup, Treasury.

By order etc.
Deputy Secy. to the Govt. of Assam,
Environment and Forests Department,

Memo NO. FRW. 22/2005/88-B, Dated Dispur, the 9th January, 2007,

copy forwarded to :- The Accountant General, Assam, Maidamgaon, Beltola, Guwahati-29.

Senior Financial Adviser,
Environment and Forests Department.

Annexure-IV

GOVERNMENT OF ASSAM
OFFICE OF THE CHIEF CONSERVATOR OF FORESTS
REHABARI : GUWAHATI-8

No. WL/ FD// IX-P/C.S.S/N.P & Sanct/2001-2002/B.

Dt. 29-12-01

To :

The Joint Director (WL)
Government of India,
Ministry of Environment & Forests,
Paryavaran Bhawan, C.G.O. Complex,
Lodhi Road, New Delhi-110003

Sub : S.S.S. "Development of National Park and Sanctuaries" 2001-02- Kaziranga National Park.

Ref : Ministry's Letter No. 21000103/WL-I

Sir,

With reference to the Ministry's letter cited above, I have the honour to submit herewith the revised Scheme amounting to Rs. 100.00 Lakhs alongwith justification for the works proposed under Recurring which requires to be carried out during the year 2001-2002 also for your kind needful action.

I would now request you kindly to communicate the Ministry's sanction and release of fund as proposed for the year 2001-2002 at an early date.

Encle :
As stated above

Yours faithfully,
CHIEF CONSERVATOR OF FORESTS :
WILDLIFE : ASSAM.

Copy to the Principal Secretary to the Govt. of Assam, Forest Deptt., Dispur, Guwahati-6 for his kind information.

Copy to the Principal Chief Conservator of Forest Assam, Rehabari, Guwahati-8 for information.

CHIEF CONSERVATOR OF FORESTS :
WILDLIFE : ASSAM:

ANNEXURE -IV

GOVERNMENT OF ASSAM

OFFICE OF THE CHIEF CONSERVATOR OF FORESTS

WILDLIFE, ASSAM

REHABARI : GUWAHATI-781008

No. FD/WL/D/Project Tiger-Kaziranga/2007-08

Dt. 17-08-2007

To,

The Commissioner & Secretary to the Govt of Assam,
Department of Environment & Forests.
Dispur-6

Sub :- APO under the CSS-"Project Tiger-Kaziranga Tiger Reserve" for the year 2007-08.

Sir,

With reference to the above subject, I am submitting herewith the Annual Plan of Operation (APO) for the Centrally Sponsored Scheme "Project Tiger- Kaziranga Tiger Reserve" for an amount of Rs. 538.05 lakhs (Rs. five hundred thirty eight lakhs five thousand) only for implementation during the year 2007-08.

The APO is also endorsed directly to the Member Secretary, National Tiger Conservation Authority of India along with the Brief Background Information of the Protected Area as required by GOI for favour of his kind approval. The APO may, therefore be recommended from your end as early as possible.

Encl : As above

Yours faithfully
Principal Chief Conservator of Forests,
Wildlife, Assam

Copy along with copy of APO and Brief Background In-

formation of the Protected Area is forwarded to the Member Secretary, National Tiger Conservation Authority of India, Bikaner House, Annexure-V, Shahjahan Road, New Delhi-110011.

Copy for information and necessary action to the Principal Chief Conservator of forests, Assam, Rehabari, Guwahati-8.

Principal Chief Conservator of Forests,
Wildlife, Assam

ANNEXURE IV

(RECURRING)

Sl. No.	Item of Work	Para of Management Plan which Specifies this item
	ROADS & BUILDING	6.3.1
1.	Repairing & annual maintenance of Anti-poaching Camp	Do
2.	Repairing of Office Building & Staff Quarter	Do
3.	Repairing of central Road	Do
4.	Repairing of fair weather Road	Do
5.	Maintenance of patrolling path	Do
6.	Boat line clearance	Do
7.	Repairing of Wooden Bridge	Do
8.	Repairing of Culvert	Do
	VEHICLES	6.3.1
9.	Maintenance of Vehicle	Do
10.	Repairing of Mechanized Boat. Speed Boat. Country Boat etc	Do
	ARMS & AMMUNITION	
11.	Repairing of Arms & Ammunition	6.3.1
	TOURISM FACILITIES	
12.	Improvement Repairing of existing tourism facilities	7.4.2

ANNEXURE -IV

Quantity	Rate per Unit	Amount required (Rs in Lakh)	Location	Justification
45 nos	Rs 20000	9.00	PA	To Keep it feet for use by front line staff
-	LS	15.00	HQ/Range HQ	Annual maintenance is required
25 Km	50,000/-	12.50	PA	Annual maintenance
300 Km	5000/-	15.00	PA	Do
300 Km	2000/-	6.00	PA	Do
-	LS	2.00	PA	Do
5 nos	Estimates	10.00	PA	Do
18 nos	Do	5.40	PA	Do

ANNEXURE -IV

Rate per Unit	Amount required (Rs in Lakh)	Location	Justification
LS	3.40	-	Required for patrolling
LS	2.60	-	Do
LS	2.00	PA	Protection
LS	15.00	PA & fringe area	Do

Sl. No	Item of Works	Para of Management Plan which Specifies this item	Quantity
13.	**LOGISTIC SUPPORT** to 125 nos of anti-poaching camps (battery, k. oil, water filter, camp equipments etc.)	63.1	125
14.	**FLOOD SEASON** MEASURES- (NH patrolling, logistic to Volunteers & Staff, Reward to villagers for rescue operations, External Veterinary Service, aking of temporary camp etc.)	63.2	-
15.	Legal support for defending court cases		
16.	Payment of Telephone Bill, TA Bill, Stationery etc.		

ABSTRACT :

A. NON-RECURRING = Rs 411.15 Lakhs

B. RECURING = Rs 126.90 Lakhs

GRAND TOTAL = Rs 538.05 Lakhs

ANNEXURE -IV

Rate per Unit	Amount required (Rs in Lakh)	Location	Justification
LS	10.00	PA	
LS	5.00	-	Absolutely neccessary to protect the distress animals
LS	5.00	PA	
LS	9.00	PA	
Total	126.90		

Bankim Sarma
Divisional Forest Officer
Eastern Assam Wildlife

REVISED SCHEME "ASSISTANCE TO STATES FOR DEVELOPMENT OF NATIONAL PARKS AND SANCTUARIES" -KAZIRANGA NATIONAL PARK-

-YEAR 2001& 2002-

(Part-A Recurring)

Sl. No.	Item of Work	Amount (Rs. in Lakh)
1	Clearance of patrolling path/firelines twice in a year Effective length 1500 km. @ Rs. 500/ km.	7.50
2	Logistic support to 125 Anti-poaching camps including flash lights, dry cells, kerosine oil, water filters, camp coats, khukuri, bags etc. @ Rs.4000/ annum/camp Balance works.	2.50
3	Cost of P.O.L for patrolling duty & anti-poachinng work including hiring of vehicles wherever it is not possible to send departmental vehicles and for driving back the stray animals for 3 months. (Deptt. Vehicles including machanized boats etc.)L.S	2.00
4(a)	Improvement of roads, Central path-cum-tourist routes-35 km. @ Rs. 1500/km.	5.25
4(b)	Maintenance of existing bridges on jeepable roads as per estimates. L.S	5.00
5	Clearance of water ways/boat line L.S	0.50
6	Annual repairing and coaltaring of country boats-90 nos. @ Rs. 2000/boat (total boats 110 nos)	1.80
7	Wages for the daily wagers for engaging in anti-depredation works 8854 man days. @ Rs. 48/-	4.25
8(a)	Supply of uniform to 500 nos. of staff @ Rs. 800/-	4.00

REVISED SCHEME "ASSISTANCE TO STATES FOR DEVELOPMENT OF NATIONAL PARKS AND SANCTUARIES" -KAZIRANGA NATIONAL PARK-
-YEAR 2001& 2002-
(Part-A Recurring)

Sl. No.	Item of Work	Amount (Rs. in Lakh)
8(b)	Supply of shoes to 500 nos. of staff (Two pairs per staff) @ Rs. 400/-	2.00
8(c)	Supply of rain coats to 500 nos. of staff @Rs. 600/-	3.00
9	Habitat improvement & control of mimosa and other weeds @ Rs. 4000/Ha. for 50 Ha.	2.00
10	Intelligence net-work/information gathering L.S.	0.50
11	Repairing & improvement of existing 72 highlands wherever required L.S.	3.00
12	Repairing of 125 anti-poaching camps including water supply (As per the estimates for individual camps) L.S.	4.70
13	Repairing of base camps (1.Bs) & Deptt1. Buildings as per estimates L.S.	4.00
14	Repairing of Deptt1. Vehicles L.S.	2.00
15	Rescue of wild animals, medical assistance to injured staff and workers inside the park	1.00
	Total	55.00

ANNEXURE -IV

REVISED SCHEME "ASSISTANCE TO STATES FOR DEVELOPMENT OF NATIONAL PARKS AND SANCTUARIES" -KAZIRANGA NATIONAL PARK-

-YEAR 2001 & 2002-

(Part-B Non Recurring)

Sl. No.	Item of Work	Amount (Rs. in Lakh)
1	Construction of semi-permanent anti-poaching camps at the following places - (i) Hanuman, (ii) Kawoimari, (iii) Tilaidubi, (iv) Tufturani, (v) Tazeng, (vi) Rutikhowa (vii) Baghmari, (viii) Maloni, (ix) Gerakati, (x) Ahatguri @Rs. 2.00 Lakhs each.	20.00
2	Construction of seasonal anti-poaching camps- 3 nos. @Rs 20,000 camp	0.60
3	Construction of high land cum road at - (i) Bhaisamari Tiniali to Azar- 1 km. (ii) Rowmari to Bimoli- 1 km. @Rs 2.20 lakhs/km.	4.40
4	De-siltation nof the following water bodies - (i) Bijuli beel, (ii) Bhalukmari, (iii) Goroimari, (iv) Dighali, (v) Bheselimari -25000 Cum. @Rs. 220 Cum.	5.50
5	Purchase of one tractor with trolly and other accessories	4.50
6	Construction of 2 nos. of Forest Rangers Quater @Rs. 5.00 lakhs each.	10.00
	Total	45.00

Abstract:- A. Recurring = Rs. 55.00 lakhs

B. Non-recurring = Rs. 45.00 lakhs

Total = Rs.100.00 lakhs

(Rupees One hundred lakhs only)

ANNEXURE -IV

APO UNDER THE C.S.S. "PROJECT TIGER- KAZIRANGA TIGER RESERVE" FOR THE YEAR 2007-08.

A. NON-RECURRING

Sl. No.	Item of Works	Para of Management Plan which Specifies this item	Quantity
	STAFF WELFARE		
1	Project Tiger allowance to frontline Staffs and Officers		504 nos
